
# তিৱা জনজাতিৰ লোক-সংস্কৃতি

## জোনবিল মেলাৰ পৰা তিৱা সাহিত্য সভালৈ



**নিৰঞ্জন চন্দ্ৰ পাঠক**

TIWA JANAJATIR LOKA-SANSKRITI : *Jonbil Melar Para Tiwa Sahitya Sabhaloi* : a book on the cultural and social life of Tiwa tribe of Assam by Niranjan Ch. Pathak, M.A. (Double-History-Ancient and Modern ) and published by Assam Institute of Research for Tribals and Scheduled Castes, Jawahar Nagar, Guwahati - 22.

***First edition : 2010*** ***Price : 50.00***

প্ৰকাশক ঃ অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠান।

প্ৰথম প্ৰকাশ ঃ ২০১০

© ঃ লেখক

বেটুপাত ঃ অদিতি ডেকা পাঠক

মূল্য ঃ ৫০.০০ টকা

মুদ্ৰক ঃ বহ্নিমান প্ৰিন্টাৰ্চ
গুৱাহাটী

উছৰ্গা

*তিৱা জনজাতিৰ সমন্বয়-সংহতিৰ হকে যিসকলে সহায় আগবঢ়াইছে, সেই মহানুভৱীসকললৈ—*

*— লেখক*

TIWA JANAJATIR LOKA-SANSKRITI : *Jonbil Melar Para Tiwa Sahitya Sabhaloi* : a book on the cultural and social life of Tiwa tribe of Assam by Niranjan Ch. Pathak, M.A. (Double-History-Ancient and Modern ) and published by Assam Institute of Research for Tribals and Scheduled Castes, Jawahar Nagar, Guwahati - 22.

*First edition : 2010* *Price : 50.00*

প্ৰকাশক ঃ অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠান।

প্ৰথম প্ৰকাশ ঃ ২০১০

© ঃ লেখক

বেটুপাত ঃ অদিতি ডেকা পাঠক

মূল্য ঃ ৫০.০০ টকা

মুদ্ৰক ঃ বহ্নিমান প্ৰিন্টাৰ্চ
গুৱাহাটী

## উছৰ্গা

*তিৱা জনজাতিৰ*
*সমন্বয়-সংহতিৰ হকে*
*যিসকলে সহায়*
*আগবঢ়াইছে, সেই*
*মহানুভৱীসকললৈ—*

*— লেখক*

# কৃতজ্ঞতা

**তিৱা সাহিত্য-সংস্কৃতিৰ**
**বিকাশত**
**জন্মলগ্নৰে পৰা আজিলৈকে**
**অগ্ৰণী ভূমিকা লোৱাসকললৈ**

# মুখবন্ধ

অসমীয়া জাতি আৰু সংস্কৃতিৰ বৈচিত্ৰ্য-বৰ্ণাঢ্যতাই আমাক সঁচাকৈয়ে বিস্মিত আৰু বিমুগ্ধ কৰি আহিছে। কিন্তু দৰাচলতে যিবোৰ বিচিত্ৰ সম্ভাৰে এই বৈচিত্ৰ্যসমূহক বৈভৱ প্ৰদান কৰিব পাৰিছে, সেইবোৰক আমি যথাযথ গুৰুত্ব দিব পৰা নাই।

ভাৰতবৰ্ষৰ পূব প্ৰান্তত অৱস্থিত অসম এখন বহুভাষিক, বহুজাতিক ৰাজ্য। ইতিহাসৰ বিভিন্ন ভাগত এই ঠাইৰ বুকুলৈ বিভিন্ন জনগোষ্ঠীৰ আগমন ঘটিছে আৰু ইয়াৰ বিশাল প্ৰভাৱকেই এই জনগোষ্ঠীসমূহৰ মাজৰ আদান-প্ৰদান, বিনিময় আৰু সংস্কৃতি গ্ৰহণৰ যোগেদি বৰ্তমান অসমীয়া সংস্কৃতিয়ে এক বৰ্ণাঢ্য আৰু বৈচিত্ৰ্যময় ৰূপ পৰিগ্ৰহ কৰিছে।

শ্ৰীনিৰঞ্জন চন্দ্ৰ পাঠকৰ এই গ্ৰন্থখন উত্তৰ-পূৰ্বাঞ্চলৰ এক অন্যতম জনজাতি তিৱাসকলৰ ঐতিহাসিক, সাংস্কৃতিক, সামাজিক, অৰ্থনৈতিক জীৱনৰ স্বাক্ষৰ। গ্ৰন্থখনত তিৱা জনজাতিৰ বৌদ্ধিক-সাংস্কৃতিক ঐতিহ্যৰ ৰূপৰেখাক অৱতাৰণা কৰা হৈছে। প্ৰতিফলিত হৈছে উত্তৰ-পূৰ্বাঞ্চলীয় তিৱা জনজাতিৰ জীৱন গাথা।

তিৱাসকল কোন? তেওঁলোকৰ অৱদান কোনখিনিত? সামাজিক বন্ধন বাৰু কিদৰে নিয়ন্ত্ৰণ কৰে?

কামনা কৰিছোঁ প্ৰত্যয় আৰু পৰিশ্ৰমৰ ফল 'তিৱা জনজাতিৰ লোকসংস্কৃতি— জোনবিল মেলাৰ পৰা তিৱা সাহিত্য সভালৈ' নামৰ মহান গ্ৰন্থখনে পঢ়ুৱৈ সমাজক এক নতুন চিন্তাৰ খোৰাক যোগাব পাৰিছে।

**ড° গনেশ চন্দ্ৰ শৰ্মা ঠাকুৰ,**
প্ৰাক্তন সঞ্চালক
অসম জনজাতি আৰু অনুসূচিত জাতি
গৱেষণা প্ৰতিষ্ঠান

১৫ মাৰ্চ, ২০১০

# লেখকৰ দু-আষাৰ

ভাৰত গণৰাষ্ট্ৰৰ উত্তৰ-পূৰ্বাঞ্চলৰ অসম নামৰ ভূ-খণ্ডত বাস কৰি থকা বিভিন্ন জাতি-জনগোষ্ঠীৰ ভিতৰত ভূমিপুত্ৰ তিৱাসকল অন্যতম জনগোষ্ঠী। অসমত আৱহমান কালৰে পৰা বাস কৰি অহা মংগোলীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত অসম-বৰ্মী শাখাৰ পৰা সৃষ্ট তিৱাসকল লোক-সংস্কৃতিৰ ক্ষেত্ৰত অত্যন্ত চহকী। অসমত হাবি-জংঘল কাটি অতীজৰে পৰা বাস কৰা তিৱাসকল মূলতঃ কৃষিকেন্দ্ৰিক হোৱা হেতুকে এওঁলোকৰ প্ৰায়বোৰ উৎসৱ-পাৰ্বণেই কৃষি কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি পালন কৰা হয়।

অসমৰ বিভিন্ন জনজাতিবোৰৰ মাজত থকা নিজ নিজ লোক-প্ৰবাদ, লোক-কাহিনী, লোকগীত, সাধুকথা আদিৰ মাধ্যমেৰে প্ৰত্যেকৰে কৃষ্টি-সংস্কৃতিৰ বিষয়ে সুন্দৰকৈ বহু কথাৰ সম্ভেদ পায়। এই দিশত নিজা ভাষা আৰু সংস্কৃতিৰ স্বকীয়তাৰে সমৃদ্ধ তিৱাসকলে বছৰত বিভিন্ন সময়ত বিভিন্ন লোক উৎসৱ পালন কৰি আহিছে। এইবোৰৰ ভিতৰত ছগ্ৰা মিছাৱা, ফুজা মিছাৱা, ৱানছোৱা, ছখং পূজা, জংকং পূজা, ধকচা পূজা আদি প্ৰধান।

কিতাপখনি প্ৰকাশৰ বাবে আৱশ্যকীয় আৰ্থিক অনুদান আগবঢ়াই পঢ়ুৱৈ সমাজৰ আগত উলিয়াই দিয়া বাবে 'অসম জনজাতি আৰু অনুসূচিত জনজাতি গৱেষণা প্ৰতিষ্ঠান'ৰ ওচৰত মই চিৰকৃতজ্ঞ।

বেটুপাতৰ ছবি ডিজাইন কৰি দিয়াৰ বাবে মই অদিতি ডেকা পাঠকলৈ ধন্যবাদ আগবঢ়ালোঁ।

পৰিশেষত পুথিখনে পঢ়ুৱৈ সমাজৰ পৰা সমাদৰ পালে লেখাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

বেজেৰা, কামৰূপ
অসম, ভাৰত

**নিৰঞ্জন চন্দ্ৰ পাঠক**
১৫।০৩।২০০৯

e-mail : niranjanchpathak@yahoo.com, Ph : 99579-78416

# PREFACE

The Assam Institute of Research for Tribals and Scheduled Castes, Guwahati under the aegis of Ministry of Tribal Affairs, Government of India, have been providing grants-in-aid to authors for publication of books written on different aspects of Tribals and Scheduled Castes people of Assam. The scheme is basically known as 'Grants-in-Aid for Literary Works for Scheduled Castes and Scheduled Tribes'. The scheme has been made successful by the scholars and the authors of the State for their literary contributions. As a part of this popular scheme, the book on "**Tiwa Janajatir Loka-Sanskriti**" : ***Jonbil Melar Para Tiwa Sahitya Sabhaloi*** by **Niranjan Ch. Pathak** has been sponsored by the Institute for publication. It is expected that the book will provide interest to the readers and fulfill their needs to some extent. We look forward for comments and suggestions from the readers.

I am grateful to the Ministry of Tribal Affairs, Government of India, and Welfare of Plain Tribes and Backward Classes Department of Assam for providing financial assistance for implementation of the scheme.

I also offer my thanks to the officers and staff of this Directorate for their help and co-operation.

Finally, I like to extend my thanks to M/s. Bohniman Printers, Guwahati for their help and co-operation in bringing out the book.

Dated Guwahati,
the 1st November, 2010

(G.C. Kakati)
(Director, i/c)
Assam Institute of Research for
Tribals and Scheduled Castes,
Guwahati-22

ৰাজাধিৰাজ আছিল।'

(২) অসম বুৰঞ্জীত তিৱা লোকসকলক অসমৰ আদিবাসী অনাৰ্য লোক বুলি কোৱা হৈছে। এইদৰে দেশৰ লোকসকলক প্ৰধানকৈ তিনি শ্ৰেণীত ভগাব পাৰি। প্ৰথম আৰ্য অৰ্থাৎ যি আৰ্যাৱৰ্ত বা ভাটিৰ ফালৰ পৰা আহি বাস কৰিছে, যাৰ ভাষা সংস্কৃতমূলক। ইয়াৰ মাজত ব্ৰাহ্মণ, কলিতা, কেওট প্ৰভৃতি যিবিলাকে সংস্কৃতমূলক অসমীয়া ভাষা কয়, সেইসকলো পৰে।

দ্বিতীয় অনাৰ্য অৰ্থাৎ যিসকল লোক আৰ্য সন্তান নহয়, যি এই দেশত আদিৰে পৰা বাস কৰি আছে বা পিছত দেশলৈ আহিছে আৰু যাৰ স্বতন্ত্ৰ ভাষা আছিল বা আছে, ইয়াৰ মাজত এই দেশৰ মিকিৰ, কছাৰী, লালুং, আহোম প্ৰভৃতি পৰে।

তৃতীয় মিশ্ৰ জাতি অৰ্থাৎ আৰ্য আৰু অনাৰ্য জাতিৰ দ্বাৰা উৎপন্ন হোৱা জাতি। অধিকাংশ কোচ আৰু চুতীয়া প্ৰভৃতি জাতি ইয়াৰ অন্তৰ্গত।'

(৩) নগাঁও জিলা ছাত্ৰ ফেডাৰেশ্বনৰ ৰহাত অনুষ্ঠিত প্ৰথম বাৰ্ষিক অধিৱেশনৰ কৃষ্টি সভাৰ সভাপতি ৰূপে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে যোগদান কৰিছিল। সেই অভিভাষণত তেখেতে তিৱা বা লালুংসকলৰ বিষয়ে এইবুলি লিখিছে যে 'দেউৰীসকলৰ তিনিটা খেলৰ ভিতৰত লুইতেদি ভটিয়াই যাওঁতে বাটত হেৰাই যোৱা পাটৰগঁঞা খেলটোৱেই লালুং নাম পায়।'

(৪) আহোম ভাষাত 'লালুং' শব্দই 'ভটিয়াই যোৱা ডাঙৰ দল' অৰ্থ কৰে বুলি প্ৰথিতযশা সাহিত্যিক ড° লীলা গগৈদেৱে প্ৰকাশ কৰিছে।

(৫) ১৮৮১ চনৰ অসম লোকগণনা ৰিপ'ৰ্টত ৰাডেল চাহাবে লালুংসকলক গাৰো আৰু কাৰ্বিসকলৰ লগত সামঞ্জস্য থকা পাহাৰীয়া জাতি বুলি উল্লেখ কৰিছে। তেওঁৰ তথ্য মতে-- 'The Lalungs got mixed up with the Garos and Mikirs, they have numerous exogamous clans'.

(৬) Tribal History of Eastern India গ্ৰন্থত ডেল্টন চাহাবে লালুংসকলক চুতীয়া সম্প্ৰদায়ৰ পৰা ফাটি অহা এটা ঠাল বুলি উল্লেখ কৰিছে আৰু উজনি অসমৰ বাসিন্দা বুলি তথ্য আগবঢ়াইছে।

**জনশ্ৰুতিসমূহৰ বিজ্ঞানসন্মত ৰূপ ঃ**

জনশ্ৰুতিসমূহক পোনপটীয়াকৈ ইতিহাসৰ শাৰীত ধৰা নাযায়। ইবোৰক Secondary Sourceৰ শাৰীত ধৰা হয়। বহু সময়ত জনশ্ৰুতিসমূহৰো গুৰুত্ব নুই কৰিব নোৱাৰি, যদিহে সিবোৰৰ লগত কোনো জাতিৰ সামাজিক-সাংস্কৃতিক



পৰম্পৰাৰ ওতপ্ৰোত সম্বন্ধ থাকে।

যা হওক, অসমৰ তিৱা জনজাতিৰ উৎপত্তি সন্দৰ্ভত পোৱা তিনিটা জনশ্ৰুতিৰ লগতে 'গীত-মাতত লালুং জনজাতি' নামৰ দুটা তথ্যৰ ওপৰত বিশ্লেষণ কৰি আমি এনে সিদ্ধান্তত উপনীত হ'ব পাৰোঁ। যথা--

(১) তিৱা জনজাতিৰ উপাস্য দেৱতা মহাদেৱ। সেইহেতু তিৱা জনজাতিৰ লোকসকলে নিজকে মিন্দাইফা মহাদেৱৰ অংশ ৰূপে পৃথিৱীত জন্মগ্ৰহণ কৰা বুলি গৌৰৱবোধ কৰে।

(২) বিচাৰ-বিশ্লেষণ কৰিলে এনে এক সিদ্ধান্তলৈ আহিব পাৰি যে তিৱা জনজাতিৰ লোকসকল একালত লুইতৰ উত্তৰপাৰে বাস কৰিছিল।

(৩) তিৱাসকলেও অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ বাবেই তেওঁলোকৰ আদিম লীলাভূমি তিব্বতৰ ফালৰ পৰা দলে দলে লুইতৰ দাঁতি-কাষৰলৈ আৰু তাৰ পৰা দক্ষিণৰ সমভূমি এলেকালৈ প্ৰব্ৰজন কৰে।



*তিৱা সংস্কৃতিৰ এটি ছবি*

উপৰিউক্ত বিশ্লেষণৰ পৰা এই কথাই প্ৰতীয়মান হয় যে মধ্য অসম, বিশেষকৈ নগাঁও, মৰিগাঁও, কাৰ্বি আংলঙৰ একাংশ, মেঘালয়ৰ একাংশ আৰু পূব কামৰূপৰ সোণাপুৰ পৰ্যন্ত এই বিস্তৃত অঞ্চলত প্ৰাচীন কালৰে পৰা অদ্যাৱধি লালুং বা তিৱাসকলৰ বসবাসে তেওঁলোকৰ সেই অঞ্চলত প্ৰভুত্ব থকাৰ কথাৰেই সাক্ষী বহন কৰিছে। ইয়াৰ লগতে তিৱা জনজাতিৰ কৃষ্টি-সংস্কৃতি, লোক-সংস্কৃতি, লোক-নৃত্য, ৰীতি-নীতি, আচাৰ-অনুষ্ঠানে অসমীয়া কৃষ্টিৰ দৰবাৰলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছে। ❖

# তিৰা জনবিশ্বাসত সৃষ্টিৰ ৰহস্য

তিৰা জনবিশ্বাসত আমি বহু ধৰণৰ সৃষ্টিৰ ৰহস্য পাওঁ। এই দিশত বিভিন্ন জনশ্ৰুতিও আছে। তিৰাসকলৰ মাজত বিভিন্ন ধৰণৰ লোক-প্ৰবাদ আৰু লোক-পৰম্পৰা আছে।

তিৰাসকলৰ মতে, এসময়ত স্বৰ্গৰ দেৱতাসকলৰ পৃথিৱীৰ প্ৰাণীবোৰৰ ওপৰত বৰ খং উঠিছিল আৰু সেয়ে পৃথিৱীৰ প্ৰাণীবিলাকক ধ্বংস কৰিবলৈ মন কৰি দেৱতাবিলাকে ধুমুহা, বিজুলী, ঢেৰেকনিৰে একেৰাহে বহুদিন ধৰি পৃথিৱীলৈ বৰষুণ নমাই আনি গোটেই পৃথিৱীখন পানীৰ তলত ডুবাই ৰাখিছিল বুলি জনশ্ৰুতি আছে।



*সামাজিক দায়বদ্ধতাত তিৰা মহিলা*

বিভিন্ন জনশ্ৰুতিমতে মহাপ্লাৱনৰ কথা, শস্যৰ বীজ ৰক্ষা কৰি তিৰাৰ বুঢ়া-বুঢ়ীহালে পানীত ওপঙি ফুৰাৰ কথা শুনি তিৰাসকলৰ মনত জাহাজ বা নাৱৰ কথা মনলৈ নাহি শস্যৰ বীজ ভৰাই থোৱা জাতিলাউৰ টান খোলাটোৰ কথাহে মনলৈ আহিছিল বুলি ভাব হয়। সেয়ে তেওঁলোকে শস্যৰ বীজবোৰ লৈ তিৰা বুঢ়া-বুঢ়ীহালক জাহাজ বা নাৱৰ ওপৰত নুতুলি জাতিলাউৰ টান খোলাৰ ভিতৰত ভৰাই পানীৰ ওপৰত ওপঙাই ৰাখিলে। অন্যহাতে পৃথিৱীখন মানৱৰ বাসৰ উপযোগী হোৱাৰ পিছত জাতিলাউৰ খোলাত উঠি ওপঙি ফুৰা বুঢ়া-বুঢ়ীহালৰ পৰাহে মানৱ জাতিৰ সৃষ্টি হ'ব লাগিছিল।



তিৰাসকলৰ জনশ্ৰুতিমতে, দেৱতাৰ ৰোষত পৰি হোৱা মহাপ্লাৱনৰ কাহিনী আন বহু শাস্ত্ৰত আছে, য'ৰপৰা অনুমান কৰিব পাৰি যে সঁচাকৈয়ে প্ৰাচীন কালত দেৱতাৰ ৰোষত পৰি এনে এটি বিপৰ্যয় ঘটিছিল।

হিন্দুৰ ধৰ্মশাস্ত্ৰ মতেও সত্যব্ৰত ৰজাই নদীত তৰ্পণ কৰোঁতে তেওঁৰ আঁজলিত এটি সৰু মাছ উঠিছিল। মাছটোৱে প্ৰথমতে সত্যব্ৰত ৰজাক কৈছিল, 'মোক ডাঙৰ মাছে খাব বিচাৰিছে, আপুনি মোক ৰক্ষা কৰক।'

কাৰ্বিসকলৰ জনশ্ৰুতিৰ লগত তিৰাসকলৰ জনশ্ৰুতিৰ কিছু সাদৃশ্য নথকা নহয়। তিৰাসকলৰ জনশ্ৰুতি মতে বৰালি মাছৰ ফিচাত লাগি অহা বোকাখিনি পদুম ফুলৰ পাহিত লাগি ৰ'ল আৰু সেই পদুম ফুলৰ পাহিত লাগি ৰোৱা বোকাখিনিৰ পৰা পুনৰ পৃথিৱীৰ সৃষ্টি হ'ল। এই জনশ্ৰুতিত থকা কথাখিনিকে বিশ্বাস কৰি তিৰাসকলে তেওঁলোকৰ স্ৰজন কৰোঁতা বুলি মহাদেৱক আৰু কাৰ্বিসকলে হেম্‌ফু মুক্ৰাঙক পূজা-অৰ্চনা কৰি আহিছে। ❖

# ভূমিপুত্ৰ তিৱাসকল ঃ এটি আলোচনা

অসমত বাস কৰি থকা বিভিন্ন জাতি-জনগোষ্ঠীৰ ভিতৰত ভূমিপুত্ৰ তিৱাসকল এটি অন্যতম জনগোষ্ঠী। তিৱাসকলৰ লোক-সংস্কৃতি, লোক-নৃত্য, লোকাচাৰ আৰু বিভিন্ন উৎসৱ-পাৰ্বণে অসমীয়া সংস্কৃতিত বিৰাট প্ৰভাৱ পেলাব পাৰিছে। এই জনগোষ্ঠীটোৰ এসময়ত 'জয়ন্তীয়া' আৰু 'গোভা' নামেৰে দুখন স্বতন্ত্ৰ ৰাজ্য আছিল। অন্যহাতে চহৰী, খোলা, নেলী নামেৰে তিনিখন ক্ষুদ্ৰ ৰাজ্য জয়ন্তীয়া ৰাজ্যৰ মিত্ৰ আছিল।

সাতোৰজাই পশ্চিমত শাসন কৰাৰ বিপৰীতে পাঁচোৰজাই পুব দিশত শাসন কাৰ্য পৰিচালনা কৰিছিল। কছাৰীগাঁও, ঘগুৱা, বঘৰা, তৰাণি কলবাৰী, শুখনাগোগ, কুমৈ, তেতেলীয়া— এই সাতখন ৰাজ্য সাতোৰজাৰ অধীনত থকাৰ বিপৰীতে খাইগড়, ফুলগুৰি, মিৰিগাঁও, বাৰপুজীয়া আৰু টোপাকুছি— এই পাঁচখন ৰাজ্য পাঁচোৰজাৰ অধীনত আছিল।

অসম ইতিহাসত বৰ্ণনা থকা মতে উত্তৰে ব্ৰহ্মপুত্ৰ, পশ্চিমে ডিমৰীয়া ৰাজ্য, দক্ষিণে বৰ আমলি আৰু খাগৰিজান জিলাৰ পূবলৈকে লালুং বা তিৱা জনগোষ্ঠীৰ বসতিস্থল আছিল। অৰ্থাৎ বৰ্তমানৰ মৰিগাঁও আৰু নগাঁও জিলা দুখনৰ চাৰিসীমাকে এই ৰাজ্যৰ এলেকা বুলি ক'ব পাৰি। প্ৰাচীন কালত এই এলেকাধীন ৰাজ্যসমূহ তিৱা নৃপতিসকলে শাসন কৰিছিল। বৰ্তমান সময়ত নগাঁও, মৰিগাঁও জিলাৰ উপৰি কাৰ্বি আংলং, মেঘালয়ৰ কেতবোৰ অঞ্চল, কামৰূপ, উত্তৰ লখিমপুৰ, যোৰহাট জিলাতো তিৱা লোকৰ বসতি আছে।

বৰ্তমান গৰিষ্ঠসংখ্যকেই তিৱা ভাষা ক'ব নাজানে। জনগোষ্ঠীটোৰ অধিকসংখ্যকেই তিৱা ভাষাৰ পৰিৱৰ্তে অসমীয়া ভাষাতেই ভাব বিনিময় কৰা পৰিলক্ষিত হয়। অথচ তিৱা জনগোষ্ঠীটোৰ ভাষা ঐতিহাসিকভাৱেই এক সমৃদ্ধ ভাষা, যাৰ স্বকীয় বৈশিষ্ট্য অটুট আছে। তেওঁলোকৰ গৰিষ্ঠসংখ্যকেই ভৈয়ামত বাস কৰে আৰু অসমীয়াভাষী অন্যান্য জনগোষ্ঠীৰ সৈতে ভাষা আৰু কলা-সংস্কৃতিৰ আদান-প্ৰদান হোৱাত তিৱাসকল স্বাভাৱিকতে অসমীয়াভাষী হৈ পৰিল। অৱশ্যে আজিও বহু অঞ্চলত তিৱা ভাষা জনা লোক আছে।



নিজৰ কিবা ক্ষতি হ'লেও আনক সহায় কৰিবলৈ কুণ্ঠাবোধ নকৰে তিৱাসকলে। তেওঁলোক সত্যবাদী আৰু কৰ্তব্যৰ প্ৰতি আস্থাশীল। তিৱাসকলৰ অত্যধিক সৰলতাই জাতিটোৰ প্ৰগতিৰ পথত আগবাঢ়ি যোৱাত বাধা জন্মাইছে। অৱশ্যে এনে অন্তৰায় অতিক্ৰম কৰিবলৈ তিৱা জনগোষ্ঠীটোৰ মাজত ন-চিন্তাৰ উন্মেষ ঘটা পৰিলক্ষিত হৈছে।

তিৱাসকলৰ মাজত নামঘৰসদৃশ এক উপাসনাগৃহ আছে। ইয়াক 'বৰঘৰ' বুলি কোৱা হয়। ইয়াতে তেওঁলোকে আৰাধ্য দেৱতাৰ সন্তুষ্টিৰ বাবে পৰম্পৰাগত নীতি-নিয়মেৰে পূজা-অৰ্চনা কৰি সমূহীয়াভাৱে ভোজভাত খায়। তদুপৰি মৃতকৰ শ্ৰাদ্ধাদিও সমূহীয়াভাৱে উদ্‌যাপন কৰে।

প্ৰাচীন কালৰ বহু ৰীতি-নীতি, লোক-নীতি, পৰম্পৰাৰ আমূল পৰিৱৰ্তন হৈছে আৰু তিৱাসকলৰ 'বৰঘৰ'ৰ ব্যৱহাৰ অনেক ক্ষেত্ৰত কেৱল আনুষ্ঠানিকতা ৰূপেহে বৰ্তি আছে। ❖

# তিৱাসকলৰ পৰিচয়মূলক দৃষ্টান্ত

তিৱাসকলৰ পৰিচয় আৰু পটভূমি সম্পৰ্কে বিভিন্ন আখ্যান আৰু জনশ্ৰুতি আছে। মুঠতে তিৱাসকল অসমৰ আদিম জনগোষ্ঠী আৰু অসমীয়া ভাষা-সংস্কৃতি-সাহিত্য, লোক-সংস্কৃতি আৰু লোক-সাহিত্যলৈ তেওঁলোকে এক বহুল অৰিহণা আগবঢ়াব পাৰিছে।

আমাৰ দেশৰ উত্তৰ-পূৰ্বাঞ্চলৰ চীন, তিব্বতী আৰু বৰ্মী ভাষাৰ অন্যতম উল্লেখযোগ্য শাখা অসম-বৰ্মী শাখাৰ ভিতৰুৱা মংগোলীয় গোষ্ঠীৰ জাতি-গোষ্ঠীবোৰক প্ৰত্যক্ষ কৰিলে এইটো স্পষ্ট হৈ পৰে যে তেওঁবিলাকক সাধাৰণতে দুটা নামেৰে জনা যায়-- প্ৰথমটো প্ৰতিৱেশী অন্যান্য গোষ্ঠীৰ লোকে দিয়া নাম আৰু দ্বিতীয়টো তেওঁলোকে নিজৰ জাতি-গোষ্ঠীক পৰিচয় দিয়া আত্মপৰিচয়সূচক নাম।

প্ৰথম নামটো চুবুৰীয়া অন্যান্য জাতি-জনগোষ্ঠীয়ে স্বাভাৱিকতে দিয়া আৰু আনটো জাতি-গোষ্ঠীৰ চাৰিত্ৰিক দিশ। গতি-প্ৰকৃতি, বাসস্থান, শৌৰ্য-বীৰ্য, খাদ্যাভ্যাস, ধৰ্মীয় আধাৰৰ ওপৰত গঢ় লৈ উঠা ধাৰণা তথা অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি দিয়া নাম আৰু এনে নামকৰণৰ অন্তৰালত একোটা অৰ্থ নিহিত হৈ থাকে। অন্যহাতে দ্বিতীয় পৰ্যায়ৰ স্বনামবোৰ নিজৰ ভৌগোলিক অৱস্থান, বাসস্থান, বৃত্তিৰ ওপৰত নিৰ্ভৰ কৰি গঢ় লৈ উঠা অনুমান হয়।

অসমত বাস কৰা জনজাতি জনগোষ্ঠীসমূহৰ ভিতৰত তিৱাসকল আদিম জনগোষ্ঠী। তেওঁলোক অসমৰ ভূমিপুত্ৰ। তেওঁলোকৰ এসময়ত 'গোভা' আৰু 'জয়ন্তীয়া' নামৰ দুখন স্বাধীন ৰাজ্য আছিল। তিনিখন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য ক্ৰমে চহীৰা, খোলা আৰু নেলী নামৰ ৰাজ্যকেইখন, যি জয়ন্তীয়া ৰাজ্যৰ বন্ধু আছিল।

আনহাতে গোভা ৰাজ্যৰ অধীনত দুটা ফৈদৰ ১২খন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য আছিল। বিশেষ মন কৰিবলগীয়া যে এটা ফৈদৰ পাঁচজন আৰু আনটো ফৈদৰ সাতজন ৰজা আছিল। পৰৱৰ্তী সময়ত এওঁলোক 'পাঁচোৰজা' আৰু 'সাতোৰজা' নামেৰে জনমানসত জনা গৈছিল। পাঁচোৰজাই পূবত ৰাজত্ব কৰাৰ বিপৰীতে সাতোৰজাই পশ্চিমত ৰাজত্ব কৰিছিল। পাঁচোৰজাৰ নিয়ন্ত্ৰণত থকা ৰাজ্যকেইখন আছিল



ক্ৰমে-- খাইগড়, ফুলগুৰি, মিকিৰগাঁও, বাৰপূজীয়া আৰু টোপাকুছি। আনহাতে সাতোৰজাৰ অধীনত থকা ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যকেইখন আছিল ক্ৰমে কছাৰীগাঁও, ঘগুৱা, বঘৰা, তৰাণি, কলবাৰী, শুখনাগোগ, কুমৈ আৰু তেতেলীয়া।

তিৱা লোক-সংস্কৃতিৰ সাধক, গৱেষক, পণ্ডিত মনেশ্বৰ দেউৰীয়ে তেখেতৰ 'তিৱা জনজাতি আৰু ভাষাৰ ইতিহাস' নামৰ গ্ৰন্থত তিৱা জনগোষ্ঠী সম্পৰ্কে এনেদৰে উল্লেখ কৰিছে-- 'মংগোলইড প্ৰজাতিৰ তিব্বত-বৰ্মী ভাষা পৰিয়ালৰ বৃহৎ বড়ো ঠালৰ অন্যতম শাখা তিৱা জনজাতি আদিম অধিবাসী।' বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰ পৰাই তিৱাসকলে এই দেশতে স্বকীয় কৃষ্টি-সংস্কৃতিৰ ঐতিহ্য বহন কৰি বাস কৰি আহিছে।



*তিৱা সংস্কৃতিৰ এটি ছবি*

এইটো বিচাৰ্য বিষয় যে স্বকীয় পৰিচয়ৰ প্ৰতি সজাগ আৰু সচেতন বিশ্বৰ যিকোনো জাতি-জনগোষ্ঠীয়েই নিজস্ব কলা-সংস্কৃতি, ভাষা, পৰম্পৰা সংৰক্ষণৰ ক্ষেত্ৰত আৱশ্যকীয় পদক্ষেপ গ্ৰহণ কৰাটো নিতান্তই সাধাৰণ তথা স্বাভাৱিক কথা-- ই কেতিয়াও সংকীৰ্ণ মানসিকতা হ'ব নোৱাৰে। স্বকীয়তাৰ দিশত মানুহৰ স্থিতি সুদৃঢ় কৰাৰ লগতে বিকশিত হোৱাৰ বাবে অনুপ্ৰেৰণা লাভ কৰে।

ভাষা-সংস্কৃতি, কলা-কৃষ্টি-সংহতি, উৎসৱ-পাৰ্বণ, লোক-পৰম্পৰা আদি একোটা জাতিৰ বাবে দাপোণস্বৰূপ। এইবোৰ হৈছে সমন্বয়ৰ ৰেখা। অৰ্থাৎ জাতি একোটাৰ স্বকীয় পৰিচয় তেওঁলোকৰ ভাষা, সংস্কৃতি, পৰম্পৰাৰ জৰিয়তে পাব পাৰি।

শেহতীয়াকৈ ভূমিপুত্ৰ তিৱাসকলেও তেওঁলোকৰ নিজস্ব ভাষা, সাহিত্য আৰু কলা-সংস্কৃতি-সংহতি আদিৰ ৰক্ষাৰ্থে অধিক সচেতনতাৰ পৰিচয় দিয়া চকুত পৰে। এই দিশত তেওঁলোকে অন্যান্য জাতি-জনগোষ্ঠীৰ লগত সংঘাত হোৱাটো বিচৰা নাই। বৰঞ্চ তিৱাসকলে তেওঁলোকৰ ভাষা-সাহিত্যৰ বিকাশৰ দিশত অন্যান্য জাতি-জনগোষ্ঠীসমূহৰ তৰফৰ পৰা সকলো প্ৰকাৰৰ সহায়-সহযোগিতা কামনা কৰিছে। ❖

# পাহাৰীয়া তিৰাসকলৰ সাংস্কৃতিক দিশ

ভূমিপুত্ৰ তিৰাসকল দুই প্ৰকাৰৰ– পাহাৰীয়া আৰু ভৈয়ামৰ। এই দুই প্ৰকাৰৰ তিৰাসকলৰ বিভিন্ন দিশত বিভিন্ন বৰঙণি আছে। তেওঁলোকৰ আছে স্বকীয় ধৰ্ম, পৰম্পৰা আৰু ভাষা-সাহিত্য।

ভৈয়ামৰ তিৰাসকলৰ বিষয়ে বহুতো কথা আৰু উল্লেখযোগ্য ভূমিকাৰ বিষয়ে বাতৰিকাকত আৰু আলোচনী আদিত পোৱা যায়। পাহাৰীয়া তিৰাসকলৰ বিষয়ে বৰ বেছি লেখা বা কিতাপ পোৱা নাযায়। 'Linguistic Survey of Indiaত Grierson এ ১৮৯১ চনত তেতিয়াৰ নগাঁও, কামৰূপ, খাচি-জয়ন্তীয়া পাহাৰ জিলাত ৪০,০০০ লালুং (তিৰা) লোকে বাস কৰিছিল বুলি লিখি গৈছে।



*তিৰা সংস্কৃতিৰ ৰূপৰেখা*

তিৰাসকলৰ ভাষাৰ বিষয়ে পোনপ্ৰথম ৰেভাৰেণ্ড এম বালৰান নামৰ আমচুৰাইৰ কেথলিক মিছনৰ পৰিচালক এগৰাকীয়ে কাম কৰি গৈছে। প্ৰাথমিক শিক্ষাৰ বাবে তিনিখন কিতাপ লিখি বালৰানে লালুংসকলৰ শিক্ষাৰ ক্ষেত্ৰত মন



কৰিবলগীয়া বৰঙণি আগবঢ়ায়।

পাহাৰীয়া লালুংসকলৰ বাসভূমি হ'ল কাৰ্বি আংলং জিলাৰ আমৰি উন্নয়ন খণ্ড আৰু চিংথং উন্নয়ন খণ্ড। মৰিগাঁও আৰু নগাঁও জিলাৰো বহুতো অঞ্চল তিৰা লোকৰ বাসভূমি। কলিয়াবৰ ৰাজহ চক্ৰ, ৰহা ৰাজহ চক্ৰ, নগাঁও ৰাজহ চক্ৰ, সোণাপুৰ ৰাজহ চক্ৰ, মৰিগাঁও জিলাৰ প্ৰায় সকলো ঠাই, ধেমাজি আৰু যোৰহাট জিলাতো (তিতাবৰ) তিৰাসকলে বাস কৰি আহিছে।

**সংস্কৃতি ঃ**

জন্ম, মৃত্যু আৰু বিবাহ– সমাজ-জীৱনৰ এই তিনিটা প্ৰক্ৰিয়াৰ লগত জড়িত অনুষ্ঠান আৰু জীৱন ধাৰণৰ ৰীতি-নীতিৰ সমষ্টিয়েই হ'ল এটা জনগোষ্ঠীৰ সংস্কৃতি। সংস্কৃতি নহ'লে এটা জাতিৰ গুৰুত্ব উপলব্ধি কৰিব নোৱাৰি। পাহাৰীয়া তিৰাসকলৰ সংস্কৃতি উচ্চ খাপৰ মৌলিকতাপূৰ্ণ সংস্কৃতি।

পাহাৰীয়া লালুংসকলৰ মতে, লালুং শব্দটো 'লিবুং', যাৰ অৰ্থ 'মানুহ', সেই শব্দৰ অপভ্ৰংশহে। কাৰ্বিসকলে নিজকে 'আৰলেং' অৰ্থাৎ 'মানুহ' বোলাৰ দৰে লালুংসকলেও নিজকে 'লিবুং' অৰ্থাৎ লালুং বোলে। 'তিৰা' শব্দৰ অৰ্থ হ'ল– 'তি' মানে পানী, 'ৰা' মানে শ্ৰেষ্ঠ বাসিন্দা। 'তিৰা' শব্দ 'তি-ফৰ-ৰালি' অৰ্থাৎ পানীৰ কাষত বাস কৰা জনগোষ্ঠী শব্দৰ পৰা উদ্ভুত।

ভূমিপুত্ৰ তিৰাসকল প্ৰধানকৈ কৃষিজীৱী। পাহাৰীয়া গাঁওসমূহ জংঘল কাটি পতা। তেওঁলোক চাংঘৰত নাথাকে। সাধাৰণতে ঘৰৰ সন্মুখৰ পিনে এখন চালি (বাৰাণ্ডা) দেখা যায়। প্ৰথম কোঠাটো 'নোমাজি' আৰু ভিতৰ কোঠাটো 'নুক্‌থি'।

পাহাৰৰ তিৰাসকলৰ ভাতেই প্ৰধান আহাৰ। এই তিৰাসকলৰ গাহৰি আৰু মুৰ্গীৰ মাংস প্ৰিয়। শুকান মাছো অতি প্ৰিয়। ঘৰতে প্ৰস্তুত কৰা চাউলৰ মদ আৰু তাৰ পৰা ঘৰতে প্ৰস্তুত কৰা ফটিকাও বৰ প্ৰিয়।

পাহাৰীয়া তিৰাসকলে অতীত আৰু বৰ্তমানৰ পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই চলি আছে। নিজৰ সোণালী অতীতৰ কথা সুঁৱৰি, স্বকীয় ভাষাত গীত-মাত, পূজা-পাৰ্বণ, ৰং-ৰহইচ কৰিও গৌৰৱ অনুভৱ কৰিব পাৰিছে। ❖

# লোক-উৎসৱত তিৱাসকল

অসমীয়া লোক-সংস্কৃতিত তিৱাসকলৰ লোক-উৎসৱসমূহে এক বিশেষ ভূমিকা লাভ কৰিছে। লোক-উৎসৱ আৰু লোক-বাদ্যত তিৱাসকল বিশেষ চহকী।

অসমত প্ৰাচীন কালৰে পৰা বাস কৰি অহা মংগোলীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত অসম-বৰ্মী শাখাৰ সৃষ্ট তিৱাসকল লোক-সংস্কৃতিৰ দিশত বেছ চহকী। অসমত হাবি-জংঘল কাটি অতীজৰে পৰা বাস কৰা তিৱাসকল মূলতঃ কৃষিকেন্দ্ৰিক হেতুকে এওঁলোকৰ প্ৰায়বোৰ উৎসৱ-পাৰ্বণেই কৃষিকাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি পালন কৰা দেখা যায়। ইয়াৰ উপৰি এওঁলোকে ধৰ্মীয় অনুষ্ঠানৰ সৈতে বজিতা খুৱাই নানা সময়ত নানা উৎসৱো পালন কৰা দেখা যায়।

স্বকীয় ভাষা আৰু সংস্কৃতিৰ স্বকীয়তাৰে সমৃদ্ধ এই তিৱাসকলে বছৰত বিভিন্ন সময়ত পালন কৰি অহা লোক-উৎসৱসমূহৰ ভিতৰত ছগ্ৰা মিছাৰা, ফুজা, মিছাৰা, ৱানছোৱা, য়াংলি, মাগ্ৰ' মিছাৰা, ছংখং পূজা, ডিঙা দিয়া, জংকং পূজা, খাপলাং বাৰা, ঘৰদেউ পূজা, ধকচা পূজা, কালিকা পূজা, বুঢ়া বাথৌ, বদল মাজি, শনিপূজা, জল পূজা, থল পূজা আদি প্ৰধান।



*জোনবিল মেলাৰ এটি ছবি*

ফুজা মিছাৰা ঃ প্ৰতি বছৰৰ আঘোণ মাহৰ মঙল-বুধবাৰে এই উৎসৱ পালন কৰা হয়। মঙলবাৰৰ দিনা গাঁৱৰ প্ৰতিঘৰ মানুহে তেওঁলোকৰ মঙ্গলাৰ্থে বৰজেলাইৰ বৰঘৰত মুৰ্গী বলি দিয়াৰ লগতে মদ, ন-ভাত, চিৰা, বৰ ভাত আদি আগবঢ়ায়।



নিশা চাংদলৈ, চাংমাজি, সুৰুমা, খুৱামুল আৰু অন্যান্য ডেকাসকলে ডেকাচাঙত গোট খাই বিষয়ববীয়াসকলৰ পৰা আশীৰ্বাদ লৈ ঢোল, বাঁহী, থোৱাঙৰ তালে তালে নৃত্য-গীত কৰে।

ডেকাচাঙত নৃত্য শেষ কৰি ডেকাসকলে দেউৰী, হাতাৰী, বাৰিকা প্ৰমুখ্যে গাঁৱৰ প্ৰতিঘৰ মানুহৰ চোতালতে নৃত্য-গীত কৰে আৰু গৃহস্থই যতনাই থোৱা আসনত বহি মদ-ভাত, খাজি আদি গ্ৰহণ কৰি গৃহস্থৰ মংগলৰ হকে আশীৰ্বাদ দি আন এঘৰলৈ আগবাঢ়ে।

**ৱানছোৱা মিছাৰা ঃ** এই উৎসৱ তিৱাসকলে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে অনুষ্ঠিত কৰা দেখা যায়। পিঠাগুড়ি খুন্দা উৎসৱ নামেৰে জনাজাত এই উৎসৱক বহুতে মালদেউ পূজা বুলিও কয়। এই উৎসৱ উদযাপন কৰাৰ সময় আহাৰ আৰু শাওণ মাহ। মঙলবাৰৰ পৰা বৃহস্পতিবাৰলৈ তিনিদিনীয়াকৈ এই উৎসৱৰ আয়োজন কৰা হয় যদিও এই উৎসৱৰ মূল অনুষ্ঠান বুধবাৰেহে হয়।

যিখন গাঁৱত এই উৎসৱ আয়োজন কৰা হয় উক্ত গাঁৱৰ ডেকাসকলে অন্যান্য তিৱা গাঁওসমূহৰ ডেকাসকলক আমন্ত্ৰণ জনায় আৰু উক্ত ডেকাসকলে মঙলবাৰে সন্ধ্যা থোৱাঙৰ ছেৱে ছেৱে নাম গাই উপস্থিত হয়হি।

বুধবাৰৰ দিনা চাংদলৈ চোতালত পুতি থোৱা উৰলবোৰত ডেকাসকলে হাতত উৰল মাৰি লৈ নিয়ম-সংযমেৰে উৰলত থৈ দিয়া ভিজা চাউলবোৰ খুন্দি পিঠাগুড়ি কৰে। পিছত সেই পিঠাগুড়িবোৰ গাঁৱৰ মানুহবোৰৰ ঘৰত ভাপত সিজাই উক্তদিনাই নিশাভাগত চাংদলৈৰ চোতালত সকলো সমৱেত হৈ চতঙা ৰজা, লাম্ফা ৰজা, মালদেউ আৰু উপৰিপুৰুষৰ নামত আগবঢ়াই হৰিধ্বনি দি সকলো খায় আৰু নৃত্য-গীতেৰে গোটেই নিশাটো পাৰ কৰে। এই নাচত যঁতৰ, চেৰেকী, ফলমূল আদি ব্যৱহাৰ কৰা চকুত পৰে। ❖

# পৰিৱৰ্তিত সমাজ ৰীতিত তিৱা সমাজ

অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ বাসস্থান। এইসকলৰ ভিতৰত তিৱা জনগোষ্ঠী হৈছে অতিকৈ পুৰণি জনগোষ্ঠী আৰু তেওঁলোকৰ আছে এক স্বকীয় ভাষা-সংস্কৃতি। বৰ্তমান অসমৰ পাহাৰ-ভৈয়ামত বাস কৰা এই জনগোষ্ঠীয় লোকসকলৰ সৰ্বদিশতে উত্তৰণৰ প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও দুখ লগাগৈ পিছ পৰি থকাৰ লগতে সলনি হোৱা নাই জীৱনৰ গতিময় পৰিধি।

তিৱা জনগোষ্ঠীৰ আছে নিজস্ব ধৰ্ম আৰু ধৰ্মগ্ৰন্থ। মংগোলয়ড সম্প্ৰদায়ৰ পৰাই তিৱা গোষ্ঠীটোৰ উৎপত্তি বুলি লোকবিশ্বাস হোৱাত বহু দেৱ-দেৱীৰ উপাসক তিৱাসকল (লালুং) শৈৱ-শাক্ত মতবাদেৰে প্ৰভাৱিত হৈ আহিছে বাবে ইয়াক 'বদল মাজি' ধৰ্ম বুলিয়ে জনা যায় আৰু ইয়াৰ ধৰ্ম-পূজাত বলি-বিধান দিয়া প্ৰথা প্ৰচলিত আছিল।



*তিৱা লোক-নৃত্যৰ এটি দৃশ্য*

তিৱা জনগোষ্ঠীৰ একোটা নিজস্ব ভাষা আছে যদিও ভৈয়ামত যুগ যুগ ধৰি বাস কৰি অহা তিৱাসকলে (লালুং) তেওঁলোকৰ জনসংযোগী ভাষা অসমীয়াকে মাতৃভাষা ৰূপে গ্ৰহণ কৰি অহাত তিৱা ভাষাটোৰ অস্তিত্ব হেৰাই গ'ল।

তিৱা জাতীয় সংস্কৃতিৰ বৰপথাৰখনত খোজ দিলে দেখা যায় যে প্ৰাচীন



জনগোষ্ঠীটোৰ কলা-সংস্কৃতিৰ মজিয়াখন যথেষ্ট চহকী। সংস্কৃতিৰ চোতালখনত চকু ফুৰালে দেখা যায় যে এই জনগোষ্ঠীটোৰ প্ৰায়সংখ্যক উৎসৱ-পাৰ্বণেই মূলতঃ কৃষিভিত্তিক।

তিৱা লোক-সংস্কৃতিৰ উৎসসমূহে জীৱন উচ্ছল আৰু বিটোত কৰি তোলাৰ বহু উদাহৰণ পোৱা যায়। এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি কাতি মাহৰ খেৰকটা (খাপ্লাংৰাৱা) উৎসৱ পালনেৰে খেৰকটা আৰম্ভ কৰা, ছংমং পূজা উৎসৱ, ছিঙাল পূজা, লাংখুন পূজা, ছগ্ৰা মিছাৱা, ৰান-ঝুৰা, জংদং পূজাত নাচ-গীত-মাত আদি।

তিৱা জনগোষ্ঠীয় লোকসকলৰ মাজত বিবাহ প্ৰথা হিন্দু সমাজৰ সৈতে প্ৰায় একে যদিও দৰা-কইনাক বৰঘৰত সেৱা কৰোৱাৰ লগতে কইনাৰ ঘৰত ৰভাৰ তলত বুঢ়া-মেথাই বহি সংসাৰ সুখী হ'বলৈ আশীৰ্বাদ জনায়।

তিৱাসকলে মৃতদেহ শ্মশানত নি সৎকাৰ কৰে আৰু তাৰ পৰা উভতি আহি খেলৰ মুখীয়ালসকলক মদ দি মৃতকৰ কল্যাণ কামনা কৰাৰ লগতে শৱ দাহ পৰিচালনা কৰাজনক মানুহৰ মাজত বস্ত্ৰ, লোণদান দি সেৱা কৰে আৰু মৃতকৰ কাৰণে এখন আগলি কলপাতত কিছুমান খোৱাবস্তু যতনাই দি এজোপা গছৰ তলত অৰ্পণ কৰে। তাৰ পিছত মৃতকৰ শ সৎকাৰৰ পিছদিনা 'বৰঘৰ'ত দেৱতা স্তুতি কৰি মৃতকৰ চুৰা গুচায় আৰু গৃহস্থৰ কৰ্ম জড়িত হয়। ❖

# তিৱাসকলৰ আচাৰ-অনুষ্ঠান

অসমীয়া সমাজৰ এক অবিচ্ছেদ্য অংগ তিৱাসকল অবিভক্ত নগাঁও জিলাৰ জনসমষ্টিৰ এটা আকৰ্ষণীয় সম্প্ৰদায়। তিৱাসকলৰ গৌৰৱমণ্ডিত স্বকীয় সাংস্কৃতিক, সামাজিক তথা ধৰ্মীয় ৰীতি আছে।

পাহাৰ বা ভৈয়াম উভয়তে থকা তিৱাসকলে বিভিন্ন দেৱ-দেৱতাৰ পূজা কৰা দেখা যায়। পূজা-পাতলসমূহত বলি দিয়াৰ প্ৰথা থকাৰ কাৰণে তিৱাসকলক শাক্তপন্থী বুলি ক'ব পাৰি। এওঁলোকৰ মাজত বংশীবাদন, কলীয়া গোসাঁই, গৰখীয়া থান, বুঢ়া গোসাঁই থান আদি থান আৰু গোসাঁইৰ প্ৰচলিত নামসমূহৰ প্ৰচলন থকাৰ পৰা এওঁলোকৰ বৈষ্ণৱ ধৰ্মৰ প্ৰতিও আস্থা থকা দেখা যায়।

সাম্প্ৰতিক সময়ত সমাজ ব্যৱস্থাৰ সমাজৰীতিৰ লগত খোজ মিলাই তিৱাসকলৰ মাজতো নতুন ধৰ্মপন্থা গ্ৰহণৰ জোৱাৰ উঠিছে। নাম-কীৰ্তনীয়া, কৃষ্ণগুৰু, সত্ৰ সমাজ আদি বিভিন্ন নতুন ধৰ্মপন্থা গ্ৰহণ কৰা তিৱা মানুহৰ সংখ্যাও বহুত বৃদ্ধি পাইছে। যি হওক, কিবা নতুন পন্থা বা আচাৰ-সংস্কৃতি গ্ৰহণ কৰিলেও তিৱাসকলৰ নিজা ঐতিহ্য বিজড়িত আচাৰ-অনুষ্ঠানসমূহক বাদ দি তিৱাসকলৰ কথা ভাবিব পৰা নাযায়।



*তিৱা সমাজ জীৱন*

তিৱাসকল প্ৰধানতঃ কৃষিজীৱী হোৱাৰ কাৰণে তেওঁলোকৰ উৎসৱসমূহ কৃষিৰ লগত জড়িত। বাবা, ছগৰা, খাপ্লাং, খংখং, মিছাৰা লাংখুন, ৱান আদি তিৱাসকলৰ কৃষিৰ লগত জড়িত কেইটামান উৎসৱ।

ব'হাগ বিহু, মাঘ বিহু আৰু কাতি বিহু নিজস্ব বৈশিষ্ট্য ৰক্ষা কৰি তিৱাসকলে পালন কৰে। ব'হাগ বিহুত গৰু-গাইক গা ধুওৱা, হুঁচৰি গোৱা, বিহু নচা; কাতি



বিহুত পথাৰত চাকি দিয়া, তুলসী ভেটি সজা আৰু মাঘ বিহুত মেজি জ্বলোৱা, ম'হ যুঁজ পতা, ভেলাঘৰত ভাত খোৱা আদি সকলো কাম প্ৰায় অন্যান্য অসমীয়া লোকৰ দৰেই কৰে।

তিৱাসকলৰ মাঘ বিহুৰ গীতবোৰত কিছু অশ্লীল শব্দৰ প্ৰয়োগ ঘটা দেখা যায়। 'গোসাঁই উলিওৱা' বা মেলা উৎসৱো তিৱাসকলৰ সমাজ জীৱনৰ লগত গভীৰ সম্পৰ্ক থকা অনুষ্ঠান।

মৰিগাঁও-নগাঁও জিলাৰ বিভিন্ন ঠাইত ব'হাগৰ প্ৰথম সপ্তাহৰ পৰা জেঠৰ শেষ পৰ্যন্ত এই উৎসৱ চলি থাকে।

ভূমিপুত্ৰ তিৱাসকলৰ প্ৰসিদ্ধ 'জোনবিল মেলা' পাহাৰ-ভৈয়ামৰ জাতি-জনজাতিৰ যেন মিলনভূমি। গোভা ৰজাৰ উদ্যোগত স্থানীয় ৰাইজৰ সহযোগত এই মেলা মাঘৰ বিহুৰ পিছত পাঁচদিন, ছয়দিন বা সাতদিনৰ শনিবাৰৰ পৰা তিনিদিন চলে। এই মেলাত বস্তুৰ সলনি বস্তু লোৱাৰ পৰম্পৰা প্ৰচলিত হৈ আছে।

তিৱাসকলে হোম পুৰি বিবাহ সম্পন্ন নকৰে, বৰঞ্চ তেওঁলোকে ৰাইজক সাক্ষী কৰি এই কাৰ্য সম্পন্ন কৰে। পলুৱাই ছোৱালী নিয়াৰ পিছত মিতিৰ হোৱা বা ঘৰজোঁৱাই থকাৰ প্ৰথাও এওঁলোকৰ মাজত প্ৰচলিত।

সন্তানৰ জন্মৰ চুৱা তিৱাসকলে পালন কৰে। কেঁচুৱা বাহিৰৈলে উলিওৱাৰ দিনা গোবৰ-মাটিৰে ঘৰ-দুৱাৰ মচাৰ প্ৰথা আছে। মৃতকৰ চুৱা পালন কৰা হয় যদিও শ্ৰাদ্ধ, সকাম সুবিধা মতেহে পতা হয়।

সামৰণিত এইটো উল্লেখ কৰা ভাল হ'ব যে অসমীয়া লোক-সংস্কৃতিৰ আপুৰুগীয়া অংগ তিৱাসকলৰ স্বকীয় আচাৰ-অনুষ্ঠান আছে যদিও সমাজ বিৱৰ্তনৰ ৰীতিত খাপ খুৱাবৰ কাৰণে তেওঁলোকে আচাৰ-অনুষ্ঠান-সংস্কৃতিত এক নতুনত্বৰ সংমিশ্ৰণ ঘটাই নতুনক আদৰি ল'ব লগাত পৰিছে। ❖

# পাহাৰীয়া তিৱাসকলৰ সাজ-পাৰ

পাহাৰীয়া তিৱাসকল সাজ-পাৰত বেছ চহকী। পুৰুষ আৰু মহিলা উভয়ৰে সাজ-পাৰবোৰ বিশেষ আকৰ্ষণীয়। তিৱা শিপিনীয়ে তাঁতশালতে ৰচি যায় জীৱনৰ গীতি কবিতা।

ভূমিপুত্ৰ তিৱা জনজাতিৰ সাজ-পাৰ আৰু বাদ্যযন্ত্ৰ-- এই বিশেষ বাক্যাংশ মনলৈ আহিলেই মনৰ দুচকুত উদ্ভাসিত হৈ উঠে যেন পোহৰ ফুলনিৰ এক ৰূপহী বৰ্ণচ্ছটা। ৰূপ, বৰ্ণ আৰু বৈচিত্ৰ্যৰ যেন এক সুষম সমাহাৰ।

তিৱাসকল স্বৰূপাৰ্থতেই এঘৰীয়া জনজাতি বা গোষ্ঠী হিচাপে অসমত হাজাৰ বছৰ ধৰি সুদীৰ্ঘ কালৰে পৰা বাস কৰি আহিছে। বুৰঞ্জীত তিৱাসকলৰ বিশদ বা বিস্তৃত তথ্য নাথাকিলেও তিৱা জনজাতি আজিও অসমত স্বকীয়, প্ৰোজ্জ্বল সাংস্কৃতিক অস্তিত্বৰে মহিমামণ্ডিত জাতি হিচাপে স্বয়ংসম্পূৰ্ণ।

আমি এই আলোচনাত পাহাৰৰ তিৱাসকলৰ সাজ-পাৰ বিষয়েহে আলোচনা কৰিবলৈ লৈছোঁ।

**টাগ্‌লা ঃ**

তিৱা পান্থাইসকলৰ (ডেকা) জাতীয় সমাজ টাগ্‌লা। টাগ্‌লা দেখাত মিচিং পুৰুষসকলৰ পৰিধান ‘জিম’ৰ লেখীয়া। অতি ৰাজসিক পৰিধান এই টাগ্‌লা, শিপিনীয়ে বৈ যাওঁতেই ইয়াৰ পিঠি আৰু বুকুৰ দিশৰ ফুল বাছি যায়।

**থানা (লেংটি) ঃ**

মাত্ৰ ছয়-সাত ইঞ্চি বহল আৰু প্ৰায় চৈধ্য ফুটমান দীঘল এই থানা। দুয়োকাষে ইমূৰৰ পৰা সিমূৰলৈকে দুপাৰি তুৰুম (পাৰি) দিয়া আৰু দুই মূৰত ৰিহা বা চাদৰৰ আঁচলসদৃশ পাতলৰ পৰা বহল পাৰি কিছু ঘনকৈ, বগা ৰঙেৰে বৈ দিয়া থাকে।

**থালিচা (সৰু গামোচা) ঃ**

এফুট বহল আৰু দীঘলে প্ৰায় পাঁচ ফুট থালিচা তিৱাসকলৰ গোষ্ঠীয় সন্মানৰ প্ৰতীক। অতি সৰলীকৃত বয়নশৈলীৰে বোৱা থালিচাত তিৱা খৰলাহঁতৰ (গাভৰু) কল্পদৃষ্টিত সপোন প্ৰতিবিম্বিত হয়। ফাকুৰঙা, হালধীয়া আৰু সেউজীয়া ‘তুৰুম’ (পাৰি) দি বোৱা থালিচাৰ ৰঙো গাঢ় হালধীয়া।



তিৱা শিপিনীয়ে আপোন অনুশীলন আৰু প্ৰাকৃতিক পৰিৱেশৰ ফচলপ্ৰসূত কল্পনাৰে ‘ইংখুলাইখুম’ (এৰীপতীয়া ফুল), ‘খুং খুজুৰা’ (থুপুকা ফুল), চ্যুগুৰি (পখিলাৰ দৰে ফুল) আদি থালিচাত ফুল বাছে।

**থেনাচ (পাগুৰি) ঃ**

কপাহী সূতাৰে বোৱা ১৪ ফুট দীঘল থেনাচ, ধক্‌ধকীয়া বগা ৰঙৰ এবিধ পাগুৰি। আজিকালি বজাৰৰ সূতাৰে গাঢ় হালধীয়া আৰু ফাকুৰঙা থেনাচো বৈ-কাটি উৎসৱত পৰিধান কৰি নৃত্যাদিত ভাগ লয়। তিৱা সংস্কৃতি অতীজৰে পৰা থেনাচৰ এই পৰিচ্ছন্ন আৰু ৰোমাঞ্চকৰ মৌলিক ব্যৱহাৰ আছিল যদিও থেনাচৰ দৈৰ্ঘ্য আছিল সংক্ষিপ্ত।

**কাছ্যং (মেখেলা) ঃ**

‘কাছ্যং’ দেখাত সাইলাখ মেখেলাৰ দৰে লাগিলেও কাছ্যং মেখেলাৰ দৰে সীয়নিবদ্ধ নহয়। কাছ্যঙৰ পিন্ধন-কলাত বিচিত্ৰতা আছে। তিৱা মাৰ্গি আৰু খৰলাহঁতে ইয়াক বক্ষ প্ৰদেশৰ পৰা ভৰিৰ সৰু গাঁঠিৰ ওপৰলৈ বা কেতিয়াবা লহঙা কলাফুলৰ ওপৰত পৰাকৈ বিশেষ কায়দাৰে মেৰিয়াই পিন্ধে।



*তিৱা দম্পতি*

**ফাঁচকাই আৰু নাৰা (বক্ষ আৱৰণ আৰু কঁকালবন্ধনী) ঃ**

ফাঁচকাই আৰু নাৰা, তিৱা শিপিনীৰ নিঃসন্দেহ বয়ন-নৈপুণ্যৰ সৰ্বোত্তম চানেকী। টাকুৰীত কষ্টসাধ্য কটনা কাটি কপাহী আৰু এৰী সূতাৰে বোৱা নাৰা আৰু ফাঁচকাইত প্ৰায় পোন্ধৰবিধ কিচিমৰ ফুল বছা হয়। এই ফুলৰ চানেকী সংগ্ৰহৰ প্ৰাকৃতিক প্ৰক্ৰিয়াটোৰ বিষয়ে এগৰাকী বৃদ্ধা তিৱা মাৰ্গীৰ ভাষাত-- ‘জিঙে জীৱন ক্ৰমবাৰী আৰ গদাৰা মছলাৰ ক্ৰমবাৰী।’

**সুন্দৰ-সৌন্দৰ্যৰ আকৰস্বৰূপ 'ছ্যু' (দহি) ঃ**

ভালে কিছুবছৰৰ আগলৈকে 'ফাঁচকাই' আৰু নাৰাবান্ধ বিবিধ ফুল বছা ফুলাম মৌলাকৰ দৰে আছিল যদিও তেতিয়া তাত নাছিল বৰ্ণৰ বিভিন্নতা। নাৰাবোৰ আছিল পাতল ক'লা আৰু বগা ৰঙৰ। কেতিয়াবা লাহা (লা) আৰু বগা, হয়তো নীলা আৰু বগা ৰঙত। কিন্তু আজিকালি বজাৰত সহজলব্ধ বিদেশৰ পৰা বাহিৰত আমদানিকৃত হৰেকৰকমৰ সূতাৰ সহায়ত নাৰাবান্ধ আৰু ফাঁচকাইৰ অনুবয়ন কলাৰ জয়জয়কাৰ ৰূপ লক্ষ্মীয় হৈ পৰিছে।

বৰ্ণ চমৎকাৰী সংযোজন ঘটাৰ লগতে এই দুয়ো খণ্ড কাপোৰৰ দৃষ্টিগ্ৰাহী পিন্ধন-বৈশিষ্ট্যই তিৱা খৰলাহঁতৰ অংগ-প্ৰত্যংগৰ আটিল, সুকোমল ছন্দোময় গঠন আৰু দেহমূলৰ অনায়াস প্ৰাকৃতিক স্বাচ্ছন্দ্য প্ৰকট কৰি তোলে। স্ব-তৈয়াৰী সাজ-পাৰ পিন্ধি কেইগৰাকীমান তিৱা খৰলা (গাভৰু) একেলগে মগ্ন হৈ থাকিলে এনেহে লাগে যেন সেয়া ৰাজস্থানী অথবা ৰাজপুত অনুচিত্ৰৰ দৰে এখন চলন্ত ফুলনিহে।

**নীলি আজৰ (নীলা ৰং) ঃ**

নীলি ফাং অৰ্থাৎ নীল গছৰ পাত পচাই তাৰ সৈতে পনীয়া কলাখাৰ মিহলাই তৈয়াৰ কৰা হৈছিল এই নীলা ৰং।

**লাহা আৰু থিনুদলি আজৰ (লা আৰু তেঁতেলীৰ ৰং) ঃ**

লা আৰু তেঁতেলী পাতৰ সৈতে লেটেকু গছৰ পাত মিহলাই গৰম পানীত সিজাই লা বৰণীয়া আৰু গভীৰ বেঙুনীয়া ৰং তৈয়াৰ কৰি লৈছিল।

**হাজো ফাং (হাজো গছ) ঃ**

হাজো গছৰ বাকলি সিজাই কিছু ধূসৰ মুগা ৰং পোৱা হয়। এনেদৰে প্ৰাকৃতিকভাৱে তৈয়াৰী ৰঙত এৰী আৰু কপাহী সূতা ডুবাই থৈ সিজাই বৰ্ণসিক্ত কৰা হৈছিল।

সময়ৰ পৰিৱৰ্তনে আজি তিৱা সমাজ ব্যৱস্থাত এক গভীৰ প্ৰভাৱ পেলাব পাৰিছে। সেইবোৰ প্ৰকৃতিৰ বুকুৰ পৰা আহৰণ কৰা বয়ন-কলাৰ ৰং পদ্ধতি সকলো থাকিও যেন নথকাৰ দৰেই। ❖

# তিৱাসকলৰ বাদ্যযন্ত্ৰ

ভূমিপুত্ৰ তিৱাসকলৰ সাংস্কৃতিক-সামাজিক জীৱনত বাদ্যযন্ত্ৰসমূহে এক বিশেষ ভূমিকা লাভ কৰিব পাৰিছে। তিৱাসকল উৎসৱ-পাৰ্বণ আৰু পূজা-পাতল আদিত বিশেষ চহকী। এই উৎসৱত ব্যৱহৃত হয় স্বকীয় সুৰ সমন্বয়ৰ নানাবিধ বাদ্যযন্ত্ৰ। এই বাদ্যযন্ত্ৰবোৰ তিৱাসকলে নিজেই তৈয়াৰ কৰি লয়। এই স্বকীয়তাপূৰ্ণ বাদ্যযন্ত্ৰৰ কেইবিধমান এনেধৰণৰ—

**খ্ৰামবাৰ বা ধুমাং খ্ৰাম ঃ**

তিৱাসকলৰ প্ৰধান জাতীয় উৎসৱ ছগ্ৰা উৎসৱৰ প্ৰধান আৰু অপৰিহাৰ্য বাদ্য-আহিলা হ'ল 'খ্ৰামবাৰ'। বৰষা কালৰ মেঘৰ গৰ্জনৰ দৰেই ইয়াৰ শব্দ। বিশালাকৃতিৰ খ্ৰামবাৰ বা ধুমাং খ্ৰামৰ অনুনাদ তিৱা সংস্কৃতিৰ অন্যতম 'ছগ্ৰা' আৰু 'ৱানছোৱা' উৎসৱৰ যেন প্ৰাণস্পন্দন।

**খ্ৰাম পাস্থাই ঃ**

তিৱা সমাজৰ ই অতি ক্ষুদ্ৰদেহী ঢোল। দাণ্ডি লৈ ফুৰিবলৈ সহজ। এই ঢোলৰ অবয়ৱ বা আকৃতি, দৈৰ্ঘ্য মাথোঁ এহাত আৰু ঘেৰ সন্মুখৰ দিশে বত্ৰিছ ইঞ্চি আৰু পিছৰ দিশে পঁচিছ ইঞ্চিমানহে। খ্ৰাম পাস্থাইৰ শৰীৰৰ ক্ষুদ্ৰতাৰ তুলনাত তাৰ শব্দধ্বনি অতি স্পষ্ট আৰু তীক্ষ্ণতৰ। ইয়াক কেৱল সমাজৰ ডেকাসকলেহে বজায়।

**মুহুৰি বা ফেম্বা ঃ**

পোন গছৰ ডাল চাঁচি, কাটি বেলেগ বেলেগ দুটা অংশ সংযুক্ত কৰি মুহুৰি তৈয়াৰ কৰা হয়। সন্মুখৰ পোন অংশটোৰ মাজেদি বাঁহৰ পাবৰ দৰে পোনে পোনে ফুটা কৰি ইমূৰ-সিমূৰ পাৰ কৰি দিয়া হয় আৰু বাঁহীৰ দৰে ওপৰ অংশত ছটা ফুটা কৰা হয়।

**টুমডিং ঃ**

মাটিৰে নিৰ্মিত খোলৰ অনুৰূপ বাদ্য। হাজাৰ বছৰীয়া পুৰণি তিৱা সংস্কৃতিৰ অপৰিহাৰ্য আৰু অপৰিৱৰ্তনীয় নিৰ্মাণসজ্জাৰ টুমডিঙৰ আৰ্হিতে, সংমিশ্ৰিত অসমীয়া সংস্কৃতিক একত্ৰ কৰা গুৰুজন শ্ৰীমন্ত শংকৰদেৱে সৰ্বজনবিদিত খোল নিৰ্মাণ কৰিছিল বুলি নিশ্চিত ধাৰণা কৰিব পাৰি।

**খ্ৰাম লোডাং ঃ**

পাহাৰৰ তিৱাসকলৰ ডেকাচাঙত সৰ্বদা তিনিবিধ বাদ্য মজুত থাকে। ডেকাসকলৰ মনৰ আনন্দোচ্ছুল অৱস্থাত সেই বাদ্যবোৰেৰে নিজৰ অনুভূতি প্ৰকাশ কৰে। সেই বাদ্যকেইবিধৰ ভিতৰৰে এবিধ খ্ৰাম লোডাং। দীঘলে তিনিহাত এই বাদ্যটি অসমীয়া পাতিঢোলৰ দৰে— এটা দিশ সৰু আৰু আনটো দিশ ডাঙৰ।

**পাংচি ঃ**

পাংচি লিংগভিত্তিক দুই প্ৰকাৰৰ। এবিধ মাৰ্গীয় বা মাইকী পাংচি। সাতোটা ফুটা থকা আৰু আয়তনত কিছু খৰ্বকায়।

**জেনথৰ ঃ**

নৃত্যৰত অৱস্থাত প্ৰতীকী ভাব-ভংগী বিশেষৰূপে প্ৰকট কৰিব পৰা সুৰ সংযোজনাৰ্থে যঁতৰাকৃতি বাদ্য জেনথৰ ব্যৱহাৰ কৰে তিৱা যুৱকসকলে।

**চাৰাংকাট ঃ**

অসমৰ জনগোষ্ঠীসমূহৰ প্ৰতিটো জনগোষ্ঠীৰে বাদ্যসম্ভাৰৰ মাজত ভিন্ন নামেৰে চাৰাংকাট অন্তৰ্ভুক্ত হৈ আছে। তিৱাসকলৰ মাজত ই চাৰাংকাট নামেৰেই পৰিচিত। চাৰাংকাট এনে এবিধ বাদ্য, যাক তিৱাসকলৰ সকলো বয়সৰ লিবুঙে (মানুহে) যিকোনো ঠাই বা পৰিৱেশতে এবাৰ চুই চাবলৈ, এবাৰ বজাই চাবলৈ তীব্ৰ ইচ্ছা প্ৰকাশ কৰে।

সামৰণিত এইটো উল্লেখ কৰিব লাগিব যে বাদ্যযন্ত্ৰ অবিহনে সংস্কৃতি অসম্ভৱ। গতিকে সংস্কৃতি অবিহনে এটা জাতি অস্তিত্বহীন নিষ্প্ৰাণ জাতিৰ ৰূপত পৰিগণিত হয়। অসমৰ জনজাতিসকলৰ জীৱন বৈচিত্ৰ্যময়, সুৰ-সংগীত, নৃত্য-গীতেৰে পূৰ্ণ। একে আষাৰতে ক'বলৈ হ'লে— এক সংস্কৃত মন-প্ৰাণেৰে সংস্কৃতিৰ অপূৰ্ব বৈভৱেৰে সমুজ্জ্বল প্ৰতিটো জনজাতিৰ সমাজ-জীৱন— তাৰ মাজতে এই তিৱাসকলো অন্তৰ্ভুক্ত। ❖

# তিৱাসকলৰ বিবাহ ব্যৱস্থা

বৈদিক পন্থা অনুযায়ী বিবাহ আঠ প্ৰকাৰৰ। এইবোৰ হ'ল— ব্ৰহ্ম, দৈৱ, পাৰ্শ, প্ৰজাপত্য, অসুৰ, গন্ধৰ্ব, ৰাক্ষস আৰু পৈশাচ। বেদৰ বিধিয়ে চুকি নোপোৱা জনজাতি তিৱাসকলৰ মাজত বেদ বিধি মতে কোনো বিবাহ নহয় যদিও ইয়াৰ শেষৰকেইবিধ প্ৰচলন আছে।

তিৱাসকলৰ মাজত পলুৱাই নিয়া, ঘৰজোঁৱাই চপা, বলপূৰ্বক ধৰি ৰখা, জোৰণ দিয়া, গন্ধৰ্ব আৰু বৰবিয়া— এই ছবিধ বিয়াৰ প্ৰচলন থকা দেখা যায়।

তিৱা সমাজত ল'ৰা-ছোৱালীৰ মাজত ভালপোৱা সম্পৰ্ক গঢ়ি উঠিলে মৰমৰ চিনস্বৰূপে ছোৱালীয়ে গামোচা দিয়াৰ প্ৰথা। এনেকৈ অন্তৰৰ দিয়া-নিয়া হ'লে ডেকাই ছোৱালীৰ মাক-দেউতাকে গম নোপোৱাকৈ ছোৱালী পলুৱাই নিয়ে। পলুৱাই অনাৰ পিছদিনা বা দুই-এদিনৰ পিছতে কুল আৰু খেলৰ জেলা আৰু গাঁৱৰ বয়োবৃদ্ধসকলক মাতি সামাজিক স্বীকৃতি দিয়া হয়।

কেতিয়াবা একে কুলৰ ভিতৰত বিবাহ হ'ব লগা হ'লে মাক-দেউতাকক সুকীয়া কুলৰ বিচাৰ কৰি মাক-দেউতাকৰ কুলত তুলি লৈহে বিবাহ সম্পন্ন কৰা হয়। এনেক্ষেত্ৰত তিৱা সমাজত কুল ছিঙাৰ নিয়ম আছে। বিয়াত আপত্তি থাকিলে সমাজে ধৰমঘৰ দি সামাজিক স্বীকৃতি দিয়ে। পিছদিনা দৰাঘৰে কথাটো সকলোকে জনায়। কইনাঘৰে কথাটো গম পোৱাৰ পিছত সমাজ পাতি মেল বহায়। এনে মেলত দৰাক দণ্ড বিহাৰ নিয়ম আছে। এই দণ্ড এনেধৰণৰ— মদৰ কলহ এটা, তামোল-পাণ এক শৰাই আৰু পাঁচ টকা, সাত টকা বা ন টকা নগদ ধন। ইয়াতে উভয় পক্ষই কুল বা ভাৰ ছিঙাৰ বিষয়ে মতামত বিনিময় কৰে। কুল ছিঙিবলৈ হ'লে এটা অনুষ্ঠান পাতিব লাগে।

কেতিয়াবা কোনো ডেকাই কোনো গাভৰুক পছন্দ কৰিলে কটকীৰ জৰিয়তে ছোৱালীৰ মতামত লোৱা হয়। ছোৱালীৰ মত থাকিলে বিবাহ সম্পন্ন হয়। ছোৱালী অমত হ'লে ল'ৰাই ছেগ চাই থাকে। ছোৱালী লগৰ লগৰীয়াৰ লগত ক'ৰবাত নৃত্য-গীত বা মেলা আদি চাবলৈ গ'লে ল'ৰাই ছোৱালীজনীক বলপূৰ্বক ধৰি ৰাখে। ইয়াৰ পিছত বিষয়টো কিবাপ্ৰকাৰে ছোৱালীৰ ঘৰত জনোৱা হয়।

ছোৱালীৰ ঘৰে সমাজ মাতি বিচাৰ দিয়ে।

আন এক বিয়া হ'ল জোৰোণ বিয়া। কোনো লোকৰ ঘৰত বিবাহযোগ্য গাভৰু থাকিলে ল'ৰাৰ ঘৰৰ পৰা কটকীৰ যোগে কইনাৰ অভিভাৱকৰ মতামত বিচৰা হয়। কইনাঘৰৰ সন্মতি থাকিলে দৰাঘৰৰ মানুহে চাৰি-পাঁচজন বিশিষ্ট ব্যক্তি আৰু তিনিজন ভাৰী লৈ কইনাৰ ঘৰলৈ যায় আনুষ্ঠানিক প্ৰস্তাৱ দিবলৈ।

প্ৰথা অনুযায়ী এখন বৰভাৰ আৰু দুখন গৰখীয়া ভাৰ থাকে। ভাৰ তিনিখন চেলেং কাপোৰেৰে ঢাকি অনাৰ নিয়ম। ভাৰত থাকে সান্দহ, পিঠা বা চাউল মদৰ লাউ, গুড়, গাখীৰ, তামোল-পাণ আদি। কইনাৰ ঘৰত খেলৰ গিয়াতি বা বংশ-পৰিয়ালে গোট খাই বিয়াৰ কথা-বতৰাৰ পিছত দৰাঘৰে অনা গহনা-পাতি, কাপোৰ-কানি কইনাক পিন্ধোৱা হয়। ৰাইজক জা-জলপানেৰে আপ্যায়ন কৰাৰ পিছত কইনাঘৰে কইনা সম্প্ৰদান কৰে। বৰজেলাই দৰা-কইনাক আশীৰ্বাদ দি দুই-এষাৰ পৰামৰ্শৰ বাণী শুনায়।

কইনাঘৰীয়া জেলাই কইনাক আঁঠু লোৱায় আৰু ফামহাদেউৰ ওচৰত দুটা ৰঙা কুকুৰা চৰাই বলি দিয়ে। সমৱেত লোকখিনিয়ে হাঁহি-তামাচা কৰি মদ পান কৰে। বিবাহ সম্পন্ন হয়। দৰাঘৰীয়াই লগত কইনা লৈ ওভতে।

ভূমিপুত্ৰ তিৱাসকলৰ মাজত বৰবিয়াৰ প্ৰচলন আছে যদিও অন্য হিন্দুৰ বিবাহ পদ্ধতিৰ লগত এই বিয়াৰ বিশেষ মিল নাই। তিৱাসকলে বৰবিয়াত চাকি-বন্তি নজ্বলায় বা হোম নোপোৰে। বিয়াত পাঁচটা কুকুৰা চৰাই সূৰ্য, গণেশ, দুৰ্গা, শিৱ আৰু বিষ্ণুৰ উদ্দেশ্যে বলি দিয়ে।

গাঁৱৰ মুখিয়াল বৰজেলাই বিবাহকাৰ্যত মধ্যস্থতা কৰে। দৰা-কইনাক উদ্দেশ্য কৰি বৰজেলাই উপদেশবাণী শুনায়। ৰাইজে মদ-ভাত খাই দৰা-কইনাক আশীৰ্বাদ দিয়ে। পিছত দৰাপক্ষই কইনা লৈ নিজ গৃহলৈ ওভতে।

প্ৰাচীন কালত অৱশ্যে তিৱা সমাজত ঘৰজোঁৱাই (ঘৰজীয়া বা গভীয়া) খটাৰ ব্যৱস্থা আছিল। কোনো ছোৱালীক ডেকাই পছন্দ কৰিলে কইনাৰ মাক-দেউতাকৰ সন্মতিসাপেক্ষে ডেকাই কইনাৰ লগত কইনাৰ ঘৰত থাকি যায়। এনে ঘৰজোঁৱাই পিতৃৰ সম্পত্তিৰ পৰা বঞ্চিত হয়। শহুৰেকৰ ঘৰত পুত্ৰৰ মৰ্যাদা পায় যদিও শহুৰেকৰ সম্পত্তিৰ ভাগ নাপায়। মাত্ৰ বনুৱাৰ দৰে শহুৰ-শাহুৰ ঘৰত গা খাটিব লাগে। শহুৰ-শাহুৱে এনে জোঁৱাইক বিভিন্ন ধৰণৰ নিৰ্যাতন দিয়াৰো উদাহৰণ নথকা নহয়।



বিবাহ হৈছে সমাজ সংস্কাৰৰ এক গুৰুত্বপূৰ্ণ অনুষ্ঠান আৰু সেয়ে বিবাহৰ পিছৰ পৰাই সমাজৰ বিভিন্ন কাৰ্যত বিভিন্ন উদ্দেশ্যত সামাজিকভাৱে ব্ৰতী হ'ব লগা হয়। ভূমিপুত্ৰ তিৱাসকলেও বিবাহক এক সংস্কাৰ অনুষ্ঠানৰূপে পালন কৰি আহিছে। অন্যান্য জাতিসকলৰ দৰেই তিৱা সম্প্ৰদায়ো অসমৰ এটি অতি পুৰণি জনগোষ্ঠী।

এক স্বকীয় ৰীতি-নীতিৰে সমাজ জীৱন গঢ়ি তুলি এই তিৱাসকলে অতীতৰে পৰা পুৰণি নীতি-নিয়মৰ মাজেৰেই বিবাহকাৰ্য সম্পাদনা কৰি আহিছে।

তিৱা সমাজৰ লোকসকলে বিশেষকৈ পাঁচ প্ৰকাৰে বিবাহকাৰ্য সম্পাদনা কৰে। ইয়াৰ বাহিৰেও দুই-চাৰিয়ে অন্যপ্ৰকাৰে বিবাহকাৰ্য সম্পাদনা নকৰাও নহয়।

সেই প্ৰথাসমূহ হ'ল— (ক) চিৰাচৰিত প্ৰথা (বৰবিয়া) (খ) জোৰোণ প্ৰথা (গ) পলুৱাই আনি বিয়া কৰোৱা প্ৰথা (ঘ) ছোৱালীক ধৰি আনি বিয়া কৰোৱা প্ৰথা (ঙ) ঘৰজোঁৱাই ৰখা প্ৰথা।

সময়ৰ গতিত আৰু শিক্ষাৰ সু-প্ৰসাৰে তিৱা সম্প্ৰদায়ৰ মাজলৈ কিছু সলনি আনি দিছে আৰু পৰিৱৰ্তনশীল সমাজৰ জীৱনধাৰাত বহুতো পুৰণি ৰীতি-নীতিৰ সংস্কাৰ সাধন হৈছে।

তিৱাসকলৰ বিভিন্ন বংশ আছে। ইয়াক মাহাৰী বা কুল বুলিও কয়। প্ৰতিটো কুল বা প্ৰতিটো বংশৰে একোটাকৈ খেল থাকে। এই খেলৰ মানুহে বিয়া-সবাহ, মৃতকৰ সৎকাৰ বা অন্যান্য পূজা-পাৰ্বণত আগভাগ লয়। আনে নোৱাৰে।

তিৱাসকলৰ বিভিন্ন গোষ্ঠীৰ লোকৰ মাজত এটা মাত্ৰ গোষ্ঠীয়েহে সিহঁতৰ নিজৰ বংশৰ মাজত বিয়া-বাৰুত সমন্বয় স্থাপন কৰিব পাৰে। সেই কুলটো হৈছে 'মছৰং' কুল।

তিৱাসকলে দৰাচলতে আদিতে গন্ধৰ্ব বিবাহত প্ৰাধান্য দিছিল। ছোৱালী পলুৱাই খুজি আনি ঘৰত নতুনকৈ 'বুঢ়াবিয়া' পাতি লৈছিল। আজিৰ সমাজত সচৰাচৰ যি বিয়াৰ (বৰবিয়া) প্ৰচলন হৈছে, সেই বিয়াৰ প্ৰচলন আদিতে নাছিল।

তিৱাসকলে দৰা-কইনাক একেখন সমাজৰ চোতালত ৰাইজে সমূহীয়াকৈ আশীৰ্বাদ দি দুয়োৰে উজ্জ্বল ভৱিষ্যৎ কামনা কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায়। এনেবোৰ দিশলৈ চাই এই প্ৰথাৰ জনজাতীয় বিয়াকহে উৎকৃষ্ট পৰ্যায়ৰ বিয়া বুলি ক'ব পৰা যায়।

তিৱা সমাজত বিবাহ (বৰবিয়া) কাৰ্য সমাধা কৰিবলৈ 'বৰজেলা' নামৰ এগৰাকী বিশিষ্ট লোকক বিশেষ দায়িত্ব দিয়া হয়। এই বৰজেলাই গোটেই বিয়াখনৰ নিয়ম-কানুন গাই-বাই ছোৱালী খোজাৰ পৰা আৰম্ভ কৰি বিয়াৰ শেষ পৰ্যায়লৈকে থাকিব লাগে। এই 'বৰজেলা' বিয়াৰ দিনা এক বৈশিষ্ট্যপূৰ্ণ ৰূপত (মূৰত বগা চেলেঙৰ পাগুৰি, কান্ধত ফুলাম গামোচা) থাকে। এই বৰজেলাৰ পিছতে বৰবিয়াত 'গাঁঠিজেলা'ৰো দায়িত্ব যথেষ্ট গুৰুত্বপূৰ্ণ।

পলুৱাই অনা বা ছোৱালী ধৰি অনা আৰু ঘৰজোঁৱাই ৰাখি বিয়া পতাৰ নিয়মবোৰ একেই। সেইদৰে বৰবিয়া আৰু জোৰোণ দিয়া বিয়াৰ নিয়মবোৰো একে। জোৰোণ বিয়াত দৰা আৰু কইনাক এদিন মাত্ৰ গা ধুৱায় আৰু বৰ আড়ম্বৰপূৰ্ণ নকৰি ৰাতিয়েই ছোৱালী উলিয়াই দিয়ে।

তিৱা সমাজৰ বিবাহ পদ্ধতি অনুযায়ী ল'ৰাই বা ছোৱালীৰ নিজৰ পছন্দ অনুযায়ীও বিয়াত বহিব পাৰে। কেতিয়াবা গৃহস্থই ঘৰৰ বিবাহযোগ্য ল'ৰালৈ এগৰাকী ছোৱালীৰ প্ৰয়োজনবোধ কৰি ছোৱালী চাবলৈও যায়।

এই বৰবিয়াৰ এসপ্তাহৰ আগতে আৰু এখন ভাৰ নিব লাগে। এইখন ভাৰক 'গৰখীয়া ভাৰ' বোলে। এইখন ভাৰ গৈ আচলতে কইনাৰ ঘৰ নাপায়গৈ। এইখন ভাৰত সান্দহ বা চিৰা এটেকেলি, গাখীৰ এটেকেলি, কেৰু টেকেলিত এটেকেলি মিঠৈ, তামোল এথোক, পাণ পাঁচ গুছিৰে গাঁৱৰ সমূহ গৰখীয়াক পথাৰৰ মাজতে এইখন ভাৰ খাবলৈ দিয়া হয়।

জোৰোণৰ দিনা দৰাঘৰৰ পৰা দৰাৰ বাপেক, দদায়েক, লগত খেলৰ মানুহ এজন আৰু তিৰোতা মানুহ গৈ দুনৰি, ঘট-টেকেলি আদি কইনাঘৰৰ লগত সলাই-মেলি ঘৰ আহি পোৱাৰ পিছৰ পৰাহে নোৱনিৰ কাম আৰম্ভ কৰিব পাৰে।

আজিকালি এই জোৰোণৰ দিনা ঘট-টেকেলি সলোৱাৰ উপৰি সেইদিনাই কইনাৰ কাপোৰ-কানি, আ-অলংকাৰ দি থৈ আহে আৰু সেইদিনা কইনাঘৰীয়া আয়তীসকলৰ সন্মুখতে থাকি কইনাক দৰাৰ সম্বন্ধীয় এগৰাকী তিৰোতাই কপালত সেন্দুৰৰ ফোঁট দিয়ে।

বিয়াত পানী তোলাৰো প্ৰথাও আছে। কইনা বা দৰাঘৰৰ পৰা আয়তীসকল পানী তুলিবলৈ সাধাৰণতে ঢুলীয়াৰ লগত পুবফালে মুখ কৰি যায় আৰু পানী তোলাৰ সময়ত মাছেৰেং কুলৰ হ'লে ৯খন তামোল, ৯খিলা পাণ দি সেৱা কৰে।



এইদৰে দ্বিতীয়দিনা দিনত আৰু সন্ধিয়া দৰাক নোওৱা হয়। বেইৰ কলপুলিৰ মাজত এখন চামৰ পীৰা বা চালপীৰা দিয়া হয়। চালপীৰা দিলে তাৰ ওপৰত আৰু এখন চাৰিটা খুৰা থকা বৰপীৰা দিব লগা হয়। কিন্তু তৃতীয়দিনা সেই কলপুলিটো আৰু ইকৰাডাল তাৰ পৰা আঁতৰাই তাৰ ঠাইত চাৰিচুকত চাৰিডাল কলপুলি পুতি দিয়া হয়।

তৃতীয়দিনা বিয়াত দুপৰীয়াৰ পৰা ৰাইজ আৰু নিমন্ত্ৰিত অতিথিৰ সোধা-পোছা চলে। আবেলি পানী তুলিবলৈ যায় আৰু সেইদিনা দৰাক নোৱাওঁতেই ভালেখিনি পলম হয়। সেইদিনা নোৱাওঁতে গোৱা নামতীসকলৰ যোৱানাম বিশেষ মন কৰিবলগীয়া হয়।

দৰাঘৰত বিয়াৰ পিছদিনা বাহী ভোজ দিয়া প্ৰথা। এই ভোজত এটা গাহৰি, লগত মাছ বা কাছও দিয়ে।

বিয়াৰ তিনি দিনৰ পিছত গাঁঠিজেলাক লগত লৈ দৰা-কইনাক আঠমঙলা খাবলৈ যাব লাগে। সেইদিনা ল'ৰা-ছোৱালীক ৰাতি ৰখোৱা নিষেধ। আঠমঙলা খাই উভতি অহাৰ পিছতহে ৰভা আৰু বেই ভঙা নিয়ম। ❖

# ঐতিহাসিক জোনবিল মেলা

জোনবিল মেলাৰ ঐতিহাসিক গুৰুত্ব আছে। একে আষাৰতে ক'বলৈ হ'লে জোনবিল মেলা হৈছে উৎপন্ন দ্ৰব্যাদিৰ বিনিময়ৰ বজাৰ। অতীতৰ পৰা বৰ্তমানলৈ এই মেলাই সমন্বয়ৰ সংহতিত এটা মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে।

মাঘ বিহুৰ প্ৰভাৱ অপৰিসীম। পুহ মাহৰ সংক্ৰান্তিৰ পৰাই সূৰ্যৰ উত্তৰায়ণ হয়। বিষুৱৰ উত্তৰাৰ্ধৰ দেশসমূহে মাঘ মাহক পুণ্য মাহ হিচাপে গণ্য কৰে। ফ্ৰান্স, জাৰ্মানী, ছুইজাৰলেণ্ড, স্পেইন, আফ্ৰিকা আদি দেশত আমাৰ মাঘ বিহুৰ দৰে অগ্নিপূজা পতাৰ নিয়ম আছে।

অসমত মকৰ সংক্ৰান্তিত মাঘ বিহু উৎসৱ পালন কৰা হয়। অৱশ্যে, অসমৰ সকলো জনগোষ্ঠীয়ে একেধৰণেৰে মাঘোৎসৱ পালন নকৰে। উদাহৰণস্বৰূপে, আদি জনগোষ্ঠীয়ে 'আৰান চলোং', গাৰোসকলে 'মাংগোনা' নামেৰে আৰু তেওঁলোকৰ পৰম্পৰাগত নীতি-নিয়মেৰে মাঘ বিহু পালন কৰে। তিৱাসকলে (বিশেষকৈ গোভা ৰাজ্যৰ) পুহ মাহৰ সংক্ৰান্তিৰ পিছৰটো বৃহস্পতিবাৰৰ পৰা তেওঁলোকৰ মাঘ বিহু উপলক্ষে জোনবিল মেলা আৰম্ভ কৰি শনিবাৰলৈকে মেলাৰ আনন্দ-উৎসৱ কৰি দেওবাৰে বিহু পাতে।

দৰাচলতে জোনবিল মেলা হৈছে উৎপন্ন দ্ৰব্যাদিৰ বিনিময়ৰ বজাৰ। এই মেলাই প্ৰাচীন বিনিময় প্ৰথাৰ পৰম্পৰা অদ্যাপি অক্ষুণ্ণ ৰাখিছে। জোনবিল মেলাৰ সৈতে প্ৰাচীন গোভা ৰাজ্যৰ গৌৰৱোজ্জ্বল ইতিহাস আৰু কৃষ্টি-সংস্কৃতি জড়িত হৈ আছে।

জনশ্ৰুতি মতে তিৱাসকলৰ তিনি ভাই-ককায়ে জয়তা (জয়ন্তীয়া), খৈৰাম আৰু মাৰ্জঙত বহুকাল বাস কৰিছিল। এবাৰ জয়তা আৰু খৈৰামত বাস কৰা দুই ভ্ৰাতৃয়ে মাৰ্জঙত ৰাজত্ব কৰা সৰু ভায়েকক ফা মহাদেউৰ পূজাৰ বাবে এখন মনোৰম ঠাই বিচাৰি পঠিয়ালে। মাৰ্জংৰালী ৰজাই আহি কিলিং-কপিলী নদীৰ পশ্চিম দিশত এখন গহ্বৰ সদৃশ মনোৰম ঠাই দেখিলেহি। গহ্বৰ সদৃশ হোৱা বাবে তেওঁ এই ঠাইৰ নাম ৰাখিলে কুবা আৰু ইয়াতেই ৰাজ্য স্থাপনৰ মন মেলিলে। পিছলৈ বৰ্ণ বিপৰ্যয় ঘটি কুবা নামৰ এই ঠাইখনে নাম সলালে গোভালৈ।



মাৰ্জঙৰ পৰা আহি ৰাজ্য স্থাপন কৰাৰ পিছত গোভা ৰজাই এনিশা কোনো ঠাইৰ পৰা জোনবিলৰ পাৰেৰে উভতি আহোঁতে জোনৰ পোহৰত বিলৰ পানীৰ জিলমিল ৰূপালী ৰূপ দেখি অভিভূত হৈ পৰে। তেৰেঁই এই বিলখনৰ নাম জোনবিল নামেৰে নামকৰণ কৰে।

ইফালে এই নতুন ৰাজ্যৰ বিষয়ে জয়তা-খৈৰামৰ ককায়েকহঁতক জনাবলৈ মনস্থ কৰে গোভা ৰজাই। ভাই-ককাই সহিতে ৰজা-প্ৰজা সকলো সমৱেত হ'ব পৰাকৈ স্থান বাছনিৰ বাবে ৰাজদৰবাৰ বহিল। ৰাজদৰবাৰৰ বাছনিত উঠিল জোনবিল পথাৰ। মাইপাথাল (মৰণামাৰা) উৎসৱৰ পিছতেই এই জোনবিল পথাৰত সকলোটি লগ হোৱাৰ কথা।



*জোনবিল মেলাৰ এটি দৃশ্য*

উল্লেখ আছে যে জোনবিল মেলাত দাঁতিকাষৰীয়া পাহাৰত বাস কৰা তিৱা আৰু অন্যান্য সম্প্ৰদায়ৰ লোকসকল আৰু মেঘালয়ৰ পৰা অহা তিৱা আৰু অন্যান্য সম্প্ৰদায়ৰ লোকসকলে ভৈয়ামৰ মানুহৰ লগত বিভিন্ন বস্তু সলনি কৰে। পাহাৰৰ লোকসকলে ভৈয়ামৰ লোকসকলক 'মামা-মামী' বুলি সম্বোধন কৰি প্ৰয়োজনীয় বস্তুৰ বিনিময় কৰি লয়।

তিৱা সমাজত প্ৰচলিত অন্য এক জনশ্ৰুতি মতে, জোনবিল নামৰ উৎপত্তি আন এজন গোভা ৰজা জোনসিংহৰ পৰা হৈছিল। সি যি কি নহওক, মাঘ বিহুৰ উৰুকাৰ পিছৰ বৃহস্পতিবাৰৰ পৰা ৰজাঘৰৰ আদেশক্ৰমে 'জোনবিল'ৰ পাৰত আৰম্ভ হয় অভিষেক। অভিষেকৰ শেষৰ দিনা ৰজাঘৰীয়া সংৰক্ষিত বিল

'জোনবিল'ত সামূহিকভাৱে মাছ ধৰে গোভা ৰাজ্যৰ প্ৰজাই। ইয়াত প্ৰতিজন মাছুৰৈৰ পৰা কিছু মাছ ৰজাঘৰত মাননি হিচাপে দি যোৱা প্ৰথাৰ প্ৰচলন আছে।

উল্লেখ্য যে গোভা ৰজাৰ এই মেলালৈ ডিমৰুৱা, খলা, কুটুম, বঘৰা, কলবাৰী, চহৰী আদি সকলো তিৱা ৰজাই প্ৰজাসকলৰ সৈতে আহিছিল। তিৱাসকলৰ উপৰি এই মেলাৰ প্ৰধান অতিথি আছিল জয়ন্তীয়া ৰজা। এই মেলাতেই গোভা ৰজাকে ধৰি অন্যান্য তিৱা ৰজা আৰু জয়ন্তীয়া ৰজাৰ মাজত উপহাৰ বিনিময় হৈছিল।



*ঐতিহাসিক জোনবিল মেলাৰ এটি ছবি*

গোভা ৰাজ্যৰ ৰজা তথা প্ৰজাসকলে যদিও জয়ন্তী দেৱীত বিশ্বাসী আৰু জয়ন্তীয়া ৰাজ্যৰ অনুগত, তথাপি অন্য ৰাজ্যৰ প্ৰজাসকলে গোভা ৰাজ্যৰ মাজত হাট-বজাৰ কৰাৰ কাৰণে বছৰি গোভা ৰজাক কৰ পৰিশোধ কৰিব লাগে।

বৰ্তমান সময়তো জোনবিল মেলাৰ দুদিন আগত খাচীয়া, জয়ন্তীয়া পাহাৰৰ মায়ং অঞ্চলৰ ৰাইজে গোভা ৰজাৰ ৰাজদৰবাৰত তেওঁলোকৰ উৎপাদিত সামগ্ৰী আৰু কিছু নগদ ধন দি কৰ পৰিশোধ কৰিহে জোনবিল মেলালৈ আহে। ❖

# তিৱাসকলৰ শ্ৰম বিনিময় ৰীতি

তিৱাসকলৰ মাজত অতীতৰে পৰা শ্ৰম বিনিময় প্ৰথা চলি আহিছে। ই হৈছে এক সমন্বয়ৰ প্ৰতীক।

পাহাৰৰ তিৱাসকলৰ মাজত অতীজৰে পৰা সংঘবদ্ধ হৈ প্ৰত্যেকে প্ৰত্যেকক শ্ৰম বিনিময় প্ৰথাৰে সহায় কৰাৰ নিয়মটো আছিল আৰু আজিও তিৱাসকলৰ মাজত কম-বেছি পৰিমাণে এই নিয়মটো প্ৰচলিত হৈ আছে। পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহি বাস কৰা তিৱাসকলেও পাহাৰত সংঘবদ্ধ হৈ প্ৰত্যেকে প্ৰত্যেকক শ্ৰম বিনিময় কৰাৰ এই নিয়মটো নেৰিলে।



*মাছ মাৰি থকা অৱস্থাত এজন তিৱা মাছুৰৈ*

যুগৰ লগত খোজ মিলাবলৈ যাওঁতে যদিও এই নিয়মৰ সামান্য লৰচৰ হৈছে তথাপি আজিও সংঘবদ্ধ হৈ শ্ৰম বিনিময় কৰাৰ নিয়মটো ভৈয়ামৰ তিৱাসকলৰ মাজত আছে; বিশেষকৈ পাঁচো ৰজাৰ অঞ্চলৰ তিৱাসকলৰ মাজত।

পাঁচোৰজীয়া অঞ্চল বুলিলে আহোমৰ দিনৰ ৰহাৰ ৰহীয়াল বৰুৱাৰ অধীনৰ বাৰপুজীয়া টোপাকুছি, মিকিৰ, সৰা, খাইগঁৰৰ পোৱালি ৰজাৰ অধীনৰ ঠাইখণ্ডকে বুজোৱা হৈছিল। এই পাঁচোৰজীয়া অঞ্চলৰ তিৱাৰ পুৰুষ-মহিলাসকলে যিকোনো

কাম কৰিবলৈ হ'লে হেদাৰি খেলি অকলে কৰিবলৈ আমনি লগা, যিকোনো কাম কথাই-মাতে সংঘবদ্ধ হৈ সমাধা কৰিছিল। হেদাৰি খেলিবলৈ দৰাচলতে পাঁচজনকৈ এটি গোট বন্ধা হৈছিল। এই গোটটোৱে হেদাৰি খেলা গোটটোৰ প্ৰতিজনৰ ঘৰতে এদিন এদিনকৈ কাম কৰি গৈছিল।

আজিকালি পুৰুষসকলৰ হেদাৰি খেলাৰ নিয়মটো কিছু বছৰৰ আগৰ পৰা নাইকিয়া হৈছে। মহিলাসকলৰো আদহীয়া আৰু স্কুল-কলেজলৈ নোযোৱা ছোৱালীবিলাকেহে বৰ্তমান হেদাৰি খেলি আছে।

সামাজিক ৰীতিত মহিলাই কৰিব নোৱাৰা কাম কৰাত বা দূৰৰ বস্তু কান্ধেৰে কঢ়িওৱাৰ প্ৰয়োজনতহে পুৰুষসকলৰ মাজত হেদাৰি খেলাৰ প্ৰয়োজন আছিল, কিন্তু বৰ্তমান ৰাস্তা-পদূলিৰ সুবিধাৰ কাৰণে, গাড়ীৰে বস্তুবোৰ কঢ়িওৱাৰ ব্যৱস্থা হোৱাৰ লগতে ল'ৰাবিলাকে স্কুল-কলেজৰ শিক্ষা লোৱাত ব্যস্ত থাকি ঘৰুৱা কামত একেবাৰে মনোনিৱেশ কৰিব নোৱাৰাত ল'ৰাবিলাকৰ মাজৰ পৰা হেদাৰি খেলাৰ নিয়মটো উঠি গ'ল।

সামাজিক দৃষ্টিকোণত তিৱাৰ মহিলাসকলে আগতে কপাহৰ পৰা সূতা কাটিছিল। এটা সময়ত নদীবোৰত মথাউৰি নাছিল। নদীৰ পাৰ বাগৰি পানীয়ে গাঁও-ভূই বুৰাই পুনৰ নদীলৈ উভতি যোৱাৰ পিছত বিল, খালবোৰত পানীৰ লগত অহা মাছ এৰি থৈ গৈছিল। সেই মাছবোৰ চেপা-খোকা আদিৰে ধৰি তিৱা লোকসকলে খাব পৰাখিনি খাইছিল আৰু নোৱাৰাখিনি শুকুৱাই মাছবোৰ সংৰক্ষণ কৰিছিল। সেই সংৰক্ষণ কৰা শুকান মাছবোৰ পাহাৰৰ বজাৰলৈ লৈ গৈ পাহাৰৰ জলকীয়া, কপাহ, এৰীৰ লগত সলাইছিলগৈ। শুকান মাছৰ লগত সলাই অনা কপাহৰ বাহিৰেও তেওঁলোকে নগদ ধন দিও পাহাৰৰ বজাৰৰ পৰা কপাহ কিনি আনিছিল। ❖

# তিৱা সাহিত্য সভা

অসমীয়া জাতিসত্তাক এক বৰ্ণাঢ্য সাংস্কৃতিক-সামাজিক উপাদানেৰে চহকী কৰাত তিৱাসকলৰ এক বিশেষ বৰঙণি আছে। প্ৰধানতঃ মধ্য অসমৰ পাহাৰ আৰু ভৈয়ামত অতীজৰে পৰা বাস কৰি অহা এই জনগোষ্ঠীটোৰ লোকসকল তেনেই সহজ-সৰল আৰু স্বাধীনচিতীয়া স্বভাৱৰ।

সামাজিক অগ্ৰগতিৰ ক্ষেত্ৰত চাবলৈ গ'লে তিৱাসকল যথেষ্ট পিছপৰা। কুৰি শতিকাৰ শেষ ভাগলৈ তিৱা লোকসকলৰ শিক্ষা-দীক্ষা, আৰ্থ-সামাজিক অৱস্থা আদিৰ দিশত বিশেষ উন্নতি পৰিলক্ষিত নহৈছিল। বৰ্তমান ক্ৰমান্বয়ে বিকশিত হ'বলৈ ধৰিছে যদিও সেই বিকাশৰ গতি মন্থৰ হৈয়ে আছে বুলিব পাৰি।

তিৱা লোকসকলৰ সহজ-সৰল জীৱন যাপনৰ প্ৰৱণতা, ৰাজনীতিৰ কু-প্ৰভাৱ, জাতীয় সংগ্ৰামৰ দোদুল্যমান অৱস্থা, প্ৰবল শৈল্পিক-সাংস্কৃতিক জাগৰণৰ অভাৱ আদি কাৰকবোৰ এইক্ষেত্ৰত মন কৰিবলগীয়া আসোঁৱাহ।

উল্লেখনীয় যে বৰ্তমানলৈ তিৱাসকলৰ যি সামান্য বিকাশ সম্ভৱ হৈছে, সেয়া ঘাইকৈ সচেতন, শিক্ষিত তিৱা লোকসকলৰ নেতৃত্বত সংঘটিত আন্দোলন তথা সংগ্ৰামৰেই ধনাত্মক ফল। পূৰ্বৰ তিৱা জাতীয় সন্মিলন, লালুং দৰবাৰ আদি নেতৃস্থানীয় সংগঠনে জন্ম দিয়া আত্মমুক্তিৰ প্ৰচেষ্টাৰ বাবেই পৰৱৰ্তী সময়ত নতুন উদ্দীপনাৰে তিৱা সাহিত্য সভাৰ দৰে মহান অনুষ্ঠানৰ জন্ম সম্ভৱ হৈ উঠে। এই অনুষ্ঠানটিৰ পূৰ্বৰ নাম আছিল 'সদৌ তিৱা সাহিত্য সভা'।

সময় আৰু বাস্তৱ পৰিস্থিতিৰ সংকটৰ সন্মুখীন হোৱা তিৱা ভাষা, সাহিত্য-সংস্কৃতিৰ সংৰক্ষণ আৰু ইয়াৰ বিকাশ সাধন কৰাই আছিল অনুষ্ঠানটিৰ প্ৰধান উদ্দেশ্য। বহুতেই মত দিয়ে যে অসম সাহিত্য সভাৰ দৰে মহান জাতীয় অনুষ্ঠানৰ অৱহেলা-অমনোযোগিতাৰ বাবেই অসমত জনজাতীয় সাহিত্য সভাবোৰৰ সৃষ্টি হ'ল।

অৱশ্যে আত্মমুক্তি তথা আত্মপ্ৰতিষ্ঠাৰ এক সুস্থ ভাবনাৰ ভেটিতেই যে তিৱা সাহিত্য সভাৰ জন্ম হৈছিল সেইটো ক'ব পাৰি। এই তিৱা সাহিত্য সভাই আজি তিৱা লোক-সংস্কৃতি আৰু ভাষা-সংস্কৃতিৰ সংহতিত এক প্ৰগতি হিচাপে কাম

কৰি আহিছে।

তিৰা সাহিত্য সভা এক মহান উদ্দেশ্যত সৃষ্ট তিৰা জাতীয় অনুষ্ঠান। এই অনুষ্ঠানটিৰ সৃষ্টিৰ প্ৰচেষ্টাই এক সংহত ৰূপত প্ৰকাশ লাভ কৰিছিল ১৯৮০ চনত। সেই বছৰৰে ১৫ নৱেম্বৰত জাগীৰোডৰ মাৰ্কাংকুছি প্ৰাথমিক বিদ্যালয়ত প্ৰয়াত ইন্দ্ৰছিং দেউৰীৰ পৰামৰ্শক্ৰমে জাগীৰোডৰ স্বাধীন বৰদলৈ আৰু তেতিয়াৰ লালুং দৰবাৰৰ সম্পাদক ফুনাচিং শুকাইৰ আহ্বানত এখন সভা অনুষ্ঠিত হৈছিল। সেই সভাত উপস্থিত আছিল বহু জাতীয় সংগ্ৰামী, শিক্ষিত, সচেতন তিৰা ব্যক্তি। ১৯৮১ চনৰ জুলাই মাহত সদৌ তিৰা সাহিত্য সভাৰ প্ৰথমখন অভিৱৰ্তন শিলচাঙৰ ঐতিহ্যমণ্ডিত ৰাজচ'ৰাত অনুষ্ঠিত হয়। এই অভিৱৰ্তনেই তিৰা সাহিত্য সভাক পূৰ্ণতা আৰু এক নতুন গতি প্ৰদান কৰে।



*তিৰা সাহিত্য সভাৰ এটি লোকনৃত্য*

তিৰা সাহিত্য সভাৰ শিলচাঙৰ প্ৰথম অভিৱৰ্তনৰ পিছতে তিৰা সাহিত্য সভাক তিৰা ভাষাৰে 'তিৰা মাথনলাই তখ্ৰা' (তিৰা সাহিত্য সভা) ৰূপে গ্ৰহণ কৰা হয়। আমি জনাত এই নামটো আমচৈ অঞ্চলৰ সৰু আম্ন গাঁৱৰ এগৰাকী জাতিপ্ৰেমী লোক ৰামছিং পাটৰে দিছিল। সেই নামেৰেই তিৰা সাহিত্য সভাৰ প্ৰথমখন



অধিৱেশন অনুষ্ঠিত হৈছিল ১৯৮৫ চনৰ ৮, ৯ আৰু ১০ ফেব্ৰুৱাৰী মৰিগাঁও জিলাৰ এজাৰবাৰী হাইস্কুলত। উক্ত অধিৱেশনত সভাপতিত্ব কৰিছিল তিৰা সাহিত্যপ্ৰাণ ব্যক্তি উদ্ধৱ চন্দ্ৰ সেনাপতিয়ে।

উক্ত অধিৱেশনৰ প্ৰধান সম্পাদক আছিল তিৰা জাতীয় নেতা, সু-লিখক নাৰায়ণ কুমাৰ ৰাড়ুকাকতি। সেই অধিৱেশনৰ মুকলি সভাত সভাপতিত্ব কৰিছিল তিৰা জাতীয় নেতা প্ৰয়াত কালিৰাম ডেকাৰজাই; মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিছিল তদানীন্তন অসম চৰকাৰৰ মন্ত্ৰী মুকুট শৰ্মাই। এজাৰবাৰীৰ দৰে এটি গ্ৰাম্য অঞ্চলৰ সেই সময়ত অনুষ্ঠিত তিৰা সাহিত্য সভাৰ অধিৱেশনে অঞ্চলটোৰ বাইজলৈ যথেষ্ট আশা আৰু অনুপ্ৰেৰণা কঢ়িয়াই অনাৰ লগতে তিৰা ভাষা-সাহিত্য-সংস্কৃতি চৰ্চাবো নতুন উচ্ছ্বাস আনিছিল।

তিৰা সাহিত্য সভাৰ বুৰঞ্জীত এজাৰবাৰীৰ অধিৱেশনখন এক স্বৰ্ণিল পদক্ষেপ আছিল যদিও পৰৱৰ্তী ভালেকেইটা বছৰ স্থবিৰ হৈয়ে আছিল। আভ্যন্তৰীণ সমস্যা কিছুমানে কৰ্মকৰ্তাসকলক হতাশ কৰি তুলিছিল। ১৯৯০ চনত জাগীৰোডত অনুষ্ঠিত তিৰা সাহিত্য সভাৰ সাধাৰণ সভাই এই স্থবিৰতা দূৰ কৰাৰ ক্ষেত্ৰত এক শুভ পদক্ষেপ গ্ৰহণ কৰে।

ইয়াৰ পিছতে ১৯৯৩ চনৰ ৫ ডিচেম্বৰ তাৰিখে জাগীৰোড মহাবিদ্যালয়ত অনুষ্ঠিত বিশেষ অভিৱৰ্তনত নতুন সভাপতিৰ দায়িত্ব অধ্যাপক, তিৰা জাতীয় সংগ্ৰামৰ সবল নেতা তুলসী বৰদলৈৰ হাতত অৰ্পণ কৰাত তিৰা সাহিত্য সভাই পুনৰ এক নতুন যাত্ৰা আৰম্ভ কৰে। তেনে সময়তে সেই যাত্ৰাৰ সক্ৰিয় সহযোগী ৰূপে আগবাঢ়ি আহিছিল নৱগঠিত তিৰা ছাত্ৰ সন্থা, তিৰা মহিলা সন্থা, তিৰা সাংস্কৃতিক সমাজৰ দৰে তিৰা সংগ্ৰামী সংগঠন।

এজাৰবাৰী অধিৱেশনৰ পিছত মুঠতে এক দশকৰ অন্তত ১৯৯৫ চনত পুনৰ ন-প্ৰাণেৰে, ন-উচ্ছ্বাসেৰে তিৰা সাহিত্য সভাৰ দ্বিতীয়খন অধিৱেশন জাগীৰোডৰ 'ৰাজা ৰাইচিং ক্ষেত্ৰ'ত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সেই অধিৱেশনেই তিৰা সাহিত্য সভাক নতুন ৰূপত প্ৰতিষ্ঠা কৰিলে। তিৰা ভাষাৰ জাতীয় অভিধান 'তিৰা মাতবাদি'ৰ (ভি মেন খলাৰ) প্ৰকাশ এই অধিৱেশনৰ এটা ঐতিহাসিক ঘটনা। তদুপৰি স্মৃতিগ্ৰন্থ 'গবানে থালাৰ', তিৰা সাহিত্য সভাৰ মুখপত্ৰ 'থুৰাং'খনৰ লগতে অন্যান্য মূল্যবান গ্ৰন্থও প্ৰকাশ হৈছিল।

পৰৱৰ্তী সময়ত ১৯৯৭ চনত স্বাধীনতা সংগ্ৰামৰ ইতিহাসেৰে গৰিমামণ্ডিত

বাৰপূজীয়াত তৃতীয়খন অধিৱেশন অনুষ্ঠিত হয়।

বাৰপূজীয়াৰ পিছত পৰৱৰ্তী অধিৱেশনকেইখন অনুষ্ঠিত হৈছিল ক্ৰমে মৰিগাঁৱৰ বৈদ্যবড়ীত ২০০০ চনত, কাৰ্বি আংলঙৰ উলুখুঞ্জিত ২০০২ চনত, নগাঁও জিলাৰ আমচৈত ২০০৪ চনত আৰু ২০০৬ চনত কামৰূপ জিলাৰ ডিমৰীয়াত পৰৱৰ্তী অধিৱেশনখন অনুষ্ঠিত হয়।

চকুত পৰে যে পূৰ্বতকৈ পিছৰ সময়ছোৱাত তিৱা সাহিত্য সভাই এক ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ সক্ষম হৈছে। আনহাতে, ভাষা-সাহিত্য-সংস্কৃতিৰ চৰ্চাতো সভাই বহু উল্লেখনীয় কাম কৰিছে।

উল্লেখযোগ্য যে তিৱা সাহিত্য সভাৰ শেহতীয়া দ্বিবাৰ্ষিক অধিৱেশনখন ২০০৮ চনত অনুষ্ঠিত হৈছে। এই অধিৱেশনো ঐতিহ্যমণ্ডিত এজাৰবাৰীতে অনুষ্ঠিত হয়।

তিৱা সাহিত্য সভাই নিশ্চিতভাৱেই এক নতুন আয়তন, নতুন গতি লাভ কৰিব পাৰিছে বুলি আশা কৰিব পাৰি। ❖

# তিৱা যুৱ-ছাত্ৰ সন্মিলনৰ পৰা তিৱা মাথনলাই তখ্ৰালৈ

এইটো অনস্বীকাৰ্য যে অসমীয়া জাতিসত্তাৰ মূল শিপাডাল জনজাতীয়। অসমৰ বিভিন্ন জনজাতীয় লোকসকলে অসমৰ লোক-সংস্কৃতিক বিশেষ চহকী কৰি আহিছে। অসমৰ বিভিন্ন অঞ্চলত বাস কৰা জনগোষ্ঠীসমূহৰ অন্যতম তিৱা জনগোষ্ঠীটোও অসমৰ আদিম অধিবাসী।

তিৱা ভাষাৰ নিজস্ব ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্ব থকা সত্ত্বেও লিখিত ৰূপত সংবৰ্ধন আৰু আশানুৰূপভাৱে প্ৰসাৰ নঘটাৰ বাবেই ইয়াৰ প্ৰচলন সীমাবদ্ধ হৈ ৰয়।

তিৱা ভাষা-সংস্কৃতিৰ বিকাশ সাধনৰ লক্ষ্যৰেই এচাম গুণী-জ্ঞানী ব্যক্তিৰ চেষ্টাৰ ফলত গঠন হৈছিল তিৱা সাহিত্য সভাৰ। কিছুদিনৰ আগলৈকে কথিত ৰূপতে থকা তিৱা ভাষাক প্ৰতিষ্ঠা কৰাৰ বাবে গঠন হোৱা তিৱা সাহিত্য সভাৰ আছে এক বৰ্ণিল ইতিহাস।

বৰ্তমান সময়ছোৱাত তিৱা জনগোষ্ঠীটোৰ সামগ্ৰিকভাৱে যি সামান্য বিকাশ সম্ভৱ হৈছে, সেয়া জনগোষ্ঠীটোৰ এচাম সচেতন আৰু দূৰদৰ্শী ব্যক্তিৰ নেতৃত্বত সংঘটিত ৰাজনৈতিক আৰু বৌদ্ধিক আন্দোলনৰেই ধনাত্মক পৰিণতি।

প্ৰয়াত বুদ্ধিমান বৰদলৈ, হেমৰাম বৰদলৈ, গিৰিধৰ পাটৰ, গণেশ চন্দ্ৰ সেনাপতি, বলাইৰাম সেনাপতি আদি বৰেণ্য ব্যক্তিৰ উদ্যোগত ১৯৭১ চনত 'সদৌ অসম তিৱা (লালুং) যুৱ-ছাত্ৰ সন্মিলন'ৰ জন্ম হৈছিল।

সদৌ অসম তিৱা (লালুং) যুৱ-ছাত্ৰ সন্মিলনে ১৯৭৮ চনৰ আমচৈ অধিৱেশনত 'সদৌ অসম তিৱা (লালুং) সন্মিলন'ৰ ৰূপ পৰিগ্ৰহণ কৰে। এই সংগঠনেই পোনপ্ৰথমে তিৱা ভাষা-সংস্কৃতিৰ বিকাশৰ বাবে উদ্যোগ গ্ৰহণ কৰিছিল। ইফালে সদৌ অসম ছাত্ৰ সন্থাৰ হেঁচাত অসম সাহিত্য সভাই ১৯৮০ চনত ৰহাত অনুষ্ঠিত অধিৱেশনত অনা-অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ স্বীকৃতি বাতিলৰ দৰে এটা স্পৰ্শকাতৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

তিৱা সাহিত্য সভাৰ শিলচাঙৰ অভিৱৰ্তনৰ পিছতে এই সাহিত্য সভাৰ নামকৰণ

হয় 'তিৱা মাথনলাই তত্মা' হিচাপে। তিৱা মাথনলাই তত্মাৰ প্ৰথমখন অধিৱেশন হৈছিল ১৯৮৫ চনত মৰিগাঁও জিলাৰ এজাৰবাৰীত। এই অধিৱেশন উপলক্ষে এখন তদৰ্থ সমিতি গঠন কৰি সভাপতি হিচাপে উদ্ধৱ চন্দ্ৰ সেনাপতিক আৰু সম্পাদক হিচাপে স্বাধীন বৰদলৈক দায়িত্ব অৰ্পণ কৰা হৈছিল। এই অধিৱেশন উপলক্ষে দেৱজিৎ বৰদলৈৰ সম্পাদনাত 'বৰতা চাংদ' নামৰ এখন স্মৃতিগ্ৰন্থও প্ৰকাশ পাইছিল।

তিৱা মাথনলাই তত্মাৰ পৰৱৰ্তী অধিৱেশনকেইখন অনুষ্ঠিত হৈছিল যথাক্ৰমে ২০০২ চনত বৈদ্যবড়ীত (মৰিগাঁও জিলা), ২০০২ চনত উলুখুঞ্জি (কাৰ্বি আংলং জিলা), ২০০৪ চনত আমচৈত (নগাঁও জিলা), ২০০৬ চনত ডিমৰীয়াত (কামৰূপ জিলা) আৰু ২০০৮ চনত মৰিগাঁও জিলাৰ এজাৰবাৰীত।

তিৱা মাথনলাই তত্মাৰ অষ্টম দ্বিবাৰ্ষিক অধিৱেশনখন অসমৰ অন্যতম অনগ্ৰসৰ অঞ্চল এজাৰবাৰীৰ বাইজে দুৰ্যোগৰ মাজতো সফল কৰি তোলাৰ বাবে অহোপুৰুষাৰ্থ কৰা দেখা গৈছিল। ❖

# ভৈয়ামৰ তিৱাসকলৰ উপাধিৰ পৰম্পৰা

প্ৰাচীন কালৰে পৰা তিৱাসকলে পৰ্বত-ভৈয়াম উভয় স্থানতে বাস কৰি আহিছে। অসমৰ কেইখনমান জিলা যেনে— নগাঁও, মৰিগাঁও, কামৰূপ, কাৰ্বি আংলং, ধেমাজি আৰু মেঘালয়ৰ জয়ন্তীয়া পাহাৰ অঞ্চলত তিৱাসকলৰ (লালুং) বসতিস্থান।

স্বকীয়তাৰ দিশত ভাষা-সংস্কৃতি, কৃষ্টিৰ অধিকাৰী এইসকল লোক সমৃদ্ধ পৰম্পৰাৰো ধাৰক আৰু বাহক। নামকৰণ আৰু উপাধি ব্যৱহাৰৰ এটা সুকীয়া পৰম্পৰা আছে। একোটা জাতি বা জনগোষ্ঠীৰ লোকসকলৰ মাজত প্ৰচলিত নামকৰণ আৰু উপাধিৰ ইতিহাসে সমাজ ব্যৱস্থাৰ পৰিচয় দাঙি ধৰে। সমাজ অধ্যয়নৰ দিশৰ পৰাই ই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হ'ব পাৰে।

ভৈয়ামত বাস কৰা তিৱাসকল কাহানিবাই অসমীয়া মূলসুঁতিৰ সংস্পৰ্শলৈ আহিছিল— সম্ভৱতঃ প্ৰাক্‌স্বাধীনতা কালৰ পৰাই। সেয়ে তেওঁলোকৰ সমাজ আৰু সংস্কৃতিত বিশুদ্ধ তিৱা উপাদানতকৈ সাধাৰণ অসমীয়া সংস্কৃতিৰ প্ৰভাৱ অধিক। নামকৰণ আৰু উপাধি ব্যৱহাৰতো সেই নিদৰ্শন অপৰ্যাপ্ত।

পূৰ্বে মাটি-বাৰীৰ পট্টনৰ সময়ত নাম লিখিবলগীয়া হ'লে সচৰাচৰ অনাখৰী আৰু হোজা লোকসকলৰ উপাধি লালুং বুলিয়েই লিখি দিয়া হৈছিল। যেনে— 'ভাৰত লালুং'। পিছলৈ সভ্যতাৰ পথত খোজ দিয়াৰ লগে লগে শিক্ষিতসকলে সচেতনভাৱে উপাধি ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে। এই উপাধিসমূহ হ'ল দেউৰজা, ৰজা, ডেকাৰজা, কোঁৱৰ, দলৈ, বৰদলৈ, মান্তা, সেনাপতি, দেউৰী, পাটৰ, হেটোৰী, লৰ, কাকতী, কোঁচ কাকতী, গাঁওখোৱা, খাটনিয়াৰ, ডেকাদলৈ, বাৰিকা, মেধি, চাংদলৈ, চাংমাজি ইত্যাদি।

**দেউৰজা ঃ** প্ৰাচীন তিৱা ৰাজ্যসমূহৰ ৰজাসকলক দেউৰজা বুলি কোৱা হৈছিল। আজিকালি পৰম্পৰাগত ৰজাসকলে উপাধি হিচাপে এই উপাধি বংশানুক্ৰমে ব্যৱহাৰ কৰিছে। যেনে— গেজেং দেউৰজা।

**ডেকাৰজা ঃ** দেউৰজাৰ প্ৰতিনিধি হিচাপে ৰাজ্যৰ এলেকাধীন কোনো অঞ্চলৰ শাসন কাৰ্যত নিয়োগ কৰা এক শ্ৰেণী বিষয়া বিশেষ। যেনে— স্বৰ্গীয় লালুৰা ডেকাৰজা।

**ৰজা ঃ** ডেকাৰজা উপাধিৰ পৰিৱৰ্তে কোনো কোনো উক্ত কুলৰ বংশধৰসকলে ৰজা উপাধি লেখা দেখা যায়। যেনে— স্বৰ্গীয় অম্বু ৰজা।

**কোঁৱৰ ঃ** দেউৰজা পৰিয়ালৰ সতি-সন্ততিসকলে বংশানুক্ৰমে কোঁৱৰ উপাধি লিখি আহিছে। তদুপৰি হাৰী কুঁৱৰীৰ (দেউৰজাৰ যা-যোগাৰ কৰোঁতা মূল নাৰী) বংশধৰসকলেও কোঁৱৰ উপাধি লিখে। যেনে— স্বৰ্গীয় পিলিঙা কোঁৱৰ।

**দলৈ ঃ** দেউৰজাৰ অধীনত থকা থান-থলীসমূহৰ পূজাৰীক এই উপাধি প্ৰদান কৰা হয়। যেনে— স্বৰ্গীয় সোণাবৰ দলৈ।

**বৰদলৈ ঃ** দলৈসকলৰ মাজৰ জ্যেষ্ঠজনক বৰদলৈ উপাধি প্ৰদান কৰা হয় আৰু তেওঁৰ বংশধৰসকলে এই উপাধি লিখে। যেনে— স্বৰ্গীয় হেমৰাম বৰদলৈ।

**পাটৰ বা পাতৰ ঃ** এই উপাধিধাৰী ব্যক্তিজন দেউৰজাৰ বিশিষ্ট বিষয়া বিশেষ। সেয়ে এই কুলৰ বংশধৰসকলে পাটৰ-পাতৰ উপাধি লিখে। যেনে— স্বৰ্গীয় ধনবৰ পাটৰ।

**মান্তা ঃ** তিৱা দেউৰজাৰ বিষয়া বিশেষ, যি উৎসৱ-পাৰ্বণ, পূজা-পাতল আদিৰ যা-যোগাৰ কৰোঁতা আৰু পৰামৰ্শদাতা। যেনে— ভাতুৰা মান্তা।

**সেনাপতি ঃ** তিৱা দেউৰজাৰ প্ৰাচীনতম সেনা দলৰ অধিনায়ক। এই কুলৰ বংশধৰসকলে বৰ্তমান সেনাপতি উপাধি লিখা দেখা যায়। যেনে— স্বৰ্গীয় গণেশ সেনাপতি।

**দেউৰী ঃ** তিৱা দেউৰজাৰ অধীনত পূজাৰ যা-যোগাৰ, নৈবেদ্য, ৰন্ধন-প্ৰকৰণ আদিৰ দায়িত্বত নিয়োজিত বিশেষ শ্ৰেণীৰ ৰাজবিষয়া। এই বংশৰ লোকসকলেও বংশানুক্ৰমে দেউৰী উপাধি লিখে। যেনে— স্বৰ্গীয় বিতোপন দেউৰী।

**হাটাৰী/হেটোৰী ঃ** দেউৰীৰ কাৰ্যত সহায়কস্বৰূপে নিয়োজিত বিশেষ ৰাজবিষয়া। এই বংশৰ লোকসকলে পুৰুষানুক্ৰমে হেটোৰী/হাটাৰী উপাধি লিখা দেখা যায়। যেনে— স্বৰ্গীয় বাজবৰ হাটাৰী।

**লৰ' ঃ** দেউৰীৰ সহায়কস্বৰূপে নিয়োজিত আন এক ৰাজবিষয়া। এই উপাধি সচৰাচৰ ব্যৱহাৰ কৰা দেখা নাযায়।

**কাকতী ঃ** ৰাজ কাৰ্যৰ হিচাপ-নিকাচ কৰিবৰ বাবে নিযুক্ত এক ৰাজবিষয়া। কাকতী অৰ্থাৎ তিৱা সমাজৰ শিক্ষিত ব্যক্তি। দেউৰজাৰ চিঠি-পত্ৰ, তথ্য-পাতি আদিৰো এই বিষয়াগৰাকী দায়িত্বপ্ৰাপ্ত। যেনে— পদ্ম কাকতী।

**গাঁওখোৰা ঃ** শাসনৰ সুবিধাৰ কাৰণে প্ৰতিখন গাঁৱতে নিযুক্ত ৰাজবিষয়া।



**খাটনিয়াৰ ঃ** একোখন খাট বা অঞ্চল পৰিচালনাৰ প্ৰাপ্ত ৰাজবিষয়া।

**বাৰিকা ঃ** ৰজাৰ বাতৰি যোগনিয়াৰ বা বাৰ্তাবহনকাৰী ৰাজবিষয়া।

আনুমানিক ১৯৩০ চন অথবা তাৰো কিছু পূৰ্বৰ পৰা একাংশ তিৱা লোক কোঁচ সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত হয় যাক এই সম্প্ৰদায়ৰ লোকসকলে সৰু কোঁচ বোলে। জাত্যান্তৰিত হৈ তেওঁলোকে তিৱা ৰীতি-নীতি পৰিত্যাগ কৰি আন প্ৰথালৈ সংস্কাৰ হোৱা বাবে তিৱাসকলে তেওঁলোকক 'দেহান' বোলে। সময়ৰ গতিত তেওঁলোকৰ অনেকেই 'ডেকা' উপাধি লিখিবলৈ লয়।

সামৰণিত এইটো কোৱা ভাল হ'ব যে ৰজাৰ বিষয়বাবৰ উত্তৰাধিকাৰী হিচাপে ব্যৱহৃত উপাধিৰ উপৰি ভূমিপুত্ৰ তিৱাসকলে অন্যান্য উপাধি যেনে— মাদাৰ, খলাৰ, পোমা, আমচি, সুকায়, খঁৰে, ছাগ্ৰা আদি লিখে, ইয়াৰে কিছুমান নিজ বংশৰ নামৰ উপাধি। ❖

# আমছাই পিনুঙৰ সাঁথৰ

মংগোলীয় গোষ্ঠীৰ অন্তৰ্গত অসমৰ এটি অন্যতম খিলঞ্জীয়া জনজাতি হ'ল ভূমিপুত্ৰ তিৱাসকল। বৰ্তমান অসমৰ নগাঁও, মৰিগাঁও, কাৰ্বি আংলং জিলাতেই গৰিষ্ঠসংখ্যক তিৱাই বসতি স্থাপন কৰি আছে। তদুপৰি অসমৰ উত্তৰ কাছাৰ, ধেমাজি জিলা আৰু মেঘালয় ৰাজ্যতো যথেষ্টসংখ্যক তিৱা লোক আছে।

ভূমিপুত্ৰ তিৱাসকলৰ বাৰেবৰণীয়া সংস্কৃতি আৰু সমন্বয়ে জনগোষ্ঠীয় সমন্বয়ৰ ৰেখাডাল নিকপ্‌কপীয়া কৰি তুলিব পাৰিছে। এনে ইচ্ছাৰ বশৱৰ্তী হৈয়েই গৈছিলো কাৰ্বি আংলঙৰ আমছাই পিনুঙলৈ। এই আমছাইতেই এসময়ত তিৱাসকলৰ প্ৰাচীন আৰু প্ৰধান গোভা ৰাজ্যৰ ৰাজধানী আছিল।

আমি যোৱাৰ দিনা আছিল পাহাৰৰ তিৱাসকলৰ অন্যতম উৎসৱ 'চক্ৰা'ৰ আৰম্ভণি। আমছাই পিনুঙৰ চক্ৰা উৎসৱৰ গীত, বাদ্য, নৃত্য চাই আপ্লুত হৈছিলো। মুগ্ধ হৈছিলো তাত চিনাকি হোৱা প্ৰতিজন ব্যক্তিৰ সান্নিধ্য লাভ কৰি আৰু কথা-বতৰা পাতি। 'চক্ৰা' উৎসৱৰ চাক্ষুষ অভিজ্ঞতা লভাৰ লগতে আমছাই পিনুঙৰ সহজ-সৰল খৰলা পন্থাই, খাই-পাই, আছিহঁতৰ পৰা সেই ঠাইৰ সংস্কৃতিৰ কিছু উমান পোৱাৰ লগতে আৱিষ্কাৰ কৰাৰ থল বিচাৰি পাইছিলো তিৱা লোক-সাহিত্যৰ অজস্ৰ সম্ভাৰ।

এই লেখাটিত সংগৃহীত কেইটামান সাঁথৰকে অসমীয়া ভাষাত তলত উল্লেখ কৰিলোঁ—

ঃ মালিনী বুঢ়ীয়ে পাকঘৰত চকুলো টুকিছে।

উত্তৰ ঃ সাৰ-ছটা।

ঃ ৰজাৰ চুণৰ টেমী, খুলিলে জপাব নোৱাৰে।

উত্তৰ ঃ কণী

ঃ এটা খুঁটা, বহুত গৰু বান্ধি থয়।

উত্তৰ ঃ অমিতা।

ঃ মাক জুটকুলি-মুটকুলি পুতেক চোকা-টেকেলা।

উত্তৰ ঃ জলকীয়া।



ঃ বুলবুলি চৰাই বাহটোৰ কাৰণে অশান্তি।

উত্তৰ ঃ সৰু মোনা।

ঃ আহোঁতে জাপ, যাওঁতে জাপ।

উত্তৰ ঃ দৰ্জা।

ঃ এটা ভৰিত নাচে।

উত্তৰ ঃ বিচনী।

ঃ হাতীৰ পেটৰ ভিতৰত পোক সোমায়।

উত্তৰ ঃ ঘৰ।

ঃ মালিন্দী বুঢ়ীৰ পথাৰৰ দবল লেখিব নোৱাৰি।

উত্তৰ ঃ ঘৰৰ চালৰ ৰুৱা-কামী। ❖

# তিৱা জনগোষ্ঠীৰ কেইগৰাকীমান মহান ব্যক্তি

এটা জাতিক উদ্ধাৰ কৰিবলৈ আৰু ইয়াক চিৰযুগমীয়া কৰিবলৈ কিছুমান ব্যক্তিৰ আদৰ্শ আৰু ব্যক্তিত্বৰ বহু দৰকাৰ হয়। কিছুমান ব্যক্তিৰ আদৰ্শক সাৰোগত কৰি এটা জাতিক চিৰযুগমীয়া কৰি ৰাখিব পাৰি। এই দিশত ভূমিপুত্ৰ তিৱাসকলৰ কেইগৰাকীমান মহান ব্যক্তিৰ জীৱনাদৰ্শ আৰু কৰ্মৰাজি ব্যক্ত কৰা হ'ল।

**হেমৰাম পাটৰ ঃ**

নগাঁও জিলাৰ বাৰপূজীয়া গাঁৱৰ এটি মধ্যবিত্ত পৰিয়ালত ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰাক্মুহূৰ্তৰ কোনোবা এটা শুভক্ষণত হেমৰাম পাটৰৰ জন্ম। তিৱা সম্প্ৰদায়ৰ বসতিপ্ৰধান বাৰপূজীয়া অঞ্চলতো মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা স্বাধীনতা আন্দোলনৰ ঢৌৱে স্পৰ্শ কৰিছিল।

১৯২০ চনৰ অসহযোগ আন্দোলন, ১৯২১ চনৰ গণ আন্দোলন, ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ প্ৰভাৱে অবিভক্ত নগাঁও-মৰিগাঁও জিলাৰ বহুতো অঞ্চলৰ লগতে বাৰপূজীয়া অঞ্চলক বিশেষভাৱে প্ৰভাৱিত কৰে। ১৯২১ চনত গান্ধীজীৰ অসম আগমনৰ বাতৰিয়ে জনসাধাৰণক দেশপ্ৰেমেৰে উদ্বুদ্ধ কৰাৰ লগতে হেমৰাম পাটৰকে আদি কৰি বৃহত্তৰ বাৰপূজীয়া অঞ্চলৰ গুণাভিৰাম বৰদলৈ, তিলক ডেকা, নন্দীৰাম ডেকা, জয়কান্ত মহন্ত, মাটিৰাম ডেকা, ৰূপণ সিং দাস প্ৰমুখ্যে নেতৃস্থানীয় ব্যক্তিসকলক গভীৰ দেশপ্ৰেমে উদ্বুদ্ধ কৰি তোলে।

১৯৪২ চনৰ ৮ আগষ্টত বোম্বাইত কংগ্ৰেছে সাম্ৰাজ্যবাদী ব্ৰিটিছক খেদিবৰ বাবে 'ভাৰত ত্যাগ' আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰাৰ পিছত ১৮ আগষ্টত মহেন্দ্ৰ হাজৰিকাৰ নেতৃত্বত ৰহাত প্ৰতিবাদী সভা অনুষ্ঠিত হৈছিল আৰু ইয়াৰ প্ৰভাৱে স্থানীয় নেতাসকলৰ লগতে হেমৰাম পাটৰকো উৎসাহিত কৰে। ১৯৪২ চনৰ ২৬ আগষ্টত বেবেজীয়াৰ ওচৰত দলঙৰ তলত লুকাই ব্ৰিটিছ মিলিটেৰীয়ে দুজন কংগ্ৰেছ কৰ্মীক গুলীয়াই হত্যা কৰাৰ বাতৰিয়ে ৰহা, বাৰপূজীয়া অঞ্চলৰ ৰাইজক উত্তেজিত আৰু প্ৰৰোচিত কৰে।

**ধীৰ সিংহ দেউৰী ঃ**

অসমৰ ইতিহাসপ্ৰসিদ্ধ ফুলগুৰি অঞ্চলৰ পূব শালমাৰা গাঁৱৰ প্ৰয়াত কানুৰাম



দেউৰীৰ একমাত্ৰ সন্তান ধীৰ সিংহ দেউৰী আছিল অবিভক্ত নগাঁও জিলাৰ লালুং (তিৱা) সম্প্ৰদায়ৰ এজন অপ্ৰতিদ্বন্দ্বী নেতা। ১৯০২ চনত তেওঁৰ জন্ম হৈছিল। জন্মৰ কিছুদিনৰ পিছতেই মাতৃ বিয়োগ হোৱাত মোমায়েকৰ ঘৰত থাকি ডাঙৰ-দীঘল হৈছিল।

অতি তীক্ষ্ণ ছাত্ৰ ধীৰ সিংহ দেউৰীয়ে ১৯১৬ চনত এম ভি স্কুলৰ শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰতে প্ৰথম হৈ চৰকাৰৰ পৰা 'মেডেল' আৰু জলপানি পাইছিল। ১৯২১ চনত নগাঁও চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত অংক আৰু সংস্কৃত বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয় আৰু চৰকাৰৰ পৰা জলপানি লাভ কৰে।

মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা স্বাধীনতা আন্দোলনৰ সময়ত ব্ৰিটিছ চৰকাৰে ভাৰতবাসীক স্বাধীনতাৰ বিনিময়ত একাধিক ক্ষমতা দি ১৯৩৫ চনত 'ইণ্ডিয়া এক্ট' গৃহীত কৰাৰ পিছত অসম বিধানসভাৰ বাবে ১৯৩৭ চনত নিৰ্বাচনৰ প্ৰস্তুতি চলে। সেই সময়ত নগাঁও জিলাৰ পৰা জনজাতি প্ৰতিনিধি হিচাপে ধীৰ সিংহ দেউৰী নিৰ্বাচিত হয়। তেওঁ ১৯৩৭ চনৰ পৰা ১৯৪৫ চনলৈ বিধানসভাত প্ৰতিনিধিত্ব কৰিছিল। স্বৰাজোত্তৰ কালত ১৯৫৭ চনত কংগ্ৰেছ দলৰ হৈ বিধানসভালৈ পুনৰ নিৰ্বাচিত হৈছিল।

১৯৭৭ চনৰ ২৫ নৱেম্বৰৰ ৰাস পূৰ্ণিমাত ৭৫ বছৰ বয়সত এইগৰাকী বৰেণ্য ব্যক্তিয়ে ইহলীলা সম্বৰণ কৰে।

**ইন্দ্ৰ সিং দেউৰী ঃ**

ইন্দ্ৰ সিং দেউৰী তিৱা জনগোষ্ঠীৰ আত্ম-প্ৰতিষ্ঠাৰ আন্দোলনৰ অগ্ৰণী নেতা। কাৰ্বি আংলং জিলাৰ আমচৈ অঞ্চলৰ বৰৰংখই গাঁৱত এইগৰাকী নেতাৰ জন্ম।

১৯৬৫ চনত অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাৰ ওচৰত স্বায়ত্তশাসিত লালুং পাহাৰ জিলা গঠনৰ দাবীৰে স্মাৰক-পত্ৰ দাখিল কৰিছিল। এইগৰাকী বৰেণ্য ব্যক্তিৰ ১৯৯৬ চনত ডিফুত মৃত্যু হয়।

**গিৰিধৰ পাটৰ ঃ**

তিৱা জনগোষ্ঠীৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামৰ অগ্ৰণী নেতাসকলৰ অন্যতম আছিল গিৰিধৰ পাটৰ। নগাঁও জিলাৰ গান্ধীবড়ি গাঁৱত ১৯৩৯ চনত তেওঁৰ জন্ম হয়। পিতৃৰ নাম আছিল ৰহেশ্বৰ পাটৰ। ধৰমতুলৰ বিহুবড়ি গাঁৱৰ ৰংগিলী মান্তাৰ সৈতে বিবাহপাশত আবদ্ধ হৈ পিছলৈ মৰিগাঁও নগৰত স্থায়ীভাৱে বাস কৰিছিল।

তেওঁ জাজৰি হাইস্কুলৰ পৰা মেট্ৰিক, নগাঁৱৰ এ ডি পি কলেজৰ পৰা বি এ আৰু গুৱাহাটী জে বি ল কলেজৰ পৰা এল এল বি পাছ কৰে।

১৯৭২ চনত সদৌ অসম তিৱা (লালুং) যুৱ-ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদক হৈ ১৯৮৪ চনত সভাপতিৰ পদত অধিষ্ঠিত হয়। ১৯৯০ চনৰ পৰা ১৯৯৫ চনলৈকে স্বায়ত্তশাসিত লালুং জিলা দাবী সমিতিৰ আইন উপদেষ্টা হিচাপে দায়িত্ব বহন কৰি তিৱাসকলৰ বাবে স্বায়ত্ত পৰিষদ গঠন হোৱাৰ ক্ষেত্ৰত তেওঁ বিশেষ ভূমিকা পালন কৰে।

এইগৰাকী বৰেণ্য ব্যক্তিৰ হঠাতে মৃত্যু হয় ১৯৯৬ চনত। তেওঁ বিভিন্ন লেখা-মেলাৰ উপৰি 'তিৱা সিৰস্থালাই' নামৰ এখন তিৱা ভাষাৰ গ্ৰন্থ প্ৰকাশ কৰে।

**বলাইৰাম সেনাপতি ঃ**

বলাইৰাম সেনাপতি অকল তিৱা জনগোষ্ঠীৰে নহয়, অসমৰ জাতীয় জীৱনৰ এটি পৰিচিত নাম। তেওঁৰ জন্ম বুৰঞ্জীপ্ৰসিদ্ধ বাৰপূজীয়া গাঁৱত। কাৰ্বি আংলঙৰ বৰথলত মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰিছিল যদিও পৰৱৰ্তী সময়ত চাকৰি ইস্তফা দি ঘৰলৈ ঘূৰি আহে আৰু কৃষিকৰ্মত মনোনিৱেশ কৰে। 'ৰামধেনু' আলোচনীত সেই সময়ত বিভিন্ন লেখা-মেলাৰ জৰিয়তে অসমৰ সাহিত্য জগতত পৰিচিত হৈ পৰে। ১৯৬৫ চনত 'মুকুল' নামৰ এখন গীতৰ পুথি লিখি প্ৰকাশ কৰে।

'ৰামধেনু'ত লিখা 'তিৱাসকলৰ ৰাতিসেৱা' প্ৰবন্ধই সমগ্ৰ অসমৰ বিদ্বৎ সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হয়। তেওঁক তিৱা জনগোষ্ঠীৰ ভাষা-সংস্কৃতি আৰু সাহিত্য সাধনাৰ বাটকটীয়া বুলি ক'ব পাৰি।

**মনেশ্বৰ দেউৰী ঃ**

মনেশ্বৰ দেউৰী এগৰাকী স্বনামধন্য ব্যক্তি, যাৰ পৰিচয় কেৱল তিৱা জনগোষ্ঠীয় লোকৰ মাজতে সীমাবদ্ধ হৈ থকা নাই, অসমৰ সাহিত্য-সংস্কৃতি জগতৰ সচেতন সমাজৰ সকলো শ্ৰেণীৰে পৰিচিত নাম। ১৯৪২ চনত নগাঁও জিলাৰ কাইগুৰি গাঁৱত তেওঁৰ জন্ম। তেওঁৰ পিতৃৰ নাম প্ৰয়াত বিহুছিং দেউৰী আৰু মাতৃ প্ৰয়াত নিশামতী দেউৰী আছিল। দেউৰী ঘৰখনৰ উচ্চ শিক্ষিত ব্যক্তি।

১৯৭৪ চনত নগাঁও জিলাৰ সোণাইঘাট চলচলিৰ বোধেশ্বৰ দেউৰীৰ জ্যেষ্ঠ কন্যা দময়ন্তী দেউৰীক বিয়া কৰায় আৰু ১৯৭৮ চনৰ পৰা মৰিগাঁও নগৰত স্থায়ীভাৱে বাস কৰিবলৈ লয়।



দেউৰীয়ে ১৯৬২ চনত ৰহা হাইস্কুলৰ পৰা মেট্ৰিক, ১৯৬৭ চনত নগাঁও কলেজৰ পৰা বি এ পাছ কৰে। ১৯৭৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে সংস্কৃতত এম এ পাছ কৰে। ১৯৭০ চনৰ পৰা ৫ বছৰ কাল ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি ১৯৭৫ চনৰ পৰা মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত বিষয় শিক্ষক হিচাপে কাম কৰি ২০০২ চনত অৱসৰগ্ৰহণ কৰে।

উল্লেখ কৰা ভাল হ'ব যে ১৯৭৭ চনত অসম অসামৰিক সেৱাত নিৰ্বাচিত হৈ ডিব্ৰুগড়ত কাৰ্যবাহী দণ্ডাধীশ হিচাপে যোগদান কৰে যদিও সেই বছৰতে দণ্ডাধীশৰ চাকৰি ইস্তফা দি পুনৰ শিক্ষকতাৰ কামলৈ ঘূৰি আহে। ১৯৬৫ চনৰ পৰা প্ৰয়াত পিতছিং কোঁৱৰৰ সৈতে সামাজিক-সাংস্কৃতিক কামত জড়িত হৈ ১৯৭২ চনত সদৌ অসম তিৱা (লালুং) যুৱ-ছাত্ৰ সন্মিলনৰ কামত মনোনিৱেশ কৰে। ১৯৭৮ চনৰ পৰা ১৯৮৪ চনলৈ সন্মিলনৰ সহকাৰী সম্পাদক, ১৯৮৪ চনৰ পৰা ১৯৮৬ চনলৈ সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰে।

১৯৮৬ চনৰ পৰা ১৯৯০ চনলৈ মৰিগাঁও শাখা সাহিত্য সভাৰ সভাপতিৰ পদত অধিষ্ঠিত হয়। ১৯৯০ চনত দুবছৰৰ বাবে মৰিগাঁও জিলা ট্ৰাইবেল সংঘৰ সভাপতি হয়। ১৯৯০ চনৰ পৰা ১৯৯৫ চনলৈ স্বায়ত্তশাসিত লালুং জিলা দাবী সমিতিৰ মুখ্য উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯৯৮ চনৰ পৰা ২০০৩ লৈ 'সাপ্তাহিক মৰিগাঁও' কাকতৰ অবৈতনিক মুখ্য সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰে। তেওঁ ২০০৩ চনত অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ হিচাপে স্বীকৃতি লাভ কৰিছে।

উপৰিউক্ত মহান ব্যক্তিসকলে তিৱা জনগোষ্ঠীৰ তথা অসমীয়া জাতিৰ আদৰ্শৰ পৰিচায়ক। তেওঁলোকৰ মহান আদৰ্শ আৰু মহানুভৱতাই উক্ত জাতিটোৰ নতুন প্ৰজন্মক ভৱিষ্যতৰ দিনত সদায় যে অনুপ্ৰাণিত কৰিব পাৰিব, সেয়া নক'লেও হ'ব। ❖

# তিৰাসকলৰ লালি-হিলালী গীত আৰু সমাজ জীৱন

অসমীয়া সমাজ-জীৱনত ভূমিপুত্ৰ তিৱাসকলৰ অৰিহণা আছে। তিৱাসকলৰ লোক-পৰম্পৰাত লালি-হিলালী গীতেও এক বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰিছে। সামাজিক-সাংস্কৃতিক সাম্ৰাজ্যবাদৰ মজিয়াখনত থলুৱা গীত-পদসমূহে এক স্বকীয় ভূমিকা গ্ৰহণ কৰিব পাৰিছে, তিৱাসকলৰ ক্ষেত্ৰতো একে কথাই খাটে।



*তিৱাসকলৰ এটি সমাজজীৱনৰ চিত্ৰ*

অসমীয়া লোক-সাহিত্য, সংস্কৃতিক যিবোৰ জনগোষ্ঠী মূলীয় সাংস্কৃতিক উপাদানে চহকী কৰিছে, তাৰ ভিতৰত তিৱা বা লালুং জনগোষ্ঠীয় উপাদানসমূহ অন্যতম। সাতোৰাজ্য, পাঁচোৰাজ্যৰ লালুংসকলে উনবিংশ শতিকাৰ শেষৰফালে তেওঁলোকৰ ভাষা-সংস্কৃতিৰে অসমীয়া ভাষা-সাহিত্য, গীত-মাতত চামিল হৈ সম্পূৰ্ণ অসমীয়া ভাষাতে গীত-পদ গোৱা-মেলা আৰম্ভ কৰি অসমীয়াৰ মূলসুঁতিত মিলি যাবলৈ চেষ্টা কৰিলে, যাৰ বাবে লালুংসকলৰ মাজৰ পৰা বহুখিনি সাংস্কৃতিক



উপাদান হেৰাই যোৱাৰ উপক্ৰম হৈছে। তাৰ ভিতৰত একালত লালুংসকলৰ আটাইকেইখন ৰাজ্যৰ মানুহৰ মুখে মুখে বহুলভাৱে প্ৰচলিত লালিলাং বা লালি হিলালী গীতবোৰ প্ৰধান।

প্ৰধানতঃ এই লালিলাং গীতসমূহত চহা তিৱা সমাজৰ জাতীয় জীৱনৰ চিত্ৰ চিত্ৰিত হোৱাৰ উপৰি অসমীয়া সামাজিক জীৱনৰ লগত বিজড়িত হৈ থকা সামাজিক ৰীতি-নীতি, পৰম্পৰা, পূজা-পাৰ্বণ, ধৰ্মীয় আচাৰ-অনুষ্ঠান, কৃষি-কৰ্ম, ফকৰা-যোজনা, প্ৰবচন, জীৱ-জন্তু, মানুহৰ আৱেগ-অনুভূতি আদি সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে। এই গীতফাকি মৌখিকভাৱে প্ৰচলিত জাতিটোৰ দোৱান মূলীয় ভাষাৰ 'লালি হিলালী' পংক্তিৰে আৰম্ভ কৰা গীতটো লক্ষণীয় আৰু অৰ্থপূৰ্ণ।

অসমীয়া লোক-সমাজত প্ৰচলিত প্ৰবাদ মতে পূৰ্বৰে পৰা অসমীয়া সমাজত মুহুদিৰ দ্বাৰা প্ৰিয়জনৰ মন গলাবলৈ সক্ষম হোৱা বুলি থকা বদ্ধমূল ধাৰণা লালিলাং গীতত সুন্দৰভাৱে প্ৰতিফলিত হৈছে। ইয়াৰ উপৰি কিছুমান গীতত অসমৰ জনজীৱনৰ লগত সংপৃক্ত ধৰ্মীয় ৰীতি-নীতি, বিশ্বাস, পৰম্পৰা, নৈ-জান-জুৰি, জীৱ-জন্তু, ঘৰুৱা আচবাবৰ চিত্ৰসমূহ প্ৰাঞ্জল ৰূপত অংকিত হৈছে। ❖

# তিৱা লোক-সংস্কৃতিত মদ

জনজাতীয় লোক-সংস্কৃতি আৰু লোক-পৰম্পৰাত মদ এবিধ অপৰিহাৰ্য উৎস। অসমৰ সকলো জনজাতীয় সমাজত মদৰ ভূমিকা বৰ তাৎপৰ্যপূৰ্ণ। মদ বা লাওপানী বা সাজপানীক বাদ দি জনজাতীয় সমাজে কোনো সামাজিক কাম সম্পন্ন নকৰে।

জন্মৰ পৰা মৃত্যু আৰু ধৰ্মীয় আচাৰ-অনুষ্ঠানত মদৰ ব্যৱহাৰ সামাজিক ৰীতি। উল্লেখ্য যে অসমৰ অন্যান্য জনজাতি সমাজৰ লেখীয়াকৈ ভূমিপুত্ৰ তিৱাসকলেও 'মদ'ক সকলো মাংগলিক অনুষ্ঠান, যেনে— কেঁচুৱাৰ নামকৰণৰ পৰা মৃতকৰ সকাম-নিকাম, দায়-জগৰ ভঙা আদি সকলো ক্ষেত্ৰতে মদ সাংস্কৃতিক আধাৰ হিচাপে গণ্য কৰে।

মদ অবিহনে তিৱাসকলে লোক-সংস্কৃতিৰ লোক-উৎসৱ আৰু পাৰ্বণসমূহৰ কথাকেই ভাবিব নোৱাৰে। তিৱা সমাজত এনে এটা সামাজিক উৎসৱ নাই, য'ত মদ ব্যৱহাৰ হোৱা নাই।

কৃষিজীৱী তিৱা সমাজৰ প্ৰতিটো কৃষি কৰ্মৰ শুভাৰম্ভ— আহু, বাওধানৰ মুঠি লোৱা দিনৰ পৰা আৰম্ভ কৰি নৰাছিঙা, মৰণা মৰা, খেৰ কটা, পিঠাগুড়ি খুন্দা, বাউসী পূজা, লাংখন মিছৱা আদিত সামাজিকভাৱে মদ খোৱাটো প্ৰচলিত ৰীতি।

কৃষ্টিৰ উপাসক তিৱাসকলে যে কেৱল সকলো কাৰ্যতে মদক সাংস্কৃতিক আৰু সামাজিকভাৱে গাঁৱৰ ছামাদি, চাংদলৈ, বৰগৰখীয়াৰ ঘৰত লাওপানী খাই নাচে এনে নহয়, তিৱা সমাজত মদ খাওঁতে বিশেষকৈ কৃষিকাৰ্যত 'লালি হিলালী' গীত গোৱাটো তিৱাসকলৰ সামাজিক দস্তুৰ।

ভৈয়ামত বাস কৰা তিৱা জনগোষ্ঠীয়ে ল'ৰা-ছোৱালীৰ বিয়া-বাৰুৰ বেলিকা অসমীয়া সামাজিক নিয়ম মতেই সকলো নিয়ম সমাধা কৰিলেও জোৰোণ বিয়াত দৰা-কইনাক দুয়োঘৰতে ন-জোঁৱাইক মদ-ভাত খুওৱাটো উল্লেখনীয় দিশ।

মৃতকৰ সৎকাৰৰ দিশত তিৱাসকলে স্বকীয় নীতি-নিয়মেৰে মৃতকৰ প্ৰেতকৰ্মবোৰ কৰাৰ লেখীয়াকৈ মৃতকৰ আটাইবোৰ অনুষ্ঠানতে মদ বা লাওপানীৰ



ব্যৱস্থা কৰা দেখা যায়। তিৱা সমাজত যিসকল মৰা সজাত গিয়াতি দিয়াৰ পৰা ৰেহাই পায়, সেইসকলে সমাজত এবাৰ মদ দিয়াৰ নিয়ম প্ৰচলিত।

তিৱাসকলৰ প্ৰতিবছৰে উদ্‌যাপিত চ'গ্ৰা মিছৱা উৎসৱৰ দ্বিতীয় দিনা তথা বৃহস্পতিবাৰে ৰাইজে গাঁৱৰ ফাইকমুল নামৰ ৰজাঘৰীয়া বিষয়াজনৰ ঘৰত বহি সামাজিকভাৱে মদ খাই একেলগে দলনিত দল টানিবলৈ যোৱা পৰম্পৰাটো লালুং সমাজৰ পুৰণি পৰম্পৰা।

মাঘৰ বিহুত তিৱাসকলে অন্যান্য জনগোষ্ঠীৰ দৰে মেজি সাজে যদিও তিৱাসকলে এটি ডাঙৰকৈ মদ খোৱা মেজি সাজে। মাঘ বিহুৰ উৰুকাৰ সন্ধিয়া ডেকাসকলে কেচাগীত গাই নাচি-বাগি ফূৰ্তি কৰি সকলো ৰাইজৰ পৰা চাউল তুলি এঘৰত মদ খায় আৰু তাৰ পিছত আহি কাঠ মেজিত জুই দিয়ে।

উপৰিউক্ত চমু আলোচনাৰ পৰা প্ৰতীয়মান হৈ পৰে যে সামাজিক পাৰ্বণৰ পৰা আদি কৰি মৃতকৰ সকামলৈকে তিৱাসকলে এক পৰম্পৰাগত ৰীতি-নীতিৰে সকলো কাম সমাধা কৰিবলগীয়া হয় আৰু এই আটাইবোৰ অনুষ্ঠানতে মদ বা লাওপানীৰ ব্যৱহাৰ দেখা যায় যি এটা সামাজিক পৰম্পৰাৰ অধীন। ❖

# তিৱাসকলৰ বৰত উৎসৱ

তিৱাসকলৰ লোক-সংস্কৃতিত বৰত উৎসৱৰ গুৰুত্ব আছে। এইটো উল্লেখযোগ্য যে তিৱাসকলৰ দ্বাৰা উদ্‌যাপিত প্ৰায়বোৰ উৎসৱেই কৃষিকেন্দ্ৰিক।

ভৈয়ামৰ তিৱাসকলৰ মাজত প্ৰচলিত উৎসৱসমূহৰ ভিতৰত বৰত উৎসৱ অন্যতম। বৰতৰ সহজ অসমীয়া অৰ্থ ব্ৰত বা উপবাস। উপাস্য দেৱতাক সন্তুষ্ট কৰাৰ কাৰণে উপবাস কৰাৰ প্ৰথা তিৱাসকলৰ মাজত বিদ্যমান। তিৱা গাভৰু বা মহিলাই সমূহীয়াভাৱে কৰা ব্ৰতৰ অন্তত উৎসৱ আদি পালন কৰাৰ নিয়ম।

মহামাৰী বা অন্যান্য বনৰীয়া জীৱ-জন্তুৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ আদিতে এই বৰত উৎসৱ উদ্‌যাপন কৰা হৈছিল। বছৰৰ পুহ বা মাঘ মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱ সচৰাচৰ পালন কৰা হয়।

বৰ্তমান মৰিগাঁও জিলাৰ কেৱল তেঁতেলীয়া অঞ্চলতহে এই বৰত উৎসৱ পালন কৰে বুলি জনা যায়। ইয়াৰ আকৰ্ষণ তিৱাসকলৰ মাজত ইমানেই বেছি যে মদ-ভাঁহ, বোকা-পানী, চোৰাত পাত একোলৈকে জনসাধাৰণে কেৰেপ নকৰে।

কাতি বিহুৰ দিনা সৰস্বতী পূজা পালনেৰে বৰত উৎসৱৰ শুভাৰম্ভ কৰা হয়। মূল পূজা পালন কৰা হয় মূল পূজাঘৰত পুহ বা মাঘ মাহৰ পূৰ্ণিমা তিথিত। উৎসৱ পালনাৰ্থে তেঁতেলীয়া পাহাৰৰ দাঁতিত এখন ডাঙৰ ৰভা পতা হয়। ওচৰতে আছে বংশীবদন থান, থানৰ পশ্চিমত পুবমুৱাকৈ এটা মাটিৰ বেদী সজা হয়। এই বেদীত বৰতৰ কুঁৱৰীয়ে বহিবৰ বাবে ৰীতি আছে। এখন চাম কাঠৰ পীৰা ইয়াত পতা হয়।

বৰত উৎসৱত গোৱা এবিধ বিশেষ গীতো আছে। এই গীতসমূহৰ মুঠতে ১২০ আধ্যা আছে। ইয়াৰে প্ৰথম ২০ আধ্যা পূজাৰ দিনা বৰতানিক গা ধুৱাওঁতে গোৱা হয়। কাতি মাহৰ পৰা পৰ্যায়ক্ৰমে বৰতানিক প্ৰতি সপ্তাহত এবাৰ ধুওৱা



হয়। প্ৰতিবাৰ গা ধুৱাওঁতে কুৰি আধ্যাকৈ গীত গাব লাগে। বৰতৰ গীত প্ৰতি আধ্যা সাতবাৰকৈ ঘূৰাই গোৱাৰ নিয়ম।

বৰতত গোৱা এই গীতবোৰ ক'তো লিখিত ৰূপত পোৱা নাযায়। পূজাৰ দিনা ৰাতি পুৱাবৰ সময়ত মহাদেৱ-পাৰ্বতীৰ মুখাৰ নৃত্য কৰোৱাৰ পিছত বৰতৰ পৰিসমাপ্তি হয়। শেষৰ পৰ্বত বৰতৰ কুঁৱৰীয়ে ব্যৱহাৰ কৰা চাম কাঠৰ পীৰাখন উপবাসে থকা চাৰিগৰাকী যুৱতীক দিয়া হয়। ❖

# তিৱাসকলৰ বাট ভেটা উৎসৱ

তিৱাসকলৰ বাট ভেটা উৎসৱ এটা ঐতিহ্যমণ্ডিত উৎসৱ। এই উৎসৱৰ লগত বিভিন্ন নিয়ম-কানুন জড়িত হৈ আছে। এই উৎসৱৰ লগত তিৱা ৰাইজে অঞ্চলৰ বিভিন্ন ঠাইৰ নাম লৈ প্ৰতিটো অঞ্চলৰ সৰ্বাতোপ্ৰকাৰৰ মঙ্গল কামনা কৰে। এটা অঞ্চলৰ পৰা আন এটা অঞ্চলৰ নামানুসাৰে প্ৰাৰ্থনা কৰাৰ সময়ত প্ৰতিবাৰেই বিৰতি গ্ৰহণ কৰা পৰিলক্ষিত হয়। এই বিৰতি গ্ৰহণ কৰাৰ সময়তে তিৱা সংস্কৃতিৰ অন্যতম লাওপানী (মদ) গ্ৰহণ কৰাৰ ৰীতি আছে।

মধ্য অসমৰ এক প্ৰধান জনগোষ্ঠী তিৱাসকল। মংগোলীয় সভ্যতাৰ ঐতিহ্য বহনকাৰী তিৱাসকল কেৱল মাথোঁ মধ্য অসমৰে নহয়, সমগ্ৰ অসমৰে অন্যতম খিলঞ্জীয়া জনগোষ্ঠী।

ফা-মহাদেউ তিৱাসকলৰ প্ৰধান আৰাধ্য দেৱতা। জনগোষ্ঠীটোৰ আদিপুৰুষ হিচাপে মহাদেউ শিৱক গণ্য কৰা তিৱাসকল প্ৰধানতঃ শাক্ত।

'বাট ভেটা উৎসৱ'ৰ প্ৰকৃততে কৃষি কৰ্মৰ লগত সামঞ্জস্য আছে যদিও এই উৎসৱটোৰ সৈতে আধ্যাত্মিক উপলব্ধিৰ ছাঁ পোৱা যায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰভাৱ নথকাৰ সময়তে এনেধৰণৰ আধ্যাত্মিক সকাম অসমৰ জনগোষ্ঠীসমূহৰ মাজত বিৰল বুলি ক'ব পৰা যায়।

তিৱা পৰম্পৰাগত বাট ভেটা উৎসৱ সমগ্ৰ তিৱা জনগোষ্ঠীয়ে একেধৰণে পালন নকৰে। যিদৰে বৰত উৎসৱ কেৱল তেতেলীয়া আৰু কুমৈ ৰাজ্যৰ তিৱাসকলৰ, ঠিক সেইদৰে বাট ভেটা উৎসৱো কেৱল শিলচাং অঞ্চলৰ তিৱা সমাজতহে প্ৰচলিত বুলি জনা যায়।

প্ৰাচীন কালৰ শিলচাং ৰাজ্যৰ অন্তৰ্গত এখন পুৰণি গাঁও লালুংঘাট। লালুংঘাটৰ তিৱা সমাজে পালন কৰা 'বাট ভেটা উৎসৱ' কেনেধৰণে পালন কৰে আৰু কেনে চিন্তা-চৰ্চাৰে পালন কৰে, তাক চমুকৈ দাঙি ধৰাৰ চেষ্টা কৰা হৈছে।

পৰ্যালোচনাত আমি জনগোষ্ঠীটোৰ সদস্য নহয়, তথাপি আমাৰ জন্মসূত্ৰে একেটা ভৌগোলিক পৰিৱেশত থাকি প্ৰত্যক্ষ কৰা সমলকে লিপিবদ্ধ কৰা হৈছে।

ভাদ-আহিন মাহত ৰোৱা-বোৱা শেষ কৰাৰ পিছত উৎসৱ পালন কৰা হয়।



তিৱা ৰাইজে বাট ভেটা উৎসৱৰ বাবে নিৰ্দিষ্ট দিন একোটা ঠিক কৰে। লালুংঘাটৰ কপিলীপৰীয়া ৰাইজে নদীৰ ঘাটলৈ যোৱা পথ এটাকৈ উৎসৱ পালনৰ বাবে নিৰ্বাচন কৰি লয়।

বাট ভেটা উৎসৱত তিৱা ৰাইজে অঞ্চলৰ বিভিন্ন ঠাইৰ নাম লৈ প্ৰতিটো অঞ্চলৰ কুশল কামনা কৰি স্তুতি কৰে। এটা অঞ্চলৰ পৰা আন এটা অঞ্চলৰ ঠাইৰ নাম অনুসাৰে প্ৰাৰ্থনা কৰাৰ সময়ত প্ৰতিবাৰেই বিৰতি গ্ৰহণ কৰা দেখা যায়।

পৰম্পৰাগত 'বাট ভেটা উৎসৱ' কেৱল শিলচাং ৰাজ্যৰ মাজতে আবদ্ধ থকাৰ বাবে আন ঠাইৰ ৰাইজ এই উৎসৱ সম্পৰ্কত অৱগত নহয়। আধুনিক প্ৰথাৰে সৈতে চলিবলৈ ধৰাৰ ফলত আধ্যাত্মিকতাৰ নিদৰ্শন থকা পৰম্পৰাগত উৎসৱটো বৰ্তমানে পাহৰণিৰ গৰ্ভত। ❖

# তিৱা জনগোষ্ঠীৰ বসন্ত উৎসৱ ছগ্ৰা মিছাৱা

উৎসৱৰ দৃষ্টিকোণত জনজাতিসমূহ বেছ চহকী। তেওঁলোকৰ নৃত্য-গীতসমূহ তাৰেই পৰিচায়ক। জাকজমকতাপূৰ্ণ আৰু পৰম্পৰাগত সাজ-পোছাকেৰে অসমৰ বিভিন্ন জনগোষ্ঠীসমূহে তেওঁলোকৰ বহুৰূপী উৎসৱ-পাৰ্বণ আৰু নৃত্যসমূহৰ বিষয়ে পৰিচয় কৰি দিব পাৰিছে।

বিভিন্ন জাতি-জনজাতিৰে ভৰা বহুভাষিক বৈচিত্ৰ্যপূৰ্ণ অসমৰ জনজাতিসকলৰ ভিতৰত ভূমিপুত্ৰ তিৱাসকলো অন্যতম। তিৱাসকলে বিভিন্ন সময়ত বিভিন্ন উৎসৱ পালন কৰি আহিছে। তিৱাসকলৰ এটা জাতীয় উৎসৱ হ'ল ছগ্ৰা মিছাৱা।

পৰম্পৰাগত ছগ্ৰা মিছাৱা উৎসৱ ফেব্ৰুৱাৰী মাহৰ শেষভাগত বা মাৰ্চ মাহৰ প্ৰথম ভাগত উদ্‌যাপন কৰা হয়। তিৱা ভাষাত ছগ্ৰা শব্দৰ অৰ্থ হ'ল সকলো বা সমুদায় আৰু মিছাৱা শব্দৰ অৰ্থ হ'ল নচা বা নৃত্য কৰা। ছগ্ৰা মিছাৱা উৎসৱত অংশগ্ৰহণ কৰা তিৱা যুৱকসকলে (পান্থাই) তিৱাৰ জাতীয় পোছাক 'টাগ্‌লা' পৰিধান কৰাটো বাধ্যতামূলক। পাটৰ বা চাংমাজি নামৰ বিষয়াগৰাকীক টাগ্‌লা যোগান ধৰাৰ দায়িত্ব দিয়া হয়।

'চামাদি'ত (ডেকাচাং) থকা ডেকাসকলে দুমাহৰ আগৰে পৰা চামাদিত থকা খ্ৰাম, খ্ৰামবাৰ, উগ্‌ৰা আদি বাদ্যবোৰ মেৰামতি কৰে। ছগ্ৰা মিছাৱা উৎসৱৰ আগে আগে লৰ' নামৰ বিষয়াগৰাকীয়ে মহাদেউ আৰু চাৰিভাই দেৱতাক পূজা কৰি আগন্তুক উৎসৱত অপায়-অমঙ্গল নহ'বলৈ 'ন'বাৰ'ত পূজা-সেৱা কৰে। এনেদৰে পূজা কৰাক 'শনিকৰণ' বোলা হয়।

পৰম্পৰাগত ছগ্ৰা মিছাৱা উৎসৱৰ দিনা লৰ'ই ন'বাৰত পিতৃসকলক উদ্দেশ্যি চৰাই উছৰ্গা কৰে। উল্লেখ্য যে ন'বাৰত তিনিটা কোঠালি থাকে। ইয়াত দেওপূজাৰ সুকীয়া কোঠা, ৰন্ধনৰ বাবে সুকীয়া কোঠা আৰু দ্ৰব্যাদিৰ বাবেও সুকীয়া কোঠা থাকে। প্ৰত্যেকতে একোখনকৈ পাভটি চাং থাকে।

উৎসৱস্থলীত একুৰা জুই অনবৰতে জ্বলাই ৰখা হয়। দেওপূজা সম্পন্ন হোৱাৰ পিছতে লৰ'ই তামোল-পাণৰ বঁটা এটা ওজা খেললৈ আগবঢ়াই ছগ্ৰা মিছাৱা উৎসৱৰ শুভাৰম্ভ কৰিবলৈ অনুৰোধ জনায়।



ছগ্ৰা মিছাৱা উৎসৱৰ গীতসমূহ বিশেষভাৱে প্ৰেম-প্ৰীতিমূলক। অন্যহাতে দেওপূজাৰ লক্ষ্যৰে গোৱা গীতসমূহ ধৰ্মীয় সৃষ্টিতত্ত্বমূলক। ছগ্ৰাৰ গীতসমূহত ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয়, বিৰহ-মিলন, জীৱনৰ আশা-আকাংক্ষা আৰু হাঁহি-কান্দোনৰ স্পষ্ট প্ৰতিফলন দেখা যায়। এই পূজা উৎসৱৰ প্ৰধান উপাস্য দেৱতা হ'ল মহাদেউ, চাৰিভাই চাৰিকৰা আৰু দেওপিতৃসকল। পূজা কৰাৰ পিছত চামাদিত পান্থাইসকলৰ বাবে নৃত্য-গীত কৰা হয়।

মন কৰিবলগীয়া যে একোটা ছগ্ৰা গীত সাতবাৰকৈ গাব লাগে। পুৱা চামাদিৰ পৰা নামি আহি ডেকাসকলে চামাদিৰ বিষয়াবৰ্গ আৰু গাঁৱৰ মুখিয়াল লোকসকলৰ চোতালত নাচেগৈ। মুখিয়ালসকলৰ ঘৰত নচা শেষ হ'লে বাদ্যযন্ত্ৰী, নৰ্তক আৰু বিষয়ববীয়াসকল ন'বাৰলৈ উভতি গৈ পুনৰ নৃত্য-গীত কৰেগৈ।

তিৱা পৰম্পৰাগত ছগ্ৰা মিছাৱা উৎসৱৰ চতুৰ্থদিনা লৰ' আৰু বিষয়-ববীয়াসকলে উৎসৱৰ সময়ত আৰোপিত নিষেধাজ্ঞাসমূহ উঠাই লয়। চাংদলৈয়ে চামাদিৰ ছগ্ৰা কাৰাছগাত চাৰিভাই দেৱতাৰ প্ৰতীক 'মিন্দাইফাং' পাতে। ❖

# তিৱাসকলৰ ঐতিহ্যমণ্ডিত 'উৰল টনা উৎসৱ'

প্ৰাচীন কালৰ পৰা অসমৰ বিভিন্ন প্ৰান্তত হাবি-জংঘল কাটি বাস কৰি অহা লোকসকলৰ লোক-সংস্কৃতিসমূহ প্ৰধানতঃ কৃষিকেন্দ্ৰিক আৰু দেৱ-দেৱীৰ পূজা-পাতলৰ ওপৰতে ভিত্তি কৰি উঠা। গতিকে এওঁলোকে কৃষিকৰ্মসমূহৰ সুবিধাৰ্থে বিভিন্ন প্ৰকাৰৰ পূজা-পাতল কৰা দেখা যায়। এইসমূহৰ ভিতৰত কৃষিকাৰ্য আৰম্ভ হোৱাৰ পূৰ্বে জংকং পূজা, শস্যৰে নদন-বদন হ'বলৈ লক্ষ্মী পূজা আৰু খেতি সামৰাৰ পৰত ধকচা পূজা পালন কৰে।

কৃষিকাৰ্যত কোনোধৰণৰ ব্যাঘাত নজন্মিবলৈ জংকং পূজা কৰাৰ পিছতো যেতিয়া পথাৰসমূহত ভুঁই লগাব পৰাকৈ বৰষুণ নপৰে, তেতিয়াই গ্ৰাম্য অঞ্চলৰ তিৱা জনজাতিসকলে এই লেখাৰ মূল বিষয় 'উৰল টনা উৎসৱ' পালন কৰে।

পৰম্পৰাগত 'উৰল টনা উৎসৱ' প্ৰধানতঃ বৰষুণক আহ্বান জনাই বৰুণ দেৱতাক প্ৰাৰ্থনা কৰা কাৰ্য। গাঁও অঞ্চলৰ তিৱাসকলে সাধাৰণতে পুৰুষ-মহিলা নিৰ্বিশেষে এই উৎসৱত অংশগ্ৰহণ কৰা দেখা যায়। কোনো নিৰ্দিষ্ট দিন-বাৰ নিৰ্ধাৰণ নকৰাকৈ প্ৰয়োজন সাপেক্ষে যিকোনো এদিনতেই নিশাৰ ভাগত অনুষ্ঠিত হোৱা এই উৎসৱ নিজৰ গাঁওখনৰ প্ৰতি ঘৰ মানুহৰ চোতালতে নাম-কীৰ্তন কৰি কৰি পালন কৰে। এই উৎসৱৰ বাবে এটা উৰলৰ প্ৰয়োজন।

উৰল দেখাত ঢোলৰ খোলাকৃতি এটা কাঠৰ টুকুৰা। ই গোলাকাৰ, মাজভাগ সুৰঙ্গসদৃশ আৰু তলৰ পিনে দুটা বাঁহৰ কামী লগোৱা থাকে। তলৰপিনে থকা কামী দুছটাত দুডাল হগল বা বেতৰ তমালসদৃশ জৰী সংযোগ কৰা হয়। উৰলটোত এখন ডলা জাপি দিয়া হয় আৰু উৰলত বান্ধি থোৱা প্ৰায় তিনি ফুট দীঘল হগল বেত দুডাল ডলাখনত দুটা বিন্ধা কৰি ওপৰলৈ উলিয়াই অনা হয়। উৰলৰ নৃত্য আৰম্ভ হ'লে দুজনে উৰলত ভৰি দি একোজনে একোডাল হগল বা বেতৰ জৰীত ধৰি চুঁচি চুঁচি কম্পন কৰোৱায়।

উক্ত কাৰ্যৰ বাবে উৰলৰ ওপৰত সঘনে পানী দিব লগা হয়। পানী পোৱা মাত্ৰকে হাতৰ চোঁচাত উৰলটোত থকা হগল বা বেত দুডালে মৃদু শব্দৰ সৃষ্টি কৰে।



তিৱা জনজাতিসকলে এই উৎসৱত কিছুমান বিশেষ ধৰণৰ নাম-পৰিৱেশন কৰে; যিবোৰ নাম সাধাৰণতে অন্যান্য উৎসৱ-পাৰ্বণ বা সাংস্কৃতিক অনুষ্ঠানত পৰিৱেশন কৰা দেখা নাযায়। উদাহৰণস্বৰূপে—

'হৰি নশা নশা মানে লাবা
লাবা যদি লা দুয়না
চিকুণ বলাই লাবা...'
'কি ফুল ফুলিলে মাদলতা ফুল
পানী তুলংতে কঁকাল ভাঙিলে
জীয়াই জীয়াই তুল।' ইত্যাদি।

উৰল টনা উৎসৱত চাৰি-পাঁচজনমান মানুহে ওচৰত থকা খাল-ডোং বা টিউবৱেলৰ পৰা পানী আনি উৰলটোৰ ওপৰত দি থাকে। আন দুজনে উৰল টানে আৰু অন্যান্য সকলো পুৰুষ-মহিলাই উৰলটোক কেন্দ্ৰ কৰি চোতালত ঘূৰি ঘূৰি নাম গায়। উৰলৰ ওপৰত দিয়া পানীবোৰেৰে গোটেই চোতালখন ভিজি যোৱাৰ পিছত যেতিয়া ৪০/৫০ জন মানুহে ঘূৰি ঘূৰি নাম গায়, তেতিয়া গোটেই চোতালখন প্ৰায় বোকাময় হৈ পৰে।

এনে কাৰ্যত বৰুণ দেৱতা লজ্জিত হয় আৰু তেতিয়া কলহৰ কানেৰে ধৰালৈ বৰষুণ দিয়ে বুলি তিৱা জনজাতিসকলৰ মাজত এটা লোকবিশ্বাসৰ প্ৰচলন আছে।

ইয়াৰ উপৰি কোনো কোনোৱে পথাৰৰ পৰা নাঙল আনি গৃহস্থৰ চোতালত মাটি চহোৱা, ৰাজহুৱাভাৱে বৈবাহিক প্ৰথাৰে ভেঁকুলীৰ বিয়া পাতি দিয়া আদি কাৰ্যৰে খৰাং বতৰত বৰষুণ নমাবলৈ গ্ৰাম্য অঞ্চলত পুৰণিকলীয়া নিয়মৰ প্ৰচলন কৰা দেখা যায়। এই 'উৰল টনা উৎসৱ' হৈছে নিঃসন্দেহে তিৱাসকলৰ সাংস্কৃতিক জীৱনৰ প্ৰতিবিম্ব। ❖

# লাংখুন পূজা উৎসৱ

লোক-সংস্কৃতিৰ বিভিন্ন উৎসৱৰ ভিতৰত লোক-উৎসৱ, লোক-পূজা আৰু লোক-নৃত্য অন্যতম। এই দিশত ভূমিপুত্ৰ তিৱাসকলো অন্যতম।

অসমৰ তিৱাসকলে বিভিন্ন সময়ত বিভিন্ন উৎসৱ পালন কৰে। এনে উৎসৱত তিৱা লোকসকলৰ মন উলহ-মালহেৰে উপচি পৰে, তেওঁলোকে মন-প্ৰাণ ঢালি এনে পৰম্পৰাগত উৎসৱসমূহ উদ্‌যাপন কৰে। তিৱাসকলে পালন কৰা বিভিন্ন লৌকিক উৎসৱৰ ভিতৰত উল্লেখযোগ্য হৈছে লাংখুন পূজা উৎসৱ। এই উৎসৱক বহুতে মালঠাকুৰ পূজা বুলিও কয়।

তিৱা বসতিপ্ৰধান চৰাইবাহী অঞ্চলত এই উৎসৱক মালদকোৱা উৎসৱ বুলিহে কয়। এসময়ত এই উৎসৱ ভৈয়ামৰ তিৱাসকলে পৰম্পৰাগত প্ৰথাৰে পালন কৰিছিল। সাম্প্ৰতিক  ইমান নীতি-নিয়ম মানি চলা দেখা নাযায়। পাহাৰৰ তিৱাসকলে বৰ্তমানেও পৰম্পৰাগত ৰীতি-নীতিৰেই এই উৎসৱ পালন কৰে।

মন কৰিবলগীয়া যে বছৰটোৰ বাবে অপায়-অমংগল দূৰ কৰাৰ মানসেৰে আহাৰ মাহৰ কোনো এটা শুভ দিনত ভূত-প্ৰেত, দেৱ-দেৱতা, মাৰি-মৰক আদি অপশক্তিবোৰক গাঁও অঞ্চলৰ পৰা খেদিবৰ বাবেই এই উৎসৱ পালন কৰা হয়।

লাংখুন পূজা উৎসৱ উপলক্ষ্যে লাংখুন আহৰণ কৰিবলৈ লৰ', চাংদলৈ, চাংমাজি আদি বিষয়াসকল পাহাৰলৈ যায়। চামাদিৰ (ডেকাচাং) পাছাইসকলেও হাতত দা-কটাৰী লৈ তেওঁলোকৰ লগত হাবিলৈ ওলায়। চাংদলৈ, চাংমাজিৰ হাতত মদৰ লাউ এটা, তামোল-পাণৰ বঁটা এটা, এঘটি পানী, তৰাপাত সাতটা দি পাহাৰত বিজুলী বাঁহ কটাৰ বাবে গীতৰ মাধ্যমেৰে সাতকুল-বাৰকুলৰ ল'ৰা-বুঢ়াসকলক আহ্বান জনায়।

গীতৰ ধ্বনিৰে মুখৰিত হৈ বিষয়ববীয়া আৰু পাছাইসকলক লৈ লৰ'-দেউৰী পাহাৰলৈ আগবাঢ়ে। হাবিৰ মাজে মাজে আগবাঢ়ি গৈ তেওঁলোকে পাহাৰত ডাঙৰ বিজুলী বাঁহ এজোপা বিচাৰি লয়। বাঁহজোপাৰ তলখন পৰিষ্কাৰ কৰি লৰ'ই লগত নিয়া তৰাপাত পাৰি, তাত তামোল-পাণ আৰু তামৰ পইচা এটা দি লাউৰ পৰা লাউপানী বাকি দি বিজুলী বাঁহৰ 'গৰাকী' দেওচাল্‌জা ৰজা বিজুলী



বাঁহ কটাৰ অনুমতি বিচাৰে। ওলোটাকৈ চাঁচি চঁচবোৰত বিভিন্ন ৰং বোলায়।

বিভিন্ন প্ৰণয় ভাবসম্পন্ন গীত জুৰি ডেকাইঁতে পাহাৰৰ পৰা অনা বিভিন্ন গছৰ পাতৰ ৰসেৰে লাখুটিবোৰত ৰং লগায়। এই সমস্ত কাম হোৱাৰ পিছত ডেকাইঁতে লাংখুনবোৰ চামাদিত তুলি মালবাৰীবোৰ চামাদিৰ পূবত পুতি থয়।

পৰম্পৰাগত লাংখুন পূজাৰ দিনা বিভিন্ন দেৱ-দেৱতাক ছন্দময় গীত-মাতেৰে পূজা কৰা হয়। উল্লেখযোগ্য যে এই উৎসৱ চাৰিদিন ধৰি চলে আৰু চতুৰ্থদিনা দোকমোকালিতে নৃত্য-গীত সামৰি ডেকাসকলে চামাদিৰ পৰা নামি আহে।

লাংখুন পূজা উৎসৱৰ বিষয়ে বহুলভাৱে কোনো লিখিত বিৱৰণ নাই যদিও ই জন-জীৱনৰ মঙ্গলৰ হেতুকে অনুষ্ঠিত এক লোক-উৎসৱ। আমি চকু দিয়া উচিত যে তিৱাসকলৰ পৰম্পৰাগত লাংখুন পূজা উৎসৱ যাতে কেতিয়াও বিলুপ্তিৰ পথত নাযায় অদ্যাপি বিস্তাৰিতভাৱে লেখা-মেলা হোৱা নাই যদিও জনজীৱনৰ মংগলাৰ্থে প্ৰচলিত এই পৰম্পৰাক সাৰ-পানী দি আমিয়েই জীপাল কৰি তুলিব লাগিব। ❖

# তিৱা সমাজৰ ছুংখং পূজা

ভূমিপুত্ৰ তিৱাসকলৰ ছুংখং পূজা কৃষিভিত্তিক। এই সমাজৰ ছুংখং পূজা শস্যদেৱতাৰ ওচৰত আগন্তুক বছৰৰ কৃষিকাৰ্য সুন্দৰভাৱে পৰিচালিত হোৱাৰ কামনাৰে কৰা পূজা। তিৱা ভাষাত 'ছুং' শব্দৰ অৰ্থ 'অৰণ্য' আৰু 'খং' শব্দই 'মুকলি কৰা' বা 'ভাঙি উলিওৱা'ৰ অৰ্থ প্ৰকাশ কৰে। বছৰৰ ফাগুন মাহত কৃষিকাৰ্য কৰাৰ আৰম্ভণি পৰ্যায়ত অৰণ্য মুকলি কৰি কৃষিকাৰ্যৰ মূল দেৱতাক পূজা-অৰ্চনা কৰি তিৱাসকলে ছুংখং পূজা পালন কৰে।

পৰম্পৰাগত ছুংখং পূজা আৰম্ভ নকৰাকৈ কোনো তিৱা জনগোষ্ঠীৰ লোকে পথাৰত হাল বালে তিৱা জনগোষ্ঠীৰ নিয়মমতে দণ্ড ভৰিব লাগে। ছুংখং পূজাপৰ্বৰ কাম যিজনে চলায় তেওঁক লৰ' বা জেলা বুলি কয়। ফাগুন মাহ অহাৰ সময়ত লৰ'ই ডেকা চাঙৰ মুৰব্বী 'চাংদলে'ক ছুংখং পূজাৰ বাবে এটুকুৰা নিৰ্দিষ্ট ঠাই বাছি দিবলৈ আহ্বান জনায়।

পূজাৰ বাবে প্ৰয়োজনীয় কুকুৰা চৰাই, সাতডাল জাতিবাঁহৰ লেকেচি, এশ দহটা তৰাপাত, লাওপানী, চৰাইৰ কণী যোগাৰ কৰে। মাটিৰে কটা ওখ বেদী প্ৰস্তুত কৰি বেদীৰ আগত সাতডাল লেকেচি পুতি বেদীত এশ দহখিলা তৰাপাত জাপে। বেদীৰ আগত আৰৈ চাউল ছটিয়াই এটা ৰূপৰ আঙঠি ৰখা হয়। আঙঠিটোৰ ওপৰত এটা চৰাইৰ কণী ৰখা হয়। লাউত লাওপানী ৰখাৰ ৰীতি আছে। পিছত লৰ'ই এটা পানীৰ লোটাৰ পৰা বনমলা পাতেৰে উপস্থিত সকলোৰে গাত পানী ছটিয়াই শুদ্ধ কৰে।

পিছত পূজাৰ শুভক্ষণ গণনা কৰা হয়। লৰ'ই চাৰি হাতমান দীঘল দুছটা ফলা বাঁহ লৈ মিন্দাই মহাদেৱৰ নাম স্মৰণ কৰি ওপৰৰ পৰা মাটিত পেলায়। বাঁহ দুছটাৰ ফলা অংশ বুৰ গ'লে, অৰ্থাৎ পিঠি অংশ ওপৰৰ পিনে থাকিলে শুভক্ষণ হোৱা বুলি জানিব দিয়ে, অন্যথা শুভক্ষণৰ ইংগিত দিয়া নাই বুলি বুজিব লাগে। শুভক্ষণ মিলিলে ৰাইজে আদম্বাৰ, অৰ্থাৎ হৰিধ্বনি দি আঙঠিৰ ওপৰত থকা কণীটো কাটি মঙল চায়। সেই বছৰৰ খেতি-বাতি কেনে হ'ব ৰাইজক জনায়।

পিছত লৰ'ই প্ৰথমে ফা-মহাদেউ, চাৰিভাই-চাৰিকৰা, ৰং-বাউলী, ছুং-বাউলী



আৰু মেছাদেউৰ (বাঘ দেৱতা) স্তুতি গীত আৰম্ভ কৰে। স্তুতি গীত গোৱাৰ পিছত কুকুৰা চৰাই দেৱতাৰ ওচৰত 'থলমুৰি থল অছা আৰ, জীউ মুৰি জীউ অছা' বুলি বেদীৰ ওপৰত সোঁফালৰ পৰা বাঁওফাললৈ তেজ ঢালি দি উছৰ্গা কৰে।

কৃষিকাৰ্যৰ আদিতে দেৱতাৰ আশীৰ্বাদ বিচাৰি পৃথিৱীখন শস্যশ্যামলা হোৱাৰ আশাৰে আই বসুমতীৰ ওপৰত নাঙল, কোৰ আদিৰে কৰিব লগা আঘাতৰ বাবে দায়-দোষ নধৰিবলৈ তিৱা সমাজত পৰম্পৰাগত ছুংখং পূজাৰ বিধি চলি আহিছে। ❖

# তিৱাসকলৰ লোক-উৎসৱ চাংখৰলা

ভূমিপুত্ৰ তিৱাসকল উৎসৱ আৰু সঙ্গীতৰ প্ৰেমিক। অন্যহাতে তেওঁলোকৰ প্ৰতিটো লোক-উৎৱেই কৃষিৰ লগত জড়িত। এই উৎসৱসমূহৰ ভিতৰত ছগ্ৰা মিছাৱা, চংখঙা, ইয়াংলী, ৱানছুৱা ইত্যাদি।

তিৱা সমাজতো বুধবাৰটো পৱিত্ৰ বাৰ। উছৱবোৰ কোনোবাটো দুদিনীয়া বা কোনোবাটো তিনিদিনীয়া। মূল উছৱটো বুধবাৰৰ দিনাখন অনুষ্ঠিত হয়। কোনোবাটো অনুষ্ঠিত হয় প্ৰতিবছৰে, কোনোবাটো পাঁচ বছৰৰ মূৰে মূৰে। প্ৰতিবছৰে অনুষ্ঠিত হোৱাটো পৰম্পৰা যদিও উছৱসমূহ যথেষ্ট খৰচী কাৰণে কিছুমান উছৱ পাঁচ বছৰীয়া কৰিবলগীয়া হৈছে।

ভূমিপুত্ৰ তিৱাসকলৰ প্ৰতিটো উছৱ-পাৰ্বণতেই তেওঁলোকৰ ধৰ্মীয় পৰম্পৰা এটা লক্ষ্য কৰা যায় যদিও তাত গীত-মাত, নাচোন-বাগোনৰ পয়োভৰ বা উছৱমুখৰ পৰিৱেশ এটাহে বেছিকৈ পৰিলক্ষিত হয়। কৃষিকেন্দ্ৰিক অনুষ্ঠানত উছৱমুখৰতাই বেছি হোৱাটো স্বাভাৱিক। শস্য এমুঠি সবহকৈ পালেহে উক্ত অনুষ্ঠানসমূহ ডাঙৰকৈ পতাৰ স্থল থাকে।

আমাৰ এই লেখাৰ বিষয় হৈছে চাংখৰলা— যি তিৱাসকলৰ লোক-উৎসৱ। দৰাচলতে চাংখৰলাৰ সৈতেও চিনাকি হৈছিলো সংস্কৃতিৰ এনাজৰী বিচাৰি যাওঁতে। হয়, চাংখৰলা এখন টঙীৰ নিচিনা চাঙেই বুলিব পাৰি। চাংখন দেৱী এগৰাকীৰ প্ৰতীকী ৰূপ। 'বসুমতানা' বা বসুমতী তিৱাসকলৰো এগৰাকী উপাস্য দেৱী। অসমৰ অন্যান্য জনগোষ্ঠীৰ লেখিয়াকৈ তিৱাসকলেও শিল, গছ, নৈ, বিল আদিক একোগৰাকী দেৱ-দেৱী ৰূপে আজিও পূজা-সেৱা কৰি আহিছে।

চিদহুকাই, শুভেন বৰদলৈ, ৰবাৰ্ট লুমফুৱে দিয়া তথ্যমতে তিৱা সমাজেও বসুমতীকেই প্ৰথম পূজাভাগ আগবঢ়ায়। বাঁহেৰে সজা চাঙৰ আকাৰৰ এই চাংখৰলাখনকেই বসুমতী হিচাপে গণ্য কৰি তিৱাসকলে বিভিন্ন সময়ত, বিভিন্ন ঠাইত বিভিন্ন পদ্ধতিৰে ভক্তিভাবেৰে পাতি আহিছে।

আমছাইৱালীসকলে বসন্ত উছৱ ছগ্ৰা মিছাৱাৰ সময়ত ডেকাচাং চামাদীৰ ৱৰ' ঘৰৰ সন্মুখত 'চাংখৰলা'খন স্থাপন কৰে। ছগ্ৰাৰ সময়ত অন্যান্য বিষয়ববীয়াসকলৰ



ঘৰত নচাৰ পিছত ডেকাচাঙৰ লখিমী ঘৰ চুৰিবাছালৈ আহে।

লখিমী ঘৰটো চামাদীৰ ওচৰতে সজা। চামাদী পোৱাৰ কিছু দূৰতে বিষয়ববীয়াসকলক 'খৰলা'সকলে (গাভৰু) কুহুমীয়া পানীৰে ভৰি-হাত ধুৱায়। তাৰ পিছত 'চাংখৰলা'ৰ ওচৰত পূজা-সেৱা কৰি নাচে।

আমছাইৱালীসকলে অৱশ্যে বসুমতীক এগৰাকী প্ৰতীক 'চাংখৰলা'ৰ এই থাপনাখন নিজৰাৰ কাষতে সাজে। তাত 'জুলাউ' (মদৰ লাউ) আগবঢ়ায়। লখিমী আদৰা উছৱ 'ইয়াংলী'ৰ সময়তো 'ইয়াংলীথলী'ত বসুমতীৰ নামত ছাগলী বলি দিয়ে। ❖

# সংযোজন

## চামাদী ঃ তিৱা জনগোষ্ঠীৰ ডেকাচাং

**আৰম্ভণি ঃ**

পাহাৰীয়া তিৱাসকলৰ এক অতি গুৰুত্বপূৰ্ণ সামাজিক অনুষ্ঠান হৈছে ডেকাচাং বা চামাদী। অন্যান্য জনগোষ্ঠীৰ দৰে এই ডেকাচাং কেৱল উৎসৱৰ সময়ত নিৰ্মাণ কৰা অনুষ্ঠান নহয়। প্ৰতিখন পাহাৰীয়া লালুঙৰ গাঁৱতে এটা চামাদী থাকে। এক কথাত ক'বলৈ গ'লে চামাদী তিৱাসকলৰ জাতীয় গৌৰৱ।

**প্ৰকৃতি ঃ**

ডেকাচাং আয়তনত ডাঙৰ। গাঁওখনৰ ন-বছৰৰ ওপৰৰ অবিবাহিত ল'ৰাবোৰৰ বাবে এই চামাদীয়েই হৈছে ঘৰ। চাংঘৰ হিচাপে নিৰ্মাণ কৰোঁতে ডাঙৰ হলৰ দৰে ইয়াক নিৰ্মাণ কৰা হয়। সাধাৰণতে মাটিৰ পৰা কেইবা ফুট উচ্চত নিৰ্মিত এই চাংঘৰৰ প্ৰধান খুঁটাটো হ'ল 'থম্‌থুনা'। ইয়াৰ যথেষ্ট গুৰুত্ব আছে। বাকীবোৰ খুঁটা তাতকৈ সৰু।

ডেকাচাং বা চামাদীৰ বেৰ নাই। দুয়োখন চালে বাঁহৰ চাংখন ঢাকি ৰাখে। চামাদীত নটা থোপ থকা এডাল কাঠৰ খট্‌খটী থাকে, তাৰে ওপৰলৈ উঠিব লাগে। মুখৰ ফালে আৰু পিছফালে চাংঘৰটো খোলা। পিছফালেও একে ৰূপৰ খট্‌খটী থাকে। বাৰ বছৰৰ মূৰে মূৰে খুঁটা বা 'থম্‌থুনা' সলায়। এই খুঁটাটোত আঁউজি ডেকাসকলৰ মুৰব্বী নায়কগৰাকী বহে। এই মুৰব্বী বাব লোৱা লোকজনেই হৈছে 'চাংদলৈ'।

চামাদী বা ডেকাচাঙত এখন ফুলাম কঠত চাংদলৈয়ে বহি সকলো বিচাৰ কৰে। চামাদীত সন্মুখৰ কাঠৰ মাৰলিত এযুৰি স্তন অপূৰ্ব ৰূপেৰে কাটি চকুত লগাকৈ সজায়। ইয়াৰ প্ৰকৃত অৰ্থ হ'ল তিৰোতা বা ছোৱালী মানুহৰ ডেকাচাঙত প্ৰৱেশ নিষেধ।

গাঁৱৰ ডেকা দলৰ দলপতি চাংদলৈকে সহায় কৰিবলৈ থাকে চামাঝি (চাংমাজি)। ডাঙৰ ল'ৰাৰ দলটোৱেই হ'ল চুৰুমা বাঠাইসকল।



**চুৰুমা বাঠাই ঃ**

এওঁলোক প্ৰধান দল। বয়সত ডাঙৰ। প্ৰধান হ'ল (ক) চুৰুমাৰবো (খ) ৰান্তিনিমূল (গ) ক্ৰাচুৰুমা। চুৰুমা বাঠাইসকল হ'ল সাধাৰণ সদস্য।

**ক্ৰা-খুৰা-বাঠাই ঃ**

এওঁলোক হ'ল মধ্যম দল। বয়সৰ হিচাপত সমাজৰ গুৰুত্বপূৰ্ণ আৰু লেখত ল'বলগীয়া কামবোৰ এওঁলোকে চলাই নিয়ে। চাংদলৈ, চাংমাঝি, চুৰুমাবৰো, খুৰামূল হ'ল প্ৰধান। লগতে থাকে ক্ৰা-খুৰা অৰ্থাৎ সাধাৰণ সদস্যসকল।

**চুখাচা বাঠাই ঃ**

এওঁলোক হ'ল বয়সত একেবাৰে সৰু। নতুন সদস্য আৰু শিকাৰু।

যিখন গাঁৱত পৰম্পৰাগত গাঁৱলীয়া নেতৃত্ব নাথাকে চাংদলৈ, চাংমাঝি আদিয়েই গাঁওখনক নেতৃত্ব দিয়ে। ডেকাচাং অনুষ্ঠানৰ প্ৰধান বিষয়ববীয়াসকল হ'ল—

| | |
|---|---|
| ক) চাংদলৈ | — প্ৰধান |
| খ) চাংমাঝি | — দ্বিতীয় নেতা |
| গ) চুৰুমাবৰো | — তৃতীয় নেতা |
| ঘ) খুৰামূল | — চতুৰ্থ নেতা |
| ঙ) খুৰুমাবৰো | — পঞ্চম নেতা |
| চ) খুৰুমাবৰো চাকৰীয়া | — ষষ্ঠ নেতা |

**অৱতৰণিকা ঃ**

অসমৰ জনজাতীয় কৃষ্টি-সংস্কৃতিৰ এক বৈশিষ্ট্যপূৰ্ণ নিদৰ্শন হৈছে ডেকাচাং বা যুৱগৃহসমূহ। জনগোষ্ঠীয় লোকসকলৰ সমাজভেদে ইয়াৰ নাম ভিন্ন ভিন্ন। তথাপি ডেকাচাঙৰ সংজ্ঞাটো যথাৰ্থতে সাৰ্বজনীন আৰু সৰ্বাত্মক।

**তিৱা জনগোষ্ঠীৰ চমু পৰিচয় ঃ**

ভূমিপুত্ৰ তিৱাসকল অসমৰ প্ৰাচীন গোষ্ঠী মংগোলীয়সকলৰ উত্তৰ পুৰুষ। প্ৰাক্-ঐতিহাসিক কালতে তেওঁলোকৰ অসমলৈ আগমন হৈছিল। পূৰ্বতে তেওঁলোক আছিল বৃহৎ চীন-তিব্বতীয় ভাষাগোষ্ঠীয় লোক। জনপ্ৰব্ৰজনৰ স্বাভাৱিক সূত্ৰেৰে তিব্বত মালভূমিৰ পৰা হিমালয়ৰ পাদদেশ হৈ তেওঁলোকে অসমত প্ৰৱেশ কৰিছিল।

এই তিৱাসকলকে তিব্বত-বৰ্মী লোক বুলি কোৱা হয়। প্ৰসিদ্ধ গ্ৰন্থ 'যোগিনী তন্ত্ৰ'ৰ মতে এওঁলোকেই আছিল কিঁৰাট।

এওঁলোকৰ এটা প্ৰধান ফৈদ বড়ো-নগা। সময়ৰ গতিত ইয়াৰ পৰাই আমাৰ আদিম আদিবাসী বড়ো, ডিমাচা, গাৰো, দেউৰী, ৰাভা, হাজং, তিপৰা, তিৱা (লালুং) আদি জনগোষ্ঠীৰ সৃষ্টি হয়।

**তিৱা সমাজত চামাদীৰ প্ৰভাৱ ঃ**

তিৱা সমাজ আৰু সংস্কৃতিৰ মজিয়াখনত চামাদীৰ প্ৰভাৱ এক বিশেষভাৱে উল্লেখযোগ্য। অতীজৰে পৰা তিৱাসকলৰ মাজত চামাদীৰ পৰম্পৰা প্ৰচলিত। আদিম জনগোষ্ঠীয় লোক হিচাপে যথেষ্ট পিছপৰা সহজ-সৰল মনোবৃত্তিৰ হ'লে তিৱাসকলৰ মাজত এক সু-শৃঙ্খলিত সমাজ গঠনৰ প্ৰয়াস দেখা যায়।

চামাদী প্ৰধানতঃ ডেকাসকলৰ অনুষ্ঠান যদিও ইয়াৰ দায়বদ্ধতা আৰু দায়িত্ব সমাজৰ প্ৰতিটো দিশতে বিৰাজমান। চামাদী হৈছে সমাজ সংগঠন আৰু পৰিচালনাৰ এটি সু-দৃঢ় ভেটি।

তিৱা সমাজৰ যিকোনো সমস্যাৰ সৈতে চামাদী অৰ্থাৎ ইয়াৰ বিষয়াসকল জড়িত। এই নেতৃবৃন্দৰ স্থান সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানত অতি উচ্চ। এওঁলোকৰ আদেশ শিৰোধাৰ্য। এওঁলোকে পাহাৰীয়া তিৱাসকলৰ সামাজিক আৰু ধৰ্মীয় পৰিৱেশ কঠোৰভাৱে পৰ্যবেক্ষণ কৰে, যাতে পৰম্পৰাগত নীতি-নিয়মবোৰ উলংঘা নহয়।

**উপসংহাৰ ঃ**

তিৱা ভাষাত চামাদী শব্দটোৰ অৰ্থ ডেকাচাং। তিৱাসকলৰ সমাজ-সংস্কৃতিত চামাদী এটা অপৰিহাৰ্য আৰু গুৰুত্বপূৰ্ণ অংগ।

জনজাতীয় সমাজ আৰু সাংস্কৃতিক পৰম্পৰাত ডেকাচাং শব্দটিৰ আভিধানিক অৰ্থতকৈ প্ৰভাৱ অধিক তথা তাৎপৰ্য আৰু গুৰুত্বও অধিক। প্ৰকৃততে ক'বলৈ গ'লে ডেকাচাং কেৱল এখন চাং নহয় বা এটা গৃহই নহয়, ই এটা বিশেষ সামাজিক-সাংস্কৃতিক অনুষ্ঠান— স্বৰূপাৰ্থত এটা মহৎ অনুষ্ঠান, যাৰ যোগেৰে জনজাতীয় লোকসকলে অতি সুপৰিকল্পিত আৰু শৃঙ্খলাবদ্ধভাৱে সমাজৰ সংগঠন আৰু পৰিচালনা কৰে। ❖

# অসমৰ জনগোষ্ঠীয় কৃষিভিত্তিক উৎসৱ

অসমৰ বিভিন্ন জনগোষ্ঠীত কৃষিভিত্তিক উৎসৱসমূহে এক বিশেষ প্ৰভাৱ পেলাব পাৰিছে। অসমত বাস কৰা বড়োসকলৰ বৈশাগু, তিৱাসকলৰ বিষু কিম্বা ছগ্ৰা মিছাৱা, দেউৰীসকলৰ বিচু, মিচিংসকলৰ আলি-আয়ে-লৃগাং, মৰাণসকলৰ বিহু, কাৰ্বিসকলৰ দোমাহী আদি বিশেষভাৱে উল্লেখযোগ্য।

**বড়ো জনগোষ্ঠীৰ বৈশাগু ঃ**

অসমত বাস কৰা ভূমিপুত্ৰ বড়োসকলে পালন কৰে বিহুসদৃশ উৎসৱৰ নাম হৈছে বৈশাগু। চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিৰ দিনাৰ পৰাই আৰম্ভ হয় বৈশাগু। উক্তদিনা কৃষিৰ প্ৰধান আহিলা গৰুক গা-পা ধুৱাই লাউ, বেঙেনা গৰুৰ গালৈ দলিয়াই দিয়া হয়।



*বড়ো যুৱতী*

পহিলা ব'হাগৰ দিনা বড়োসকলে ছাত্ৰৱালি বাঁহী বজাই নৱবৰ্ষক স্বাগতম জনায়। তাৰ পিছতেই বাথৌ বেদীত থপচ পূজা কৰে। পূৰ্বপুৰুষক সোঁৱৰণ কৰি চোতালৰ দক্ষিণ দিশত লোক-পৰম্পৰা অনুসৰি পূজা-অৰ্চনা কৰে। লগতে মদ, মাংস, পিঠা আদি উছৰ্গা কৰে। এই উৎসৱৰ লগত বড়ো সমাজৰ কিছুমান সামাজিক ৰীতি-নীতি প্ৰতিফলিত হোৱা দেখা যায়।

বৈশাগু উৎসৱৰ সৈতে জড়িত হৈ আছে প্ৰেম-ভালপোৱাৰ মধুৰতম নিদৰ্শন। তাৰেই চানেকী হিচাপে বড়ো যুৱতীয়ে নিজৰ আপোনজনক উপহাৰ দিয়ে একোখন ৰুমাল।

**তিৱাসকলৰ 'বিষু' কিম্বা 'ছুগ্ৰা মিছাৱা' ঃ**

ভূমিপুত্ৰ তিৱাসকলে পালন কৰা বিহুসদৃশ উৎসৱটি হ'ল 'বিষু' বা 'ছুগ্ৰা মিছাৱা'। এই উৎসৱত তিৱাসকলে 'মান পূজা' কৰাৰ ৰীতি আছে। পূজাৰ প্ৰধান কৃষিৰ প্ৰধান আহিলা গৰুক গা-পা ধুৱাই দীৰ্ঘায়ু কামনা কৰাৰ ৰীতি আছে।

তিৱাসকলে বিহুৰ দিনা মিঠাতেল আৰু এঙাৰৰ মিশ্ৰণেৰে গৰুৰ গাত ছাপ দিয়ে। গা ধুৱাওঁতে লাউ, বেঙেনা আদি ছটিয়াই গীত গোৱাৰ উপৰি গাঁৱৰ ই ঘৰে সিঘৰৰ লগত পঘা সালসলনি কৰে। এই কাৰ্য শেষ কৰি গাঁৱৰ বয়োজ্যেষ্ঠসকলে বৰঘৰত গোট খাই বিহু উপলক্ষ্যে তৈয়াৰ কৰা 'জু' (সুৰা) আৰু কুকুৰা বা শুকতি মাছেৰে খায়।

ধৰ্মীয় কাৰ্য সমাপ্তিৰ পিছতহে তিৱাসকলে নৃত্য-গীতৰ অনুষ্ঠান আৰম্ভ কৰে। এই নৃত্য-গীত সাত বিহুলৈ চলি থাকে।

**দেউৰী জনগোষ্ঠীৰ 'বিচু' ঃ**

চীন-তিব্বতীয় ভাষিক নৃতাত্ত্বিক মংগোলীয় জনগোষ্ঠীৰ দেউৰীসকল অসমৰ এক অন্যতম জনগোষ্ঠী। এই জনগোষ্ঠীৰ প্ৰধান উৎসৱ হ'ল 'বিচু'। এই বিচু শব্দৰ পৰাই বিহু শব্দৰ উৎপত্তি হোৱা বুলি এচাম বুদ্ধিজীৱীয়ে মত দিয়ে। 'চু' মানে হ'ল উচ্চ। ইয়াৰ লগত 'বি' উপসৰ্গ যোগ কৰি 'বিচু' অৰ্থাৎ অতিকৈ ৰং-ৰহইচৰ উৎসৱ কৰা হৈছে।

দেউৰীসকলে ব'হাগৰ প্ৰথম বুধবাৰৰ দিনা বিহু উৎসৱৰ শুভাৰম্ভ কৰে। বিহুৰ দিনাই পুৱাই হালধি আৰু মাটি-মাহৰ সংমিশ্ৰণেৰে গৰুক গা ধুৱায়। দুপৰীয়া ৰাজহুৱা স্থানত ৰাইজ মিলিত হৈ উপাস্য দেৱতালৈ ছাগলী, হাঁহ, কুকুৰা বলি হিচাপে আগবঢ়ায়। তাৰ পিছতেই সাদিন ধৰি দেউৰীসকলৰ গাঁও মুখৰিত হয় নৃত্য-গীতৰ মাধ্যমেৰে।

**মিচিংসকলৰ 'আলি-আয়ে-লৃগাং' ঃ**

মিচিং জনগোষ্ঠীৰ 'আলি-আয়ে-লৃগাং' উৎসৱৰ মাধ্যমেৰে অসমত বসন্তকালীন উৎসৱৰ আৰম্ভণি হয়। ফাগুন মাহৰ প্ৰথম বুধবাৰে এই উৎসৱ পতাৰ



ৰীতি আছে।

'আলি' মানে হ'ল মাটিৰ তলত হোৱা আলু। 'আয়ে' মানে গছৰ গুটি বা ফল আৰু 'লৃগাং' মানে হ'ল সিঁচিবলৈ আৰম্ভ কৰা। ইয়াৰ সম্পূৰ্ণ অৰ্থ হ'ল শস্য সিঁচাৰ প্ৰথম দিন।

মিচিংসকলে এই উৎসৱত পৰম্পৰাগত নীতিমতে চহ কৰা মাটি এডৰাত বীজ সিঁচে আৰু ঐনিতমৰ তালে তালে গুমৰাগ নৃত্য নাচে। ঐনিতমবোৰৰ মাজেৰে মনৰ সুখ-দুখ, হৰ্ষ-বিষাদ আৰু প্ৰেমৰ গভীৰ অনুভূতিৰ এক সাৱলীল প্ৰকাশ দেখা পোৱা যায়।

মিচিংসকলে বিশ্বাস কৰে শস্য সিঁচাৰ পাঁচ দিনৰ পিছত গজালি ওলায়। সেই হেতুকে পাঁচ দিনৰ 'লিংলেন' উৎসৱ পাতি সমূহীয়াভাৱে এসাঁজ খায়।

**মৰাণ জনগোষ্ঠীৰ 'বিহু' ঃ**

অসমৰ অন্য এটি প্ৰধান জনগোষ্ঠী মৰাণসকলে ব'হাগৰ প্ৰথম মঙ্গলবাৰৰ দিনাখন উৰুকা পাতে। বুধবাৰে গৰু বিহুৰ উপৰি তাৰ পিছদিনাৰ পৰা চাৰি দিনলৈ মানুহ বিহু উদ্‌যাপন কৰে।

গৰু বিহুৰ দিনাখন কৃষি কাৰ্যৰ প্ৰধান আহিলা গৰুক দীঘলতি, মাখিয়তি, তৰা আদিৰে কোবাই কোবাই গা ধুৱাই লাউ, বেঙেনা আদি খুৱায়। উক্তদিনাখনেই খেতিৰ সঁজুলি নাঙল-যুঁৱলি ধুই ভঁৰালৰ সন্মুখত স-ভক্তিৰে সেৱা আৰু পূজা-অৰ্চনা আগবঢ়ায়।

গৰু বিহুৰ দিনাখনেই এশ-এবিধ শাক খোৱাৰ ৰীতিও মৰাণ সমাজত উপলব্ধ। উল্লেখযোগ্য যে মৰাণসকলে প্ৰতিবছৰে হুঁচৰি নাগায়। প্ৰতি তিনিবছৰ, পাঁচবছৰ বা দহবছৰৰ মূৰত হুঁচৰি গাই গৃহস্থক আশীৰ্বাদ দিয়ে।

**কাৰ্বিসকলৰ 'দোমাহী ঃ**

ভূমিপুত্ৰ কাৰ্বিসকলৰ বসন্তকালীন উৎসৱ 'দোমাহী' চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিত উদ্‌যাপন কৰা হয়। উক্তদিনাখনত গৰুক গা-পা ধুওৱাৰ উপৰি নিজৰ লোক-বাদ্যবোৰ চাফ-চিকুণ কৰে।

কাৰ্বিসকলে তেওঁলোকৰ উপাস্য দেৱতা আৰু পূৰ্বপুৰুষক দোমাহী উৎসৱত স্মৰণ কৰি 'হুৱলাং' আগবঢ়ায়। ইয়াৰ উপৰি আগৰ বছৰটোলৈ মঙ্গল কামনা কৰি 'জহং' পূজা কৰে। উক্ত পূজাত বলি-বিধানৰ ব্যৱস্থাও আছে।

হুঁচৰিৰ লগত কাৰ্বিসকলে পৰিৱেশন কৰা 'আহোৰিয়াহো' নৃত্যৰো সামঞ্জস্য

আছে। ডেকা-বুঢ়াসকলে সকলোৱে একগোট হৈ ঘৰে ঘৰে গৈ নৃত্য পৰিৱেশন কৰি গৃহস্থক আশীৰ্বাদ জনায়।

**অসমৰ অন্যান্য জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ ঃ**

অসমত বাস কৰা শ্যাম-চীনিয় জনগোষ্ঠী ক্ৰমে টাইফাকে, খামতি, তুৰুংসকলেও বসন্তকালীন কৃষিভিত্তিক উৎসৱ পালন কৰে। অসমৰ চাহ জনগোষ্ঠীয় লোকেও কৰম গছৰ তলত নৃত্য-গীতেৰে 'কৰম পৰব' উদ্‌যাপন কৰা দেখা যায়। অৱশ্যে এই উৎসৱটি ভাদ মাহতহে পালন কৰে। ❖

## কেইখনমান নিৰ্বাচিত ফটো



*নৃত্যৰত অৱস্থাত তিৱা পুৰুষ-মহিলা*



*এক বিশেষ মুহূৰ্তত কেইজনমান তিৱা লোক*



বৰ্ণাঢ্য তিৱা সংস্কৃতি



সংস্কৃতিৰ সমন্বয়ত তিৱা সংস্কৃতি ঃ এটি অনন্য ৰূপ





তিৱা ভুমিৰ প্ৰাকৃতিক সৌন্দৰ্য



তিৱা সংস্কৃতিৰ এখন ছবি



তিৱা সমাজ জীৱন



তিৱা সংস্কৃতিৰ এটি ছবি



## সহায়ক গ্ৰন্থপঞ্জী আৰু প্ৰবন্ধসমূহ


**অসমীয়া গ্ৰন্থ ঃ**

১। ভূঞা, সূৰ্যকুমাৰ ঃ কামৰূপৰ বুৰঞ্জী

২। ৰাভা, বিষ্ণুপ্ৰসাদ ঃ অসমীয়া কৃষ্টি

৩। বৰদলৈ, ড° নিৰ্মলপ্ৰভা ঃ অসমৰ লোক-সংস্কৃতি

৪। ডেকা, ড° নমিতা (সম্পাদনা) ঃ সংস্কৃতি বিচিত্ৰা

৫। শৰ্মা, ড° নবীন চন্দ্ৰ (সম্পাদনা) ঃ বসন্ত উৎসৱ আৰু অসমৰ বিভিন্ন জনগোষ্ঠীয় লোকনৃত্য

৬। দেউৰী, মনেশ্বৰ ঃ মৰিগাঁও জিলাৰ লোক-সংস্কৃতি

৭। পাঠক, গুপ্তজিৎ ঃ কাৰ্বি সংস্কৃতিৰ ৰূপৰেখা ঃ অতীতৰ পৰা বৰ্তমানলৈ

৮। পাঠক, গুপ্তজিৎ ঃ উত্তৰ-পূৰ্বাঞ্চলীয় জনজাতীয় নাৰী

**ইংৰাজী গ্ৰন্থ ঃ**

1. *Pathak, Guptajit and Gogoi, Raju* : Tribal Dances of Arunachal
2. *Pathak, Guptajit and Gogoi, Raju* : Cultural Fiesta in the Island of peace Arunachal
3. *Pathak, Guptajit and Pathak, Ch. Niranjan* : Tribal Dances of Assam
4. *Dalton* : Tribal History of Eastern India
5. *Roy, B. Burman* : Elements of History
6. *Datta, K. N.* : Aspects of the Heritage of Assam
7. *Chaudhury, Shyam* : The Lalung Society

8. *Bhavnani, Enakshi* : The Dances of India

9. *Dutta, P. N.* : Glimpses into the History of Assam

10. *Bordoloi, B* : Tribes of Assam


**অসমীয়া প্ৰবন্ধ ঃ**


১। পাঠক, গুপ্তজিৎ ঃ দেউৰী সমাজত নাৰী

২। দেউৰী, মনেশ্বৰ ঃ তিৱা সম্প্ৰদায়ৰ অতীত পৰিচয়

৩। সেনাপতি, বলাইৰাম ঃ তিৱাসকলৰ জনবিশ্বাসত সৃষ্টিৰ ৰহস্য

৪। গোহাঁই, ড° বীৰেন্দ্ৰ কুমাৰ ঃ পাহাৰীয়া তিৱাসকলৰ সাংস্কৃতিক বিশিষ্টতা

৫। পৰাশৰ, প্ৰদীপ ঃ তিৱাসকলৰ আচাৰ-অনুষ্ঠান

৬। পাঠক, গুপ্তজিৎ ঃ সমাজ আৰু সাজ পাৰত কাৰ্বি নাৰী

৭। ডেকা, ৰাতুল ঃ তিৱা লোক-সংস্কৃতিত মদ

৮। বৰদলৈ, নৱকান্ত ঃ তিৱাসকলৰ বৰত উৎসৱ

৯। হাজৰিকা, মণ্টু কুমাৰ ঃ তিৱাসকলৰ বাট ভেটা উৎসৱ

১০।নাথ, মানস কুমাৰ ঃ লাংখুন পূজা উৎসৱ


❖❖❖❖❖